# Assam
# Legislative Assembly
# Debates

सत्यमेव जयते

## OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## Budget Session

### Volume-1

### No. 15

**The 6th April, 1988**

Price Rs. 24·00

## CONTENTS

# Budget Session
# Volume–1
# No, 15

Dated, the 6th April, 1988


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1—61 |
| 2. | Voting on Demands for Grants | 61—112 |
| 3. | Adjournment | 113 |
| 4. | Annexure I, II, III, IV, V, VI, VII | 114—125 |


——

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday, April 6, 1988

The House met at 9 A.M. in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

**বিষয়ঃ ৰংজুলীৰ পৰা আঠিয়াবাৰীলৈ পথ নিৰ্ম্মাণ ।**

শ্ৰীঅকন চন্দ্ৰ বাভাই সুধিছে ঃ

* ২৬১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গোৱালপাৰা জিলাৰ ৰংজুলীৰ পৰা আঠিয়াবাৰীলৈ যোৱা পথচোৱা উত্তৰ পূব পৰিষদৰ দ্বাৰা নিৰ্ম্মাণ কৰিবৰ বাবে কিবা ব্যৱস্থা চৰকাৰে লৈছেনে ?

খ) যদি লৈছে এই নিৰ্ম্মাণ কাৰ্য্য অহা বিত্তীয় বছৰত আৰম্ভ কৰিব পৰা হবনে ?

গ) জুধনৈ সমষ্টিত উত্তৰ পূব পৰিষদৰ অধীনত কিমানটা পথ লোৱা হৈছে আৰু কিমানটা লোৱা হব বিতংভাৱে জনাবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) নাই লোৱা ।

খ) প্ৰশ্ন নুঠে ।

গ) পাচটা পথ লোৱা হৈছে । সেই কেইটা হ'ল—

১) দামৰা দলগোমা পথ ।

২) দামৰা মেদিপথাৰ আৰু দাইনাতুৰি দামাচ সংযোগ পথ নিটানগ্ৰাম বাবুপাৰা হৈ ।

৩) দৰংগিৰি খাৰখুটা পথ ।

৪) কৃষ্ণাই মেদিপথাৰ পথ ।

৫) ধূপধাৰা আদোগিৰি পথ ।

এই কেইটাৰ বাহিৰে বৰ্ত্তমানে আন পথ লোৱাৰ কোনো প্ৰস্তাৱ নাই।

শ্ৰীঅকণ ৰাভা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যি কেইটা পথ লোৱাৰ কথা উত্তৰত কৈছে সেই কেইটা পথ বহু বছৰৰ আগতেই লোৱা হৈছে। সম্প্ৰতি যি কেইটা পথ লোৱা হৈছে তাৰ বাহিৰেও অহা বিত্তীয় বছৰত নতুনকৈ পথ লোৱাৰ কথাটো চৰকাৰে চিন্তা কৰিছেনেকি ? বিশেষকৈ অসম আৰু মেঘালয়ৰ সীমান্তবৰ্ত্তী আৰু অত্যন্ত গুৰুত্বপূৰ্ণ পথ হিচাবে বংজুলী আঠিয়াবাৰী পথটো অতি প্ৰয়োজনীয় বুলি ৰাইজে ভাবে। লীলা ডামাচতকৈ ৰংজুলী আঠিয়াবাৰী পথটো বেছি গুৰুত্বপূৰ্ণ।

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত যি ৫টা পথ লোৱাৰ কথা কৈছো, উক্ত পথ কেইটাৰ বাবে উত্তৰ পূব পৰিষদে অনুমোদন জনাইছে। কিন্তু সদস্য গৰাকীয়ে বাকী যি দুটা পথৰ কথা কৈছে সেই দুটাৰ এটা ১২ কিলোমিটাৰৰ আৰু আনটো ৬ কিলোমিটাৰৰ, কিন্তু ইয়াৰ বাবে উত্তৰ পূব পৰিষদৰ পৰা অনুমোদন পোৱা হোৱা নাই। পালেই লোৱা হব।

**Re : Supplying agriculture machineries to the Agriculturist .**

Shri Muktar Hussain asked :

* 262. Will the Minister, Agriculture be pleased to state :

a) Whether the Agriculture Department is supplying Agriculture Machineries to the Agriculturists through the block offices in subsidy rate ?

b) If so, what are the machineries that are being supplied ?

c) Is it a fact that the subsidy varies from block to block ?

d) The subsidy rate in different block of Barpeta District ?

Shri Chandra Mohan Patowary (Minister, Agriculture) replied :

a) No, Distribution of Agricultural Machineries is carried out through Assam Agro-Industries Development Corporation and Departmental officers, but not through block offices.

b) Details of the Machineries supplied are as follows :

1. Power Tiller.
2. Power Pump.
3. Sugarcane Crusher.
4. Plant Protection equipment such as sprayer.
5. Low Lift manually operated pump.
6. Wheat thresher.

c) No. However, rates of subsidy differ scheme wise and some schemes are not in operation in all Blocks, such as Special Rice Production programme.

d) (i) 50% subsidy is provided under the scheme for Tribal Sub-Plan and Scheduled Caste Component.

(ii) 25% subsidy to all farmers for purchase of Machineries etc.

(iii) 50% Subsidy not exceeding Rs. 10,000/- for purchase of Power Tiller under Special Rice Production programme scheme.

**বিষয় ঃ ভাটৌপাৰা ২নং দেওকুমাৰ বান্ধৰ বাবে অৰ্থ মঞ্জুৰী ।**

শ্ৰীগনেশ বড়োই সুধিছে :

*২৬৩। মাননীয় ভূমি সংৰক্ষন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) কোকৰাঝাৰ জিলাৰ ভাটোপাৰা ২ নং দেওকুমাৰ বান্ধৰ Gully Control-cum-Water Distribution ৰ বাবে অৰ্থ মঞ্জুৰী হোৱা কথাটো চৰকাৰে জানেনে ?

খ) যদি জানে এই কাম কেতিয়া আৰম্ভ কৰা হব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (ভূমি সংৰক্ষন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) কোকৰাঝাৰ জিলাৰ ভাটোপাৰা ২নং দেওকুমাৰ বান্ধৰ Gully Control-cum-Water Distribution ৰ বাবে কোনো অৰ্থ মঞ্জুৰী ১৯৮৭-৮৮ বিত্তীয় বছৰত হোৱা নাই।

খ) প্ৰশ্ন নুঠে।

শ্ৰীগনেশ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, 'গালী কণ্ট্ৰোল-কাম ৱাটাৰ ডিষ্ট্ৰিবিউচন' বান্ধৰ কথাটো মই জনাত চয়ল কনজাৰভেচন অফিচাৰে চাৰ্ভে কৰি আচনি তৈয়াৰ কৰি চয়ল কনজাৰভেচন ডাইৰেক্টৰলৈ পঠাইছে। ডাইৰেক্টৰে এই আচনি কৰাল ডেভেলেপমেণ্টলৈ চিঠি নং এচ,চি,এইচ ৬২।৮৫-৫৬-১১৬৭ তাং ৫-৭-৮৫ যোগে পঠাইছে। উক্ত বিভাগত মই খবৰ লৈ গম পালো যে উক্ত আচনিৰ বাবে অৰ্থ মঞ্জুৰী হৈছে, সেই কাৰণেই মই প্ৰশ্নটো কৰিছো। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে এই সম্পৰ্কে এটা অনুসন্ধান কৰি জনাবনেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যদি এই আচনিখন কৰাল ডেভেলেপমেণ্ট বিভাগে লয় বৰ ভাল কথা। বিষয়টো অনুসন্ধান কৰি চাব পৰা হব।

**বিষয় : ভূমি সংৰক্ষন বিভাগৰ উন্টাখন্দা আচনি।**

শ্ৰীআব্দুল লস্কৰে সুধিছে :

* ২৬৪। মাননীয় ভূমি সংৰক্ষন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি

জনাবনে ?

(a) Whether the Government is aware that a Gali Project under Soil Conservation Department at Undurkhal under Mangalpur Bhalihawar Gaon Panchayat of Silchar subdivision is necessary for the Agricultural purpose ?

(b) If so, will the Government provide fund for constructing a Gali Project Bund for the benefit of the cultivators of that area ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (ভূমি সংৰক্ষন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(এ) শিলচৰ মহকুমাৰ মঙ্গলপুৰ বাউলিহাৰ গাওঁ পঞ্চায়তৰ অন্তৰ্গত উনডুৰখালত কৃষি উন্নয়ণৰ বাবে ভূমি সংৰক্ষন বিভাগে উল্টাখন্দা নিয়ন্ত্ৰন আচনি হাতত লোৱাৰ আৱশ্যকতা আছে নে নাই চৰকাৰে বৰ্ত্তমান নাজানে ।

(বি) প্ৰশ্ন নুঠে ।

শ্ৰীআলতাফ হুছেইন মজুমদাৰ : মাননীয় অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰীয়ে উত্তৰত যিহেতু এই আচনি বৰ্ত্তমান চৰকাৰৰ হাতত নাই বুলি কৈছে মই জানিব বিচাৰিছো বিভাগক এইটো পৰীক্ষা কৰি চোৱাৰ কাৰণে কবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো চাবলৈ কব পৰা হব ।

## বিষয় : বন প্ৰাধিকাৰীৰ বিৰুদ্ধে অভিযোগ ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

* ২৬৫। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা ২৪।৯।৮৭ তাৰিখে ডুমডুমা বন প্ৰাধিকাৰীৰ বিৰুদ্ধে উংথাপন কৰা ৬ দফীয়া আপত্তিৰ বিষয়ে চৰকাৰে অনুসন্ধান কৰিলেনে ?

(খ) যদি কৰিলে অনুসন্ধানৰ এটা প্ৰতিলিপি সদনৰ মেজত ৰখা হওক ?

(গ) চৰকাৰে অনুসন্ধান কৰি কি ব্যৱস্থা ললে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) পূব অসম চক্ৰৰ বন সংৰক্ষক ডাঙৰীয়াক এই বিষয়ে তদন্ত কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

(খ) তদন্তৰ প্ৰতিবেদন পোৱা হোৱা নাই। তদন্তৰ প্ৰতিবেদন তত্কালীন ভাবে দিবলৈ ইতিমধ্যে কোৱা হৈছে।

(গ) তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত বিভাগীয় বিহিত ব্যৱস্থা লোৱা হব।

(Starred Question No. 266 was not called for. However, written coppies deemed to have been laid on the table as follows.

**বিষয় ঃ বীজ ফাৰ্মৰ সংখ্যা।**

শ্ৰীশ্বহীদুল ইছলাম য়ে সুধিছে ঃ

* ২৬৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কেইটা কৃষি বীজ ফাৰ্ম আছে আৰু কোন কোন ঠাইত অৱস্থিত ?

(খ) উক্ত কৃষি বীজ ফাৰ্ম বিলাকে বছৰি শতকৰা কিমান ভাগ কৃষি বীজ অসমত যোগান ধৰে ?

(গ) অসমৰ বাহিৰৰ পৰা শতকৰা কিমান কৃষি বীজ যোগান ধৰা হয় ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কৃষি বিভাগৰ অধীনত অসমত সৰ্ব্বমুঠ ৫২ খন কৃষি বীজ পাম আছে। এই পাম সমূহৰ তালিকা সদনৰ মেজত ৰখা হ'ল। তালিকাত পাম সমূহৰ অৱস্থান দেখুওৱা হৈছে।

( See Annexure I )

(খ) উক্ত বীজ পাম বিলাকে বছৰি তলত দিয়া ধৰণে বীজৰ যোগান ধৰে।

| বীজৰ নাম | শতকৰা |
|---|---|
| (১) প্ৰমানিত ধানৰ বীজ | ৩—৪% |

(২) প্ৰমানিত সৰিয়হৰ বীজ ৪—৫%

(৩) প্ৰমানিত মৰাপাটৰ বীজ ৫ – ৬%

(৪) প্ৰমানিত মাহ জাতীয় বীজ ২—৩%

(গ) অসমৰ বাহিৰৰ পৰা অনা বীজ নিম্ন লিখিত হাৰত যোগান ধৰা হয়।

| বীজৰ নাম | শতকৰা |
|---|---|
| (১) প্ৰমানিত ধানৰ বীজ | ৪০—৫০% |
| (২) প্ৰমানিত সৰিয়হৰ বীজ | ৯০—৯৫% |
| (৩) প্ৰমানিত মৰাপাট বীজ | ৭০—৭৫% |
| (৪) প্ৰমানিত মাহজাতীয় বীজ | ৯০--৯৫% |
| (৫) প্ৰমানিত ঘেহু জাতীয় বীজ | ১০০% |

শ্ৰীশ্বহীদুল ইচলাম ঃ অধ্যক্ষ মহোদয়, অসমৰ মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে পঞ্জাব আৰু হাৰিয়ানাৰ দৰে অসমতো যুদ্ধকালীন ভাবে কৃষি উৎপাদন কৰাৰ কাৰণে এটা তদাৰক কমিটি কৰি দিবনে আৰু দ্বিতীয় কথা হ'ল যি বিলাক কৃষি পাম অকেজু হৈ পৰি আছে সেই বিলাক যিহেতু পঞ্জাৱ হাৰিয়ানাৰ দৰে ইয়াত জলবায়ুৰ অভাৱ নাই সেই ধৰণে উৎপাদনক্ষম কৰিবলৈ ব্যৱস্থা তৎকালীন ভাবে লবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (কৃষি মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ইতিমধ্যে কৃষি বীজ পাম বিলাকৰ ওপৰত তদন্ত কৰি চাবলৈ দিয়া হৈছে। তদন্তৰ পিচত কি সুবিধা অসুবিধা আছে সেইবিলাক চাই সেইমতে ব্যৱস্থা ললে আমি নিশ্চয় বীজ আৰু উৎপাদনৰ ক্ষেত্ৰত কিছু আগবাঢ়িব পাৰিম।

Shri Altaf Hussain Mazumdar : Mr. Speaker, Sir, as I said in the House, and you also will agree, that we must give emphasis on agriculture. The condition of the seed farms as the Hon'ble Minister has said certainly is not very flattering. My question, therefore, to the Hon'ble Agriculture Minister is, will he take up the matter immediately himself without keeping things for enquiryto find out why this pitiable condition has developed ; if necessary

experts can be brought from outside where seen farms are functioning successfully— they may be asked to look into it and then on their advice he can take necessary steps to bring about improvement.

Shri Chandra Mohan Patowary, (Minister, Agriculture) : Sir, I am looking into the matter personally and that is why I have asked for investigation to unearth the causes of malfunction of the farms. However, the suggestions given by our Hon'ble Member will definitely be borne in mind.

Dr. Ardhendu Kumar Dey : Sir, there is a farm at Hojai which is without any apparent activities. There is some structure, some employees are there who are very irregular in attending their duties. Will the Hon'ble Minister look into the matter ?

Shri Chandra Mohan Patowary, (Minister, Agriculture) : Sir, I have already mentioned that there is an enquiry to ascertain the correct positions of the farm and this farm will automatically come within the purview of the enquiry.

শ্ৰীআব্দুল মোক্তাদীৰ চৌধুৰী ঃ এই বছৰ এক লাখ দহ হাজাৰ ঘেঁহু বীজ খেতিৰ কাৰণে দিয়া হৈছে। কিন্তু শুনিব পোৱা মতে বেহাই মূল্যত দিয়া এক লাখ দহ হাজাৰ কুইন্টল ঘেহুবীজ শতকৰা পঞ্চাশ ভাগ চাবচিডি ৰেটত পশ্চিমবঙ্গত বিক্ৰী হৈ গৈছে এইটো মন্ত্ৰী মহোদয়ে জানেনে আৰু এই এক লাখ দহ হাজাৰ কুইন্টল ঘেঁহুবীজ লগাবলৈ অসমত ঠাই ক'ত আছে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (কৃষি মন্ত্ৰী) ঃ এইটো স্বকীয়া প্ৰশ্ন কৰিলে উত্তৰ দিবলৈ ভাল হব চাৰ।

শ্ৰীতনু কোঁৱৰ ঃ অধ্যক্ষ মহোদয়, আমি শুনিবলৈ পাইছো যে এই বছৰ পঞ্জাব হাৰিয়ানা আৰু ইউ-পিয়ে অসমলৈ চাউল নিদিয়ে. সেইটো কথা সচানেকি ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সেইটো প্ৰশ্ন

যোগান বিভাগৰ মন্ত্ৰীক সুধিলে উত্তৰ পাব।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, অসমত যিমান বীজ লাগে তাৰ কিমান শতাংশ এই ৫২ খন কৃষি পামে যোগান ধৰিব পাৰে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (কৃষি মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ইতিমধ্যে লিখিত উত্তৰ জনাইছোৱেই। শতকৰা দুই তিনি ভাগ মান হয়।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ শতকৰা দহ ভাগৰ তলত বুলি মন্ত্ৰী মহোদয়ে কৈছে গতিকে এতিয়া শতকৰা দহ ভাগৰ ওপৰত কৰিবৰ কাৰণে কিবা ব্যৱস্থা কৰিব নেকি ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (কৃষি মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো কৈছোৱেই যে বীজপাম বিলাক কি অৱস্থাত আছে তদন্ত কৰিবলৈ দিয়া হৈছে। সেইমতে খবৰ লৈ ব্যৱস্থা লবলৈ ভবা হৈছে। বীজপাম বিলাকত কিবা নহয় কিবা এটা গণ্ডগোল বুলি শুনিছো। কৰবাত পানী নাই, কৰবাত মাটি ওখ, কৰবাত আকৌ মাটি দ। ইত্যাদি বিলাক সবিশেষ জানি সেই মতে ব্যৱস্থা লবলৈ বুলিয়ে এই তদন্তৰ ব্যৱস্থা কৰা হৈছে। প্ৰতিবেদন পালে সেই মতে কাম কৰিব পৰা হব।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, এই বীজ বিলাক কোন কোন খেতিয়কৰ মাজত বিতৰণ কৰা হ'ল সেইখন তালিকা মন্ত্ৰী মহোদয়ে সদনত জনাবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমাৰ বিষয়া সকলৰ দ্বাৰা এই বীজ দিয়া হৈছে। তালিকা দিব নোৱাৰাৰ কোনো কথা নাই।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, এই বছৰটোৰ তালিকাখন মাত্ৰ দিলেও হব। বছৰটোত কিমান জনক দিয়া হ'ল আৰু তাৰে তালিকাখন দিব পাৰিবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (কৃষি মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তালিকাখন নিশ্চয় দিব পাৰিম।

শ্ৰীঅমৃতলাল বসুমতাৰী ঃ অধ্যক্ষ মহোদয়, ১৯৮৮ চনটো কৃষি বৰ্ষ হিচাবে কোৱা আমি শুনিছো। এই কৃষিবৰ্ষক কি ধৰণে আৰম্ভ কৰিব বিচাৰিছে যদি এই ধৰণে বীজৰ উৎপাদন হয় তাকে অলপ মন্ত্ৰী মহোদয়ে

কৰ নে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (কৃষি মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, কৃষিবৰ্ষ ঘোষণা কৰাৰ কাৰণে তদন্তৰ আদেশ দিয়া হৈছে। কৃষি বৰ্ষ ঘোষণা কৰাৰ কাৰণেই আগধৰি বীজ আদিৰ কাৰণে বিহিত ব্যৱস্থা লবলৈ এই তদন্তৰ কাম আৰম্ভ কৰা হৈছে। অলপ চাই থাককচোন কি হয়।

(Starred question No. 268 was not Called for. However written repies deemed to have been laid on the table as follows.)

**বিষয় ঃ অনুসূচীত জাতি উন্নয়ন নিগমৰ ঋণ।**

শ্ৰীবত্নেশ্বৰ সৰকাৰে সুধিছে ঃ

*২৬৯। মাননীয় অনুসুচীত জাতিৰ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৭-৮৮ চনত অনুস্চীত জাতিৰ উন্নয়ন নিগমে কোন কোন জিলাৰ পৰা কিমান খন ঋণৰ আবেদন পাইছিল ?

(খ) কোন কোন জিলাত কিমান জনক ঋণ দিয়া হ'ল ?

শ্ৰীথানেশ্বৰ বড়ো, (অনুসূচীত জাতিৰ কল্যান বিভায়ৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) প্ৰতিখন জিলাৰ পৰা পোৱা দৰ্খাস্তৰ সংখ্যা এনে ধৰণৰ ঃ

| ক্ৰমিক নং | জিলাৰ নাম | দৰ্খাস্তৱ সংখ্যা |
|---|---|---|
| ১ | ডিব্ৰুগড় | ১৯৮ |
| ২ | শিৱসাগৰ | ২১৪ |
| ৩ | গোলাঘাট | ১৯৪ |
| ৪ | দৰং | ১০৭ |
| ৫ | শোণিতপুৰ | ১৯৭ |
| ৬ | কামৰূপ | ৩৭৬ |
| ৭ | নলবাৰী | ১৬৮ |
| ৮ | বৰপেটা | ২৪৮ |

| | | |
|---|---|---|
| ৯ | কোকৰাঝাৰ | ১১৭ |
| ১০ | গোৱালপাৰা | ১৪৪ |
| ১১ | ধুবুৰী | ১১৭ |
| ১২ | লক্ষীমপুৰ | ১৭৪ |
| ১৩ | নগাওঁ | ৬৫১ |
| ১৪ | যোৰহাট | ২৬০ |
| ১৫ | শিলচৰ | ১৩৯ |
| ১৬ | কৰিমগঞ্জ | ৬৯ |

মুঠ ৩৩৬৫

(খ) প্রতিখন জিলাৰ হিতাধিকাৰীৰ সংখ্যা তলত উল্লেখ কৰা হ'ল—

| ক্রমিক নং | জিলাৰ নাম | হিতাধিকাৰীৰ সংখ্যা |
|---|---|---|
| ১ | ডিব্রুগড় | ১৩৯ |
| ২ | শিৱসাগৰ | ১৭৪ |
| ৩ | গোলাঘাট | ১১৯ |
| ৪ | দৰং | ৯৯ |
| ৫ | শোণিতপুৰ | ১১৯ |
| ৬ | কামৰূপ | ৩৪৮ |
| ৭ | নলবাৰী | ৯৯ |
| ৮ | বৰপেটা | ২১১ |
| ৯ | কোকৰাঝাৰ | ১০০ |
| ১০ | গোৱালপাৰা | ৯৬ |
| ১১ | ধুবুৰী | ৮৩ |
| ১২ | লক্ষীমপুৰ | ১০২ |
| ১৩ | নগাওঁ | ৫৩০ |
| ১৪ | যোৰহাট | ১৭৮ |
| ১৫ | শিলচৰ | ১০৭ |
| ১৬ | কৰিমগঞ্জ | ১২ |

মুঠ ২৫১৬

শ্ৰীবত্নেশ্বৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে এই উন্নয়ন নিগমৰ কাৰণে ৩৩৬৫ খন আৰু আবেদন পোৱা বুলি কৈছে। গতিকে মাননীয়

মন্ত্ৰী মহোদয়ে হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰিছে আৰু যি সকলক দিছে সেই সকলক ঋণ দিয়া হয় বেংকৰ জৰিয়তে। কিন্তু বেংকে এই বিলাক দিছে নে নাই সেই সম্পৰ্কত চৰকাৰৰ তৰফৰ পৰা চোৱাচিতা কৰাৰ ব্যৱস্থা আছে নে নাই মন্ত্ৰী মহোদয়ে জনাবনে ? লগতে আৰু এটা প্ৰশ্ন হ'ল বেংকৰ যোগেদি যেতিয়া ঋণ দিয়া হয় তেতিয়া হলে ডি আৰ ডি আদিৰ দৰে আগতীয়াকৈ দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰেনে ?

শ্ৰীথানেশ্বৰ বড়ো, (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বেংকৰ পৰা পাওঁতে দেৰি হয় তথাপি যি সকলক এই অনুমোদন আমাৰ ফালৰ পৰা কৰি দিয়া হয় সেই সকলে পাই আছে।

শ্ৰীনীলমনি দাস : মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে আগতীয়াকৈ যি লক্ষ্য ধাৰ্য্য কৰা হয় তেনেকৈয়ে লক্ষ্য ধাৰ্য্য কৰা হৈছিল নেকি, আৰু এই লক্ষ্যৰ কিবা পৰিবৰ্ত্তন কৰা হৈছে নেকি, কৰবাত বঢ়াই দিয়া বা কম কৰা হৈছে নেকি ? দ্বিতীয়তে আন বছৰৰ দৰে এই বছৰো যিমানখিনি ঋণ দিয়া হৈছে সেইখিনি আনবছৰতকৈ কম নে বেছি মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আজি অৱশ্যে এইটোৰ বিতং তথ্য দিব পৰা নাযাব। ১৯৮৭-৮৮ চনলৈকেহে তথ্য এতিয়া মোৰ হাতত আছে। এইটো এলটমেণ্টতেই দিয়া হৈছে, যি অঞ্চলত যিমান দিব লাগে সেইমতেই এলত' কৰা হৈছে, মাৰজিন মানি বা চিকিউৰিতি মানি আদি দিব লাগে দিয়া হৈছে।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে ঋণ দিয়া হৈছে, কিন্তু আমি ফিল্ডত গৈ দেখিছো ঋণ দিয়া নাই এই ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা লবনে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই অনুসন্ধান কৰি চাম।

Re : **Construction of a Bridge Over Pachnoi River.**

Shri Silvius Condpan asked :

* 270. Will the Minister, P. W. D. be pleased to state :

a) Whether Government is considering the construction of a bridge over Pachnoi river (just near the Railway bridge) connecting Sonitpur and Darrang Districts to keep vigil in the border as well as Forest area ?

শ্রীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) বৰ্ত্তমানে পাচনৈ নদীৰ ওপৰত দলং সজাৰ কোনো প্রস্তাব নাই ।

শ্রীদীলেশ্বৰ তাঁতী : মাননীয় অধ্যক্ষ মহোদয়, এই ভিতৰুৱা অঞ্চলটোৰ দুইখন জিলাৰ ৰাইজৰ যাতায়তৰ সুবিধাৰ প্রতি লক্ষ্য ৰাখি অস্থায়ীভাবে দলং এখনকে দিয়াৰ ব্যৱস্থা মন্ত্রী মহোদয়ে কৰিবনে ?

শ্রীঅতুল বৰা, (গড়কাপ্তানী মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, অস্থায়ী ভাবে হলেও এই দলংখন দিবৰ কাৰণে ২১ লাখ টকা লাগিব । সেয়ে ভবিষ্যতে কিবা কৰিব পাৰি নেকি সেইটো চোৱা হব ।

**Re : Creche House in the Isabheel.**

Shri Moni Lal Gowala asked :

* 271. Will the Minister, Labour be pleased to state :

Whether it is a fact that there is no Creche House in the Isabheel T. E. ? (An Assam Government undertaking)

b) If so, whether the Government considers it to be a violation of P. L. Act, 1951 ?

c) Will the Government open the creches in the said tea estate ?

শ্রীবার্কি প্রসাদ তেলেঙ্গা, (শ্রম মন্ত্রী)য়ে উত্তৰ দিছে :

ক) নহয় । ইছাবিল চাহ বাগিছাত এখন নিৰ্দ্ধাৰিত মানৰ পকা ক্রিশ

ঘৰ আছে ।

খ) ওপৰোক্ত উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে ।

গ) বাগিছা শ্ৰমিক আইন অনুসৰি চাহ বাগিছা কৰ্ত্তৃপক্ষই ক্ৰিশ ঘৰৰ ব্যৱস্থা কৰিব লাগে, চৰকাৰে নহয় ।

Shri Moni Lal Gowala : Mr. Speaker, Sir, I know it very well that there is no Creche House. Sir, this Isabheel T.E. is an Assam Government undertaking. This is a clear-cut violation of the Plantation Labour Act. So, will the Labour Minister enquire into the matter ?

শ্ৰীবাৰ্কি প্ৰসাদ টেলেঙ্গা, (শ্ৰম মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসম চাহ বাগিছা নিগম কৰ্ত্তৃপক্ষই ইচাবিল চাহ বাগিছা ২৩।৬।৭৫ তাৰিখে অধিগ্ৰহণ কৰে । বৰ্ত্তমানে যিখন ক্ৰিশ বাগিছাৰ চিকিৎসালয়ৰ ওচৰত আছে সেইখন পূৰ্ব্বৰ বাগিছা কৰ্ত্তৃপক্ষই ১৯৭৫ চনৰ আগতে বনাই থৈ গৈছিল । কিন্তু এইখন ঘৰ বৰ্ত্তমান বাগিছা কৰ্ত্তৃপক্ষই ঠিক মতে ৰক্ষণা বেক্ষণ কৰা নাই । গতিকে ক্ৰিশ ঘৰ নাই বুলি কৈছে যদিও মোৰ হাতত থকা তথ্যমতে ক্ৰিশ ঘৰ থাকিব লাগে ।

শ্ৰীমনিলাল গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, সেই ক্ৰিশ ঘৰত কেতিয়াবা সৰু লৰা ছোৱালী থাকেনে সেইটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীবাৰ্কি প্ৰসাদ টেলেঙ্গা, (শ্ৰম মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সৰু লৰা ছোৱালী যদি নাথাকেই তেন্তে ক্ৰিশ ঘৰ কেনেকৈ থাকিব ।

শ্ৰীনৰেণ তাঁতী : মাননীয় অধ্যক্ষ মহোদয়, ক্ৰিশ ঘৰ সম্বন্ধে কিছুমান নিয়ম থকাৰ কথা মন্ত্ৰী মহোদয়ে কৈছে আৰু এই ইচাবিল চাহ বাগিছাৰ ক্ৰিশ ঘৰে ১৯৫১ চনৰ লেবাৰ এক্টভায়লেট কৰিছে বুলি কৈছে । কিন্তু এই এক্টৰ কোন ধাৰাৰ কোন অংশত এই ক্ৰিশ ঘৰৰ কথা আছে সেইটো কব লাগে ।

শ্ৰীবাৰ্কি প্ৰসাদ টেলেঙ্গা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ প্ৰশ্নৰ উত্তৰত কৈছোৱেই যে ইচাবিল চাহ বাগিছাত অসম চাহ নিগম কৰ্ত্তৃপক্ষই গ্ৰহণ কৰাৰ আগৰেপৰাই তাত ক্ৰিশ ঘৰ আছে । গতিকে ইয়াত লেবাৰ এক্ট ভায়লেট কৰাৰ কথা নাথাকে অসম টি প্লেণ্টেন এক্ট ৰুলত ক্ৰিশ ঘৰ কি ধৰণে হব লাগে দিয়া আছে ।

শ্ৰীনৰেণ তাঁতী : মাননীয় অধ্যক্ষ মহোদয়, Being a Labour Minister he should know the Plantation Labour Act. এতিয়া কথা হ'ল এই লেবাৰ এক্ট ভায়লেট কৰিলে তাৰ ওপৰত কি ধৰণৰ শাস্তি দিয়াৰ ব্যৱস্থা কৰা হব বা কেনে ধৰণৰ শাস্তি হব সেইটো মন্ত্ৰী মহোদয়ে কবনে ?

শ্ৰীবাৰ্কি প্ৰসাদ টেলেঙ্গা (শ্ৰম মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো বেলেগ প্ৰশ্ন হিচাবে আহিলে উত্তৰ দিয়া হব ।

Shri Altaf Hussain Mazumdar : Sir, Hon'ble Member has put a definite question and asserted that there is no Creche House. Hon'ble Minister has given a reply. We are unhappy about it. First of all Minister has said that there is Creche House and then he said that it is not proper and all that. Sir, the very purpose of the question is to bring the matter to the notice of the Government is affears that the reply lossed on by the officer are not correct. Will the Minister enquire into the matter and find out whether the officers reply is correct or MLA's version is correct? If it is found that MLA's version is correct then action will have to be taken against the officer otherwise the Minister will come under privilege.

শ্ৰীবাৰ্কি প্ৰসাদ টেলেঙ্গা, (শ্ৰম মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্যই যিটো প্ৰশ্ন কৰিছে যে আইনখন ভঙ্গ কৰিলে কি ধৰণৰ ব্যৱস্থা লোৱা হব, তাৰ উত্তৰত কওঁ চাহ বাগিছা বিলাকত একোখন ইউনিয়ন থাকে তাত আকৌ চৰকাৰৰ কাৰ্য্যালয় আছে, ইন্সপেক্টৰ আছে । গতিকে যদি কৰবাত আইন ভঙ্গ কৰা হয় তেতিয়াহলে শ্ৰমিক সংগঠনে আমাৰ চৰকাৰক জনায় আৰু আমি সেইমতে গৈ অনুসন্ধান আদি কৰো । এই ক্ষেত্ৰত তাৰ লোকেল বিধায়কে কৈছে ক্ৰিশ ঘৰ নাই কিন্তু মোৰ হাতত তথ্য আছে যে ক্ৰিশ ঘৰ আছে । হয়তো তাত থাকিবলগীয়া গোটেইখিনি সুবিধা নাই কিন্তু ঘৰ আছে । এইটো ঘৰ চাহ নিগম কৰ্ত্তৃপক্ষই লোৱাৰ আগৰ পৰাই আছে । অৱশ্যে এই বিষয়টো পুনৰ অনুসন্ধান কৰি ঘৰ আছে নে নাই চোৱা হব ।

**বিষয় ঃ ব্ৰহ্মপুত্ৰৰ ওপৰত চতুৰ্থ দলং ।**

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ

*২৭২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ব্ৰহ্মপুত্ৰৰ ওপৰত চতুৰ্থ এখন দলং (চনী বিল) নিৰ্ম্মাণ কৰাৰ উদ্দেশ্যে জৰীপ কাৰ্য্য চলাই থকা কথাটো চৰকাৰে জানেনে ?

খ) যদি জানে, জৰীপ কাৰ্য্যৰ কাম কিমান আগবাঢ়িছে ?

গ) দলংখন নিৰ্মাণ কৰিবলৈ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিছে নেকি ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয়, জানে ।

খ) অসমৰ গড়কাপ্তানী বিভাগৰ অধীনত এই জৰীপ কাৰ্য্য হোৱা নাই । উত্তৰ পূব্ৰ সীমান্ত বেলৱেৰ অধীনতহে হৈছে । উত্তৰ পূব সীমান্ত বেলৱেৰ পৰা সংগ্ৰহ কৰা তথ্য মতে মেচাৰ্চ ৰাইট্‌চ নামৰ প্ৰতিষ্ঠান এটাই ইতিমধ্যে ডিব্ৰুগড়ৰ ওচৰৰ বগীবিল এলেকাত (চনীবিল নহয়) জৰীপ আদিৰ কাম সম্পূৰ্ণ কৰি তথ্য পাতি উত্তৰ পূব্ৰ সীমান্ত ৰেলৱেক দাখিল কৰিছে । উপৰুক্ত তথ্যপাতি বৰ্ত্তমানে উত্তৰ পূব সীমান্ত ৰেলৱেই পৰীক্ষা নিৰীক্ষা কৰি আছে ।

গ) হয়, কৰিছে ।

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ অধ্যক্ষ মহোদয়, আমি বহুতদিনৰ পৰা শুনি আছো যে ব্ৰহ্মপুত্ৰৰ ওপৰত আৰু এখন চতুৰ্থ দলং হব আৰু আমি গম পোৱামতে উত্তৰ পূব পৰিষদ আৰু কেন্দ্ৰীয় চৰকাৰৰ বেলৱে বিভাগে ৫০:৫০ ভিত্তিত খৰচ কৰি জৰীপৰ কাম আৰম্ভ কৰিছে আৰু শতকৰা ৫০ ভাগ জৰীৰৰ কাম শেষ হৈছেআৰু বাকী ৫০ ভাগ কামো আৰম্ভ কৰিছে । গতিকে উত্তৰ পূব্ৰ পৰিষদে আৰু ৰেলৱে বিভাগে যাতে সোনকালে জৰীপ কাৰ্য সম্পূৰ্ণ কৰে আৰু যাতে সোনকালে দলংখন হয় তাৰ কাৰণে যদিও অসম চৰকাৰৰ দায়িত্ব

নহয় তথাপি সঘনাই তেওঁলোকৰ লগত যোগাযোগ ৰাখিবনে ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয় মাননীয় সদস্যাই কৈছে যে আধা কাম সম্পূৰ্ণ হৈছে। মই কৈছো যে জৰীপৰ কাম সম্পূৰ্ণ হৈছে। তেওঁলোকে ৫০ ঃ ৫০ ভিত্তিত খৰছ কৰি জৰীপৰ কাম কৰিছে আৰু ৩১৭ কোটি টকা পৰিব বুলি কৈছে। ৰেলৰে পৰীক্ষা নিৰীক্ষা কৰি থকা বুলি কৈছে। অসম চৰকাৰে হেচা দি থাকিলেও পুজি যেতিয়া ৰেলৰে আৰু উত্তৰ-পূব পৰিষদৰ তেনে অৱস্থাত আমি তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰিবই লাগিব। আমি সঘনাই হেচা দি থকাত আপত্তি নাই।

**বিষয় ঃ নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন।**

শ্ৰীদেৱেশ্বৰ বৰাই সুধিছে ঃ

২৭৩। মাননীয় শ্ৰম মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চৰকাৰে অসমত নতুনকৈ কোন কোন ঠাইত নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছে ?

খ) ১৯৮৭-৮৮ চনৰ ভিতৰত এনে নিয়োগ বিনিময় কেন্দ্ৰ ক'ত ক'ত স্থাপন কৰিলে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা, (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) ১৯৮৮-৮৯ চনৰ বচৰটোত কোন কোন ঠাইত নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন কৰা হব সেই সম্পৰ্কে বৰ্ত্তমানলৈকে কোনো সিদ্ধান্ত হোৱা নাই। বছৰটোৰ ভিতৰত গোলাঘাট জিলাৰ বোকাখাট আৰু বৰপেটা জিলাৰ পাঠশালাত নতুনকৈ দুটা নিয়োগ বিনিময় কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে। ইয়াৰ উপৰিও গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ সদৰ স্থান সৰুপথাৰত এটা নতুন নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন কৰাৰ বাবে চেষ্টা চলাই থকা হৈছে।

খ) ১৯৮৭-৮৮ চনৰ ভিতৰত নগাওঁ জিলাৰ কলিয়াবৰ তিনিআলি আৰু ডিব্ৰুগড় জিলাৰ ডুলিয়াজানত এটাকৈ নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন কৰা হয়।

শ্ৰীদেৱেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, সৰুপথাৰ যিহেতু সীমামুৰীয়া ঠাই

তাত এটা নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন কৰিবৰ কাৰণে বহুত দিনৰ পৰা চেষ্টা চলাই থকা হৈছে। গতিকে এই বছৰ স্থাপন কৰাৰ ব্যৱস্থা লবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা, (শ্ৰম মন্ত্ৰী) : ১৯৮৮-৮৯ চনত তাত এটা নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন কৰিবৰ কাৰণে চেষ্টা চলাই থকা হৈছে আৰু সেই-মৰ্মে যিখিনি বস্তু লাগিব মাটি, চাৰ্ভে আদিৰ কাৰণে ব্যৱস্থা কৰি থকা হৈছে।

Shri Altaf Hussain Mazumdar : I would like to ask the Minister Labour and convey my a suggestion. The very idea of having Employment Exchanges is for giving better employment opportunities to our young people. But there are lots of complaints against the officers and the committees cannot control the officers. Will the Minister kindly place the local MLA's in the committees as they can have better control over the officers and look through how things are going on ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা, (মন্ত্ৰী) : মাননীয় সদস্য গৰাকীৰ প্ৰশ্নমতে অৱশ্যে কৰিব পাৰিলে ভাল আছিল কিন্তু কমিটি কঠন কৰা কিছুমান নিয়ম নীতি আছে আৰু সেই নিয়ম অনুসাৰে কৰি থকা হৈছে।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী : অধ্যক্ষ মহোদয়, মাৰ্ঘেৰিটাত এটা নিয়োগ বিনিময় কেন্দ্ৰ হব লাগে বুলি বহুত দিনৰ পৰা দাবী কৰি অহা হৈছে গতিকে তাত এটা নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন কৰিব নে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা, (মন্ত্ৰী) : পুজি অনুপাতে বিবেচনা কৰা হব।

শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে দয়াকৰি জনাব নেকি নিয়োগ বিনিময় কেন্দ্ৰ সমূহে যিবিলাক ফিগাৰ দিছে সেইটো একচুৰেল ফিগাৰ নহয়। ১৯৭১ চনৰ পাছত চেঞ্চাচ হোৱা নাই। গতিকে নিয়োগ বিনিময় কেন্দ্ৰ বিলাকত কিছুমান ফিল্ড ওৱাৰকাৰ নিয়োগ কৰি গাৱেঁভূৱে গৈ যিবিলাক শিক্ষিত নিৰনুৱাই নাম এনলিষ্ট কৰা নাই তেওঁলোকৰ নাম এনলিষ্ট কৰাৰ ব্যৱস্থা কৰিব নে?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা, (মন্ত্ৰী) : নিয়োগ বিনিময় কেন্দ্ৰ সমূহে পঞ্জী-ভুক্ত কৰাৰ উপৰিও আমাৰ টুৰিং অৰ্থাৎ ভ্ৰাম্যমান কেন্দ্ৰও স্থাপন কৰা হৈছে

সেইবিলাকেও ঘুৰী ঘুৰী যিবিলাক লৰাই নিজে নাম পঞ্জীভূক্ত নকৰে তেওঁ-লোকৰ নাম পঞ্জীভুক্ত কৰায়।

শ্রীদিলীপ শইকীয়া সোনোৱাল : অসমৰ নিয়োগ বিনিময় কেন্দ্র সমূহত কিমান বিকলাঙ্গ শিক্ষিত নিৱনুৱাৰ নাম পঞ্জীভুক্ত হৈছে সংখ্যাটো মন্ত্রী মহোদয়ে দিব নে ?

শ্রীবাৰ্কী প্রসাদ তেলেঙ্গা, (মন্ত্রী) : এইটো বেলেগ প্রশ্ন।

শ্রীকুসুম্বৰ টাইৰাই (গগৈ) : ১৯৮৭-৮৮ দিচেণ্ট্ৰলাইজ বোৰ্ডত মোৰ জবিয়তে ডুলিয়াজানত এটা নিয়োগ বিনিময় কেন্দ্র স্থাপন কৰা হ'ল। দাবী নাহৰ-কটিয়া আৰু ডুলিয়াজান দুয়ো ঠাইতে আছিল। শেষত যেনিবা ডুলিয়াজানত হ'ল কিন্তু ডুলিয়াজানত হলেও নাহৰকটিয়াৰ অইল এফেকটেড এৰিয়া সামৰি লোৱাৰ কথা আহিল কিন্তু কি কাৰণে বাদ পৰি গ'ল মন্ত্রী মহোদয়ে জনাব নে ?

শ্রীবাৰ্কী প্রসাদ তেলেঙ্গা (মন্ত্রী) : এই বিষয়ে গোটেই কথাটো চাই কি ব্যৱস্থা লোৱা যায় কব পৰা যাব।

**বিষয় : দিহিং নদীৰ ওপৰত পকী দলং নিৰ্ম্মানৰ আচনি।**

শ্রীকিৰণ কুমাৰ গগৈয়ে সুধিছে :

*২৭৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) শিৱসাগৰ আৰু ডিব্রুগড় জিলাৰ ৰাইজৰ দীৰ্ঘদিনীয়া দাবীৰ ওপৰত ভিত্তি কৰি ডিব্রুগড় জিলাৰ চেচুখাটত দিহিং নদীৰ ওপৰত এখন দলং (R.C.C. Bridge) নিৰ্ম্মানৰ বাবে চৰকাৰে আচনি লোৱাটো সত্য নে ?

(খ) যদি সত্য, উক্ত দলং নিৰ্ম্মানৰ আচনি কিমান আগবাঢ়িছে ?

(গ) চলিত বছৰৰ পৰা নিৰ্ম্মান কাৰ্য্য আৰম্ভ হোৱাৰ আশা কৰিব পাৰিবনে ?

শ্রীঅতুল বৰা, (গড়কাপ্তানী মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) নহয়।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীদেবেশ্বৰ বৰা ঃ শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ বাইজৰ দীৰ্ঘদিনীয়া দাৱীৰ ওপৰত ভিত্তি কৰি ৰাইজৰ সুবিধাৰ্থে এখন আৰ, চি, চি, ব্ৰিজ নিৰ্ম্মানৰ কাৰণে ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ আমাৰ সপ্তম পাচবছৰীয়া পৰিকল্পনাত কেইখন মান দলং, আৰ, চি, চি, ব্ৰীজ নিৰ্ম্মাণ কৰাৰ কথা ভবা হৈছে আৰু এই দলং বিলাক নিৰ্মান কৰাৰ কাৰণে গুৰুত্ব দিয়া হৈছে কিন্তু পুজিৰ অভাৱৰ কাৰণে এই কামটো কৰি উলিয়াব পৰা নাই আৰু সেই কাৰণেই বৰ্ত্তমান অৱস্থাত দলং নিৰ্ম্মানৰ কথাটো বিবেচনা কৰিব পৰা নাই।

## বিষয় ঃ বন সংমণ্ডলৰ কাৰ্য্যালয় স্থানান্তৰ।

ডাঃ কমলা কলিতাই সুধিছে ঃ

*২৭৫। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে পশ্চিম কামৰূপ বন সংমণ্ডলৰ কাৰ্য্যালয় গুৱাহাটীৰ পৰা ছয়গাওঁৰ বামুনী গাওঁলৈ স্থানান্তৰ কৰিবলৈ নিৰ্দ্দেশ দিয়া কথাটো সচানে ?

(খ) যদি সচা, এই নিৰ্দ্দেশ কেতিয়া আৰু কোন তাৰিখত দিয়া হৈছে ?

(গ) উক্ত নিৰ্দ্দেশ সন্দৰ্ভত এতিয়ালৈকে কাৰ্য্যকৰী ব্যৱস্থা নোলোৱাৰ কাৰণ কি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মূখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) ১৯৮৬ চনৰ ২৮-৮-৮৬ তাৰিখত।

(গ) বিভাগে বিষয়টো কাৰ্য্যকৰি কৰাৰ বাবে চেষ্টা চলাই আছে। প্ৰয়োজনীয় মাটিৰ আৰু পুজিৰ অভাৱত সেই কামত বেছি আগ বাঢ়িব পৰা নাই। ১৯৮৮-৮৯ বিত্তিয় বছৰত কিছু হলেও পুজিৰ ব্যৱস্থা কৰিব খোজা হৈছে।

## বিষয় ঃ কৃষি বিপন্ন পৰিষদৰ Marketing Inspector.

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) সুধিছে ঃ

*২৭৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চৰকাৰৰ কৃষি বিপন্ন পৰিষদৰ জৰিয়তে Marketing Inspector পদৰ বাবে ১৯৮৬ চনৰ ২ অক্তোবৰৰ তাৰিখে লিখিত পৰীক্ষা আৰু ১৯৮৭ চনৰ মে মাহত সাক্ষাৎকাৰ লোৱাটো সচানে ?

(খ) যদি সচা তেন্তে ১৭ মাহৰ পিচতো উক্ত পদৰ বাবে নিযুক্তি নিদিয়াৰ কাৰণটো কি ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয় সচা।

খ) সাক্ষাতকাৰৰ পৰা এটা কেলেণ্ডাৰ বছৰ অতিবাহিত হোৱাত আৰু কিছু খেলিমেলিৰ অভিযোগ থকাত চৰকাৰে অসম কৃষি বিপন্ন পৰিষদক পুনৰ নিয়োগৰ প্ৰক্ৰিয়া কৰিবলৈ জনাইছে।

শ্ৰীকুসুম্বৰ টাইৰাই : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ১৯৮৬ চনৰ ২ অক্টোবৰৰ তাৰিখে লিখিত পৰীক্ষা লোৱা আৰু ১৯৮৭ চনৰ মে মাহত সাক্ষাতকাৰ লোৱাতো সচা বুলি কৈছে। ইতিমধ্যে মন্ত্ৰী মহোদয়ে স্বীকাৰো কৰি গৈছে যে এটা কেলেণ্ডাৰ ইয়েৰ অতিক্ৰম কৰি গৈছে। মোৰ বোধেৰে এতিয়ালৈকে ১৮ মাহ অতিক্ৰম কৰি গ'ল। এই পৰ্যন্ত আয়োগলৈকে চিলেকশ্যন লিষ্টখন দিয়া নাই বুলি আমি গম পাইছো আৰু যাৰ কাৰণে নিযুক্তি দিব পৰা নাই।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী) : এইটো আমি পৰীক্ষা নিৰিক্ষা কৰিবলৈ বোৰ্ডক জনাইছো। কাৰণ এবছৰ পাৰ হোৱাৰ পাচত সেই লিষ্টখনৰ ভেলিডিটি নাথাকে।

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, নিবনুৱা সকলক এনেকুৱা শাস্তি দিয়াটো ভুল হৈছে। যি সকলৰ পৰা ট্ৰেজাৰী চালান লৈছিল সেই সকলক এই ট্ৰেজাৰী চালানৰ টকা ফিৰাই দিয়া হৈছে নেকি ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি নতুনকৈ ইন্টাৰভিউ লম আৰু তাৰ কাৰণে তেখেত সকলে ট্ৰেজাৰী চালান দিব নালাগে।

শ্ৰীহেমেন দাস : এবাৰ যিহেতু পৰীক্ষা দিছে তাৰ পৰা কিছুমানে পাচ কৰিছে আৰু কিছুমাণে ফেইল কৰিছে গতিকে তেওঁলোকে আকৌ কিয় পৰীক্ষাত বহিব, এই কথাটো আইন বিৰোধী হব, গতিকে বিষয়টো চিন্তা

কৰিব লগীয়া ।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ এটা কেলেণ্ডাৰ ইয়াৰ পাৰ হৈ গ'ল আৰু আমি ২/৪ জন প্ৰাৰ্থীৰ পৰা অভিযোগ পাইছো, সেইকাৰণে এইবিলাক কথা ভাবি চিন্তি আমি পুণৰ পৰীক্ষা পতাৰ কথা চিন্তা কৰিছো ।

শ্ৰীহেমেন দাস ঃ যেতিয়া এখন লিষ্টৰ পৰা নিযুক্তি দিয়াই হোৱা নাই আৰু নিযুক্তি দিয়াৰ কাৰণে লিষ্ট খন বোৰ্ডৰ ওচৰত দাখিলেই কৰা হোৱা নাই আৰু এপ্ৰোভ হোৱা নাই আৰু চিলেকশ্যন ষ্টেজতে আছে গতিকে পুনৰ পৰীক্ষা পাতিব নোৱাৰে ।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ আমি বিষয়টো ইতিমধ্যে সিদ্ধান্ত লোৱাৰ নিচিনা হৈছে । আৰু এই সিদ্ধান্ত বদলি কৰাৰ কথা নাই তথাপিতো বিষয়টো পুনৰ বিবেচনা কৰি চাম ।

**Re : Closure of Chargola and Singlachera T.E.**

Mrs. Kumari Rabidas asked :

*277. Will the Minister, Labour be pleased to state :

a) Whether the Government is aware thet the Chargola and Singlachera T.E. have been closed ?

b) If so, the steps taken by the Government to reopen the above two gardens considering the suffering of the tea garden people ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা, (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) হয় জানে ।

খ) যিহেতু বাগিছা দুখনৰ মালিকনালৈ বিবাদ কলিকতা উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ আছে সেই কাৰণে চৰকাৰৰ পক্ষৰ পৰা এতিয়া কোনো কাৰ্য্য ব্যৱস্থা লোৱা সম্ভৱপৰ নহয় ।

Shri Altaf Hussain Mazumdar : Through the questioner

is absent, I would request the Hon'ble Speaker to allow the Hon'ble Minister to answer as per Rule 34.

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : এই দুখন চাহবাগিছাৰ শ্ৰমিকৰ অৱস্থা কি হব মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা, (মন্ত্ৰী) : মাননীয় সদস্য গৰাকীয়ে যেনে ভাবে চিন্তা কৰিছে থিক তেনেকৈ চৰকাৰেও চিন্তা কৰিছে। কিন্তু যেতিয়ালৈকে এই কেচ বিলাকৰ বিবাদ নিষ্পত্তি নহয় তেতিয়ালৈকে কোনো কাৰ্য্যব্যৱস্থা লোৱাতো সম্ভৱপৰ নহয়।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : গ্ৰীন লিভ চেল কৰাৰ এটা ব্যৱস্থা লব নেকি ?

শ্ৰীবাৰ্কী প্ৰসাদ টেলেঙ্গা, (মন্ত্ৰী) : কিবা অসুবিধা হলে ভবিষ্য নীধিৰ পৰা মাজে-সময়ে সাহায্য প্ৰদান কৰা হয়। এই গ্ৰীন লিভ বিক্ৰী কৰাৰ যিটো কথা সেই সম্পৰ্কে কৰ্ম্মচাৰী আৰু শ্ৰমিক সকলৰ মাজত বাগিছাতেই এখন কমিতি কৰি লোৱা হৈছে আৰু তেখেত সকলে প্লাকিং চিজিনত কেচা পাত বিক্ৰী কৰি চলি আছে।

**বিষয় : আই টি আই কৰিমগঞ্জ।**

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰীয়ে সুধিছে :

*২৭৮। মাননীয় শ্ৰম মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

Whether the Site for establishment of I. T. I. at Karimganj has been finalised ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা, (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে :

নাই হোৱা।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : কৰিমগঞ্জত আই, টি, আই প্ৰতিস্থা কৰিবৰ কাৰণে তিনিখন ঠাইত মাটি দিয়া হৈছে। কিন্তু ক'ত পতা হব সেই বিষয়ে এতিয়াও কোনো সিদ্ধান্ত লোৱা হোৱা নাই, তাৰোপৰি এই আই, টি,

আইত যিবিলাক মানুহ নিয়ুক্তি দিয়া হৈছে সেইবিলাক মানুহ বাহিৰৰ পৰা অনা হৈছে। এতিয়া প্ৰশ্ন হ'ল এই আই, টি, আই কোন ঠাইত পতা হব আৰু কিমান দেৰী হব ?

শ্ৰীবাৰ্কী প্ৰসাদ টেলেঙ্গা, (মন্ত্ৰী) : কৰিমগঞ্জত আই, টি, আইৰ কাৰণে যি তিনিখন ঠাই চোৱা হৈছে, সেই তিনি ঠাইত আই, টি, আইৰ কাৰণে যি খিনি সুবিধা লাগে তাত সেই সুবিধা খিনি নাই। সেইকাৰণে তাত আমি উপযুক্ত মাটি পালে তালৈ আই, টি, আই স্থানান্তৰিত কৰা হব।

শ্ৰীআব্দুল মুক্তাদিৰ চোধুৰী : এই ঠাই পচণ্ড নোহোৱাৰ কথা ডি, চি,ক জনোৱা হৈছে নে নাই ?

শ্ৰীবাৰ্কী প্ৰসাদ টেলেঙ্গা, (মন্ত্ৰী) : এই মাটি সম্পৰ্কে ২৮-১-৮৮ তাৰিখে কৰিমগঞ্জৰ উপায়ুক্তক জনোৱা হৈছে।

**Re : Chief Conservator of Forest.**

Shri Haliram Terang asked :

* 279. Will the Chief Minister be pleased to state :

a) Whether Shri Heman Ghangkakati presently CCF (SF)· Assam was Conservator Western Assam Circle during the period when the S.D. Phere Committee was enquiring into the irregularities of the Forest Department.

b) Is it a fact that the D.F.O. & the two Rangers now suspended as per recommendation of the Committee were working under Shri Changkakati ?

c) As alleged in a weekly Assamese news Paper in August, 1987 is it true that Mr. Changkakati had allowed permit for 10,000 cubic metre of timber against the working plan departments recommendation of 4,000 Cubic metre.

d) Is it also true that Shri Changkakati had transferred the D.F.O. Shri Baruah from Kailugaon to Haltugaon Division just to involve him in irregular forest deals in favour of Heera Traders

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়, কিন্তু শ্ৰীহেমেন চন্দ্ৰ চাংকাকতি ইং ৭।৩।৮৬ তাৰিখলৈকেহে পশ্চিম বনাঞ্চল চক্ৰৰ বন সংৰক্ষক হৈ আছিল। শ্ৰী এচ ডি ফেনী এজনীয়া তদন্ত আয়োগ ইং ১।৩।৮৬ তাৰিখৰ পৰা চৰকাৰী নিৰ্দ্দেশ অনুযায়ী গঠন কৰা হয় আৰু সেই আয়োগৰ কৰ্য্যকাল ৩০।৪।৮৭ তাৰিখে শেষ হয়।

খ) এজনীয়া তদন্ত আয়োগৰ অনুমোদন ক্ৰমে শ্ৰীহেমেন চন্দ্ৰ চাংকাকতিৰ অধীনত কাম কৰা এগৰাকী বন সংমণ্ডল প্ৰাধীকাৰি আৰু দুজন বন সংপালক বিষয়াক চাকৰিৰ পৰা নিলম্বিত কৰা হোৱা নাছিল। এজনীয়া তদন্ত আয়োগৰ প্ৰতিবেদনত এনে ধৰণৰ অনুমোদন দিয়া নাছিল। তেওঁলোকক মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰক শাখাৰ প্ৰতিবেদনৰ ভিত্তিতহে চাকৰিৰ পৰা নিলম্বিত কৰা হৈছিল।

গ) সেই সময়ৰ বন সংৰক্ষক শ্ৰীহেমেন চাংকাকতিয়ে বন পৰিকল্পনাৰ অনুমোদনৰ বিপক্ষে ১০,০০০ (দহ হেজাৰ) ঘন মিটাৰ কাঠৰ অনুদান দিয়া কথাটো সত্য নহয়। চৰকাৰে এই সংক্ৰান্তত দিয়া আদেশ বোৰ শ্ৰীচাংকাকতিয়ে তেখেতৰ বন সংমণ্ডল বিষয়া সকললৈ কাৰ্য্যকৰী কৰাৰ কাৰণে প্ৰেৰণ কৰিছিল।

ঘ) বন সংমণ্ডল বিষয়া সকলৰ বদলি আৰু নিযুক্তি এই দুইটা কামেই চৰকাৰৰ কৰ্ত্তৃত্বাধীন। আনকি বন সংপালক বিষয়াকো বনসংৰক্ষকে বদলি কৰিব নোৱাৰে। কাইলু গাওঁ বুলি কোনো সংমণ্ডল বন বিভাগৰ অধীনত নাই। হীৰা ট্ৰেদাৰচৰ সংক্ৰান্তত জৰিত কৰাবলৈ সংমণ্ডল বিষয়া শ্ৰীবৰুৱাক কাইলু গাওঁলৈ বদলি কৰা অভিযোগ সত্য নহয়।

শ্ৰীহলীৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কৈছে যে যেতিয়া চাং কাকতী বনসংৰক্ষক আছিল তেতিয়া ডি, এফ, অ আৰু দুজন ৰেঞ্জাৰক ভিজিলেন্স কমিশ্যনাৰ বা ফেনী কমিটিৰ ৰিপৰ্টৰ ভিত্তিতেই হওক মুঠতে চাচপেনশ্বন কৰা হৈছিল। আৰু 'চি'ত সেই সময়ৰ বনসংৰক্ষ হেমেন চাংকাকতীয়ে বন পৰিকল্পনাৰ অনুমোদনৰ বিপক্ষে ১০ হাজাৰ ঘনমিটাৰ কাঠৰ অনুদান দিয়া নাছিল, এইটো থিক যে চৰকাৰৰ হাতত নথী-পত্ৰ

নাথাকিব পাৰে। ইতিমধ্যে প্ৰহৰী কাকতত এই বিষয়ে বহুতো কথা প্ৰকাশ পাইছে। শ্ৰীচাংকাকতীয়ে বৰুৱালৈ শ্লিপত লিখি দিয়ে যে ৯ হাজাৰ ঘনমিটাৰ কাথ দিব লাগে। কিন্তু কথাটো হ'ল চাংকাকতীৰ লগত কেবাজনো বিষয়া এই বিষয়টোৰ লগত জৰীত আছে বুলি কৈছে। যদি তথ্যপাতিখিনি মুখ্য মন্ত্ৰীক দিয়া হয় তেতিয়াহলে মুখ্যমন্ত্ৰীয়ে ইয়াৰ ওপৰত এটা অনুসন্ধান কৰাৰ কাৰণে আশ্বাস দিব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, এবাৰ অনুসন্ধান কৰা হৈছে আৰু সেইমতে ব্যৱস্থায়ো লোৱা হৈছে। যদি তাৰ ওপৰত কিবা বেলেগ তথ্যপাতি থাকে তেতিয়াহলে অনুসন্ধানৰ কাৰণে দিব পাৰে।

(Starred Question No 280 was not Called for However written riplies demand to have been laid on the table as following.)

Hon'ble Speaker ; Now, item No. 2. Voting on Demands for Grants.

শ্ৰীহেমেন দাস : চাৰ মোৰ এটা চৰ্ট নটিচ কুৱেশ্যন আছে। আজি ৬ তাৰিখে নটিচ দিছে।

মাননীয় অধ্যক্ষ : এই সম্পৰ্কত মই এটা কথা অসম গণ পৰিষদৰ মাননীয় সদস্য সকলক জনাব বিচাৰিছো যে দলৰ সদস্য সকলৰ তালিকাখন পাব লাগিব। ইয়াত কোনো ধৰণৰ শ্লিপ বা কাকত গ্ৰহণ কৰা নহব। মুখ্য সচেতকৰ জৰীয়তে এই কাগজখন পাব লাগিব।

Re : **Timber Permit to Saw Mill Owners.**

Shri Altaf Hussain Mazumdar asked :

476. Will the Chief Minister be pleased to state ;

a) Whether the present Government issued timber permits to Saw Mill and Timber traders in 1986-87 and 1988 and if so the names of the parties, the quantity of

respective permits and rate of Royalty and Monopoly ?

b) On what maximum rate of Royalty and Monopoly i.e. percentage of Royalty and Monopoly charged for the timber permit issued by the previous Government ?

c) Is it a fact that the present Government issued timber permits for Saw Mills timber traders at the same rate of royalty and Monopoly as charged by the previous Government ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ।

ক) দিয়া হোৱা নাই ।

খ) আগৰ চৰকাৰে কাঠৰ অনুজ্ঞাপত্ৰ লাভ কৰোতে কাঠ ব্যৱসায়ী সকলৰ পৰা নিৰিখমতে ৰয়েলটি আৰু শতকৰা ২০০ ভাগ মনপলি মাছুল আদায় কৰিছিল ।

গ) প্ৰশ্ন নুঠে ।

**Re : Encroachers Settled in the Gohpur Forest.**

Shri Ganesh Kutum asked :

477. Will the Minister be pleased to state :

a) Whether the Government is aware of the fact that encroachers have completely settled themselves in the Gohpur Forest since long back ?

b) If yes, the total area of Gohpur Forest and the total number of famelies encroached thereon file the date.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) এইটো সচা নহয় । ৬৬৬,৬৬ হেক্টৰ মাটি "পূৰ্ব্বজ্যোতি কৃষি পাম নিগমৰ" নামত আবণ্টন দিয়া হৈছিল, কিন্তু উক্ত মাটি এতিয়াও নীতিগত ভাবে সংৰক্ষিত বনাঞ্চলৰ পৰা বাদ দিয়া হোৱা নাই । ইয়াৰ ওপৰিও মুঠ

১৩৩১৪˙৯৮ হেক্টৰ মাটিৰ ভিতৰত ৬৬০১˙০০ হেক্টৰ মাটি বেদখলত আছে।

খ) গহপুৰ সংৰক্ষিত বনাঞ্চলৰ মুঠ মাটি কালি ১৩,৩১৪.৯৮ হেক্টৰ আৰু বেদখলকাৰীৰ সংখ্যা ৪৪৫২ টা পৰিয়ালৰ মুঠ ২৩,০০০ জন।

**Re : Quantity of Fertilizer and distributed to Farmers.**

Shri A. F. Golam Osmani asked :

478. Will the Minister, Agriculture be pleased to state :

Quantity of Fertilizer and pesticide distributed to farmers either normally or by way of Draught Relief and flood relief in Barpeta district in last 5 years ? (Please furnish figures itemwise, blockwise and yearwise).

Number of farmers benefited by above distribution ?

c) Number of Input Kit bags distributed by the Department in Barpeta district in last 5 years and number of farmers benefited thereby ?

(Please furnish information in blockwise breakup)

Shri Chandra Mohan Patowary, (Minister, Agriculture) replied :

a) (b) & (c) A statement incorporating the information is placed on the table of the House.

(See the annexure II)

**Re : Jalenga Sand Mahal.**

Shri Digendra Purkayastha asked :

479. Will the Chief Minister be pleased to state :

a) Whether Jalenga sand Mahal under Cachar Forest Division has been settled ?

b) If so what is the bid value and who is the lessee ?

c) If not, what is the reason for such delay in settlement of the Mahal ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) শিলচৰ বনসংমণ্ডলৰ অধীনত বৰ জেলেঙ্গা আৰু চোটো জেলেঙ্গা বালি মহল নামেৰে দুখন মহল আছে। চোটো জেলেঙ্গা বালি মহলৰ বন্দোবস্তি হৈ গৈছে আৰু বৰ জেলেঙ্গা বালি মহলৰ বন্দোবস্তিৰ কাম চলি আছে।

খ) ১৯৮৮-৮৯ বছৰটিৰ বাবে চোটো জেলেঙ্গা বালি মহলৰ নিবিদা মূল্য ১৭,৭৭,৭৭৭.৭৭ টকা আৰু উক্ত মহলৰ মহলদাৰ শ্ৰীসূজিৎ ৰয়।

গ) শ্ৰীসন্ত দাসে ১৯৮৮-৮৯ চনৰ, বৰ চোটো জেলেঙ্গা বালি মহলৰ বাবে ১৯,৯৯,৯৯৯.৯৯ টকাৰ আটাইতকৈ বেছি নিবিদা মূল্য আগবঢ়ায় কিন্তু পিছত তেখেতে তেখেতৰ উক্ত নিবিদা উঠাই লবলৈ আবেদন দাখিল কৰে। ইয়াৰ পিচত দ্বিতীয় সৰ্ব্বাধিক ১৫,৬৪,৫৯৪.৯৪ টকা নিবিদা মূল্য আগবঢ়োৱা শ্ৰীনিবাৰণ কাঞ্চি দাসে তেখেতৰ ২৫-২-৮৮ তাৰিখৰ আবেদন যোগে অসুস্থ স্বাস্থ্যৰ বাবে ডাক্তৰৰ প্ৰমাণ পত্ৰ দাখিল কৰে, আৰু তেনে অৱস্থাত তেখেতৰ নামত মহলটি বন্দোবস্তি দিলেও চলাব নোৱাৰিব।

তৃতীয় সৰ্ব্বাধিক ৯,২১,৯৯৯.০০ টকা নিবিদা মূল্য আগবঢ়োৱা শ্ৰীসুধিমল ভট্টাচাৰ্য্য এজন অন্য মহলৰ বাকীদাৰ (Defaulter) বুলি বন সংমণ্ডল বিষয়াই জনাইছে।

শেষ ডাকোটা শ্ৰীদিলীপ সিংহ এজন নতুন ঠিকাদাৰ আৰু তেখেতৰ নিবিদাৰ লগত বিত্তীয় স্বচ্ছল অৱস্থাৰ প্ৰমাণ পত্ৰ দাখিল কৰা নাছিল। তেওঁৰ ডাক আছিল ৮,৫০০,০১.০০ টকা।

ওপৰোক্ত কাৰণৰ বাবেই মহলটিৰ পট্টন দিয়াত জটিলতাৰ উদ্ভৱ হোৱাত দক্ষিণ অসম চক্ৰৰ বনসংৰক্ষকক এই বিষয়ে চৰকাৰী অধিবক্তাৰ ন্যায়িক মতামত লবলৈ কোৱা হৈছে আৰু ন্যায়িক মতামত পোৱাৰ পিচতেই বিষয়টি নিষ্পত্তি কৰা হব।

**Re : Approximate Number of Tea and Ex-Tea Tribe.**

Shri Dileswar Tanti asked.

480. Will the Minister W.P.T. & B.C. be pleased to state :

a) Whether the Government of the tea and Ex-Tea Directorate has any statistics as to how many (a) HSLC. passed b) P.D. Passed, (c) B.A. B.Com., B.Sc. passed, d) Post Graduates, (e) Law Graduates, (f) Engineering Graduates, g) Medical Graduates etc. persons are there amongst the Tea and Ex-Tea Tribes Community of Assam ?

b) What is the approximate number of Tea and Ex-Tea Garden Tribe population in Assam districtwise ?

c) The percentage of literacy in regard to the above mentioned community ?

Shri Thaneswar Boro, ( Minister of W.P.T. & B.C. ) replied :

a) The Directorate of Welfare of Tea and Ex-Tea Garden Tribe Assam has no such statistics.

b) No districtwise figures of Tea and Ex-Tea Garden Tribes are available.

c) Not available.

**বিষয় ঃ চৰ অঞ্চলৰ লগত যোগাযোগৰ ব্যৱস্থা ।**

শ্ৰীইউছুফ আলী আহমেদে সুধিছে ঃ

৪৮১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ধুবুৰী সংমণ্ডলৰ অন্তৰ্গত বিলাসীপাৰা ডাক বাংলাৰ পৰা মায়াৰ চৰ M.N.P. আলিবাট সম্পুৰ্ণ ৰূপে গড়কাপ্তানী বিভাগে লৈ বিলাসীপাৰাৰ লগত ব্ৰহ্মপুত্ৰ নদীৰ পাৰলৈ বৃহৎ চৰ অঞ্চলৰ লগত যোগাযোগৰ ব্যৱস্থা কৰিবনে ?

খ) যদি নকৰে তেন্তে কিয় ?

গ) এই ৰাস্তাৰ ওপৰত হব লগা ৩।৩ নং দলংখন নিৰ্ম্মাণৰ বাবে বিশেষ মঞ্জুৰী দিয়াৰ কথা চৰকাৰে বিবেচনা কৰিবনে ?

ঘ) যদি কৰে তেনেহলে অহা বিত্তীয় বছৰত মঞ্জুৰী দিবনে ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) বিলাসীপাৰা ডাকবঙলাৰ পৰা মায়াৰ চৰলৈ যোগাযোগৰ বাবে ন্যুনতম চাহিদা আচনিত মঞ্জুৰীৰ ওপতত নিৰ্ভৰ কৰি পৰ্য্যায়ক্ৰমে এটি পথ সাজি থকা হৈছে।

মুঠ ১৪ কিলোমিটাৰৰ ভিতৰত এতিয়ালৈ ৮.৫০ কিলোমিটাৰ সজা হৈছে।

খ) প্ৰশ্ন নুঠে।

গ) এই পথত ৩।৩ নং কোনো দলং নাই।

ঘ) প্ৰশ্ন নুঠে।

**বিষয় : লাদৈগড় আলিৰ দলং নিৰ্ম্মাণ।**

শ্ৰীনৰেণ তাঁতিয়ে সুধিছে :

৪৮২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) মৰিয়নি সমষ্টি আৰু টিয়ক সমষ্টিৰ সীমা স্বৰূপ লাদৈগড় আলিৰ ওপৰত থকা দলং, দালিম মাজকুৰি আলিৰ টিয়ক নৈৰ ওপৰত থকা দলং গড়খাৰৈ দলং, মৰান গাৱৰ দলং উক্ত মুঠ চাৰিখন দলং একেবাৰে ভাগি চুৰমাৰ হৈ থকাৰ কথা জানেনে ?

খ) যদি জানে, কিয় নিৰ্ম্মাণৰ ব্যৱস্থা কৰা নাই ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) উল্লেখিত চাৰিখন দলঙৰ কোনো এখনো দলং ভাগি চুৰমাৰ হৈ থকা নাই। দলং কেইখনৰ অৱস্থা বেয়া বুলিহে চৰকাৰে জানে।

খ) উক্ত দলং কেইখনৰ মেৰামতিৰ বাবে ইতিমধ্যে যাৱতীয় ব্যৱস্থা হাতত লোৱা হৈছে।

**বিষয় ঃ গড়কাপ্তানী বিভাগৰ এফ, ডি, আৰৰ টকা ।**

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে ঃ

৪৮৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ১৯৮৭-৮৮ বিত্তীয় বছৰত গড়কাপ্তানী (পথ) বিভাগে এফ, ডি আৰৰ শিতানত কিমান টকা পাইছে ?

খ) উক্ত টকা কোন মহকুমাত কিমান টকা দিয়া হৈছে আৰু কি ভিত্তিত ?

শ্ৰীঅতুল বৰা (পড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ১৯৮৭-৮৮ বিত্তীয় বছৰত এফ,ডি,আৰৰ শিতানত গড়কাপ্তানী [পথ] বিভাগত ৭৭৫ লক্ষ টকাৰ মঞ্জুৰী দিয়া হৈছে ।

খ) মহকুমা ভিত্তিত কৰ্ত্তন কৰা নহয় গতিকে প্ৰশ্ন নুঠে ।

**Re : Number of Diesel Pump Set sanctioned by the Agriculture Department.**

Shri Ramendra De asked :

484 . Will the Minister, Agriculture be pleased to state :

a) Total number of Diesel [water] pump set sanctioned by the Agriculture Department with the recommendation of the Sub-Divisional Scheduled Caste Welfare Board of Hailakandi Silchar and Karimganj at subsidised rate during the year 1980 to 1987 ?
(Furnish the list with the date of sanction).

b) The total number of 4 [four] wheeled Tractors sanctioned as per recommendation of the Sub-Div sional Board for Scheduled Caste Welfare of Cachar and Karimganj

Districts during the year 1980-87 ?
[Subdivisionwise list may be furnished].

Shri Chandra Mohan Patowary, [Minister, Agriculture] replied :

(a) & (b) Statement placed on the table of the House.
[See Annexure VII]

**Re : Nara Narayan Setu.**

Shri Amritlal Basumatary, asked :

485. Will the Minister, P.W.D. be pleased to State :

(a) Whether Government of India have sanctioned amount for the preliminary works for the Nara Narayan Setu bridge on the river Brahmaputra at Jogighopa ?

(b) If so, what is the progress ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, ১৯৮৭-৮৮ চনৰ বাবে দহ কোটি টকাৰ বণ্টন দিছে।

(খ) দলংখনৰ ভুটা পকা খুটা বহুৱাৰ কাম চলি আছে।

**বিষয় : বনৰীয়া হাতীৰ দ্বাৰা খেতি ৰাতি নষ্ট।**

শ্ৰীপদ্মনাথ কৈৰীয়ে সুধিছে :

৪৮৬। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) শোণিতপুৰ জিলাৰ পূৱ দৰং বন সংমণ্ডলৰ অধীনত চেলাইখাতি, ডিমাজুলী, ডিৱিং, বিজয়পূৰ, বনগাওঁ আদি অঞ্চলত ১৯৮৭ চনটোত বনৰীয়া হাতীৰ দ্বাৰা কিমান খেতিবাতি ঘৰ দুৱাৰ আদি নষ্ট হৈছে আৰু কিমান জনৰ প্ৰাণ নাশ তথা চিৰঘূণিয়া হল জানেনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৭ চনটোত পূৱ দৰং বন সংমণ্ডলৰ অধীনত বনৰীয়া হাতীৰ

দ্বাৰা খেতিবাতি, ঘৰ দুৱাৰ নষ্ট কৰাৰ পৰিমান আৰু আঘাট প্ৰাপ্ত হৈ পঙ্গু হোৱা তথা প্ৰাণ নাশ কৰা লোকৰ সংখ্যা হল ঃ

| | |
|---|---|
| (১) খেতি বাতিৰ পৰিমাণ | ১২৬ বিঘা |
| (২) ঘৰ দুৱাৰৰ পৰিমাণ | ১১ টা |
| (৩) প্ৰাণ নাশৰ সংখ্যা | ২২ জন |
| (৪) আঘাত প্ৰাপ্ত হৈ পঙ্গু হোৱা লোকৰ সংখ্যা | তেনে কোনো খবৰ পোৱা হোৱা নাই। |

**বিষয় ঃ জীয়া ভৰলীৰ ওপৰত ২য় দলং নিৰ্ম্মাণ।**

শ্ৰীৰবীন শইকীয়াই সুধিছে ঃ

৪৮৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শোণিতপুৰ জিলাৰ জীয়া ভৰলীৰ ওপৰত ২য় খন (চকীঘাটৰ) দলং নিৰ্ম্মাণৰ বিষয়টো বৰ্ত্তমান কোন পৰ্য্যায়ত আছে ?

(খ) N.R.C. য়ে এই সন্দৰ্ভত ২০ কোটি টকা ধাৰ্য্য কৰি অনুমোদন জনাইছে নেকি ?

(গ) যদি অনুমোদিত হৈছে তেন্তে এই সন্দৰ্ভত অসম চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) দলং নিৰ্ম্মাণৰ বাবে কৰা জৰীপ আৰু অনুসন্ধান কাৰ্য্য শেষ পৰ্য্যায়ত আছে।

(খ) জনোৱা নাই।

(গ) প্ৰশ্ন নুঠে।

**বিষয় ঃ বানপীড়িত কৃষক সকলক বীজ যোগান।**

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰৱাই সুধিছে ঃ

৪৮৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বানপীড়িত কৃষক সকলক খেতি কৰিবৰ কাৰণে ১৯৮৭ চনৰ বান-পানীৰ পিছত চৰকাৰে কি কি বীজৰ যোগান ধৰা হৈছিল ?

(খ) উক্ত বীজ সমূহ বিতৰণ কৰোতে প্ৰতিটো পৰিয়ালত গড়ে কিমান টকা ব্যয় হৈছিল ?

(গ) প্ৰতি কিলোগ্ৰামত চৰকাৰী মূল্য কিমান আছিল ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ধান, সৰিয়হ, ঘেহু, মটৰ, মাটিমাহ আৰু মচুৰ মাহৰ বীজৰ যোগান ধৰা হৈছিল ?

(খ) গড়ে ৭৫.০০ টকা কৈ ব্যয় হৈছিল।

| | | | | | |
|---|---|---|---|---|---|
| গ) ১। ধান ঃ | থলুৱা জাতৰ | ৩.৭৫ | টকা | প্ৰতি | কিঃ গ্ৰামত। |
| | উন্নত জাতৰ | ৪.৬৫ | " | " | " |
| ২। মাটি মাহ | | ৭.০০ | " | " | " |
| ৩। ঘেহু | | ৪.৮৫ | " | " | " |
| ৪। সৰিয়হ | | ১৬.০০ | " | " | " |
| ৫। মটৰ মাহ ঃ | ৰাছনা | ১১.০০ | " | " | " |
| | আজাদ | ১৫.০০ | " | " | " |
| ৬। মটৰ মাহ | | ৮.৪০ | " | " | " |
| ৭। মচুৰ মাহ | | ১১.০০ | " | " | " |

**Re : Master Plan in Silchar Town etc.**

Shri Karnendu Bhattarcharjee, asked :

489. Will the Minister, Town & Country Planning be pleased to State :

(a) Whether there is any Plane under the Government to revise the present Master Plan of the Silchar Town ?

(b) If so when it will be completed and if not the reason there of ?

Shri Atul Bora, (Minister, Town & Country Planning) replied :

(a) Yes.

(b) The draft modified Master Plan is expected to be completed by the end of March, 1989.

**বিষয় ঃ সৰু ধাদুম মাইথাং গড়কাপ্তানী পথ ।**

শ্ৰীমতী জ্যোৎস্না সোনোৱালে সুধিছে ঃ

৪৯০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ৩৭ নং ৰাষ্ট্ৰীয় পথৰ ওপৰত আৰম্ভ হোৱা সৰু ধাদুম মাইথাং গড়কাপ্তানী পথটো পকী কৰণৰ ব্যৱস্থা চলিত বিত্তীয় বছৰত কৰা হৈছে নেকি ?

খ) ৩৭ নং ৰাষ্ট্ৰীয় পথৰ ওপৰত থকা টিপুক দলং খন নিৰ্ম্মাণৰ প্ৰস্তুতি কিমান দূৰ আগবাঢ়িছে ?

গ) শদিয়া বিধান সভা সমষ্টিৰ অন্তৰ্গত ডাঙৰী দীঘলতৰা গড়কাপ্তানী পথটো কিমান অংশ সম্পূৰ্ণ কৰিলে জনাবনে ?

ঘ) যদি কৰা নাই ইয়াৰ কাৰণ কি ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) নাই হোৱা ।

খ) নতুনকৈ পকী দলং নিৰ্ম্মানৰ প্ৰস্তুতি হাতত লোৱা হৈছে ?

গ) ৮·৪৫ কিঃ মিঃ পথ সম্পূৰ্ণ কৰা হৈছে ।

ঘ) প্ৰশ্ন নুঠে ।

**Re : Wild Life sanctuary in Bogitora.**

Shri Nilamani Das asked :

491. Will the Chief Minister, be pleased to state :

a) Is there any psoposal of the Government to establish a Wild Life sanctuary in Bogitora ?

b) If so, where about 22,000 scheduled caste people will be provided land ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) বন্যপ্ৰাণী অভয়াৰণ্য খোলাৰ বাবে বগীতৰা নামৰ কোনো অঞ্চল নাই ।

খ) প্ৰশ্ন নুঠে ।

**Re : Repairing of P. W. D. Road.**

Shri Mosiruddin Sheikh, asked :

492. Will the Minister P. W. D. be pleased to state .

a) Whether the Government is aware of the fact that the Road connecting Kalgachia, Balagaon, Chenimari and Moinbary has been badly damaged during the flood of 1987 ?

b) If so, steps taken by the Government for repairing and improvement of this vital road ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়, চৰকাৰ অৱগত ।

খ) পুঁজি অনুসৰি বানপানীয়ে ক্ষয় ক্ষতি কৰা পথৰ আৱশ্যকীয় মেৰামতি কৰি ৰাস্তাটোৰ উন্নয়ণৰ কাম হাতত লোৱা হৈছে ।

**বিষয় : লংনিত আৰু যমুনা নদীত R.C.C. Bridge নিৰ্মাণ ।**

শ্ৰীখৰছিং ইংতিয়ে সুধিছে :

৪৯৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) NH. 36 ৰাস্তাৰ কাৰবি আংলং জিলাৰ অন্তৰ্গত লংনি নদী আৰু যমুনা নদীত আৰ, চি, চি, ব্ৰিজ নিৰ্মান কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে নেকি ?

খ) যদি লৈছে, তেনেহলে কেতিয়া কাম আৰম্ভ হব ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়, ব্যৱস্থা লোৱা হৈছে ।

খ) ভাৰত চৰকাৰৰ পৰিবহন মন্ত্ৰালয়ৰ পৰা মঞ্জুৰী পালেই কাম আৰম্ভ কৰা হব ।

## বিষয় : দুলানী নদীৰ ওপৰত দলং নিৰ্মাণ ।

শ্ৰীগনেশ বড়োই সুধিছে :

৪৯৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে : কোকৰাঝাৰ জিলাৰ বঙাইগাওঁ ডিভিজনৰ অন্তৰ্গত দুলানী নদীৰ ওপৰত দলং কেতিয়াকৈ নিৰ্ম্মান কৰা হব জনাবনে ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

নিৰ্ম্মান কাৰ্য্যৰ বাবে নিবিদা সংগ্ৰহ কৰা হৈছে আৰু তুলনামূলক প্ৰতিবেদন তৈয়াৰ কৰি নিবিদা কমিটিলৈ প্ৰেৰণ কৰা হৈছে । নিবিদা কমিটিৰ অনুমোদন সাপেক্ষে বাচনি পোৱা ঠিকাদাৰক কামৰ বিধিসন্মত নিৰ্দ্দেশ-নামা (ফৰমেল ৱৰ্ক অৰ্দাৰ) দিয়াৰ লগেলগে নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ কৰা হব ।

## বিষয় : উল্টাখন্দা নিৰ্মাণ আচনি ।

শ্ৰীআব্দুল ৰব লস্কৰে সুধিছে :

৪৯৫ । মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

a) Whether the Government is aware that there is a demand from the public for constructing a Gali Project Bund at Purkhaikhal of Bagpur, Nadigram and Badripar villages under Banskandi Sunapur Gaon Panchayat of

Silchar Subdivision ?

b) If so, the steps taken by the Government on this demand ?

c) If no step taken with the Government consider the public demand ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ।

এ) শিলচৰ মহকুমাৰ বানচকান্দি সোনাপুৰ গাওঁ পঞ্চায়তৰ অন্তৰ্গত বাগপুৰ নেদিগ্ৰাম আৰু বদৰিপাৰ বাইজৰ পৰা উল্টাখন্দা নিৰ্ম্মান আচনিৰ বাবে কোনো দাবী পোৱা হোৱা নাই ।

বি) প্ৰশ্ন নুঠে ।

চি) যদি সম্পৰ্কৰক্ষী বোৰ্ডে উক্ত কামৰ বাবে অৰ্থসহ অনুমোদন কৰে তেতিয়া হলে বাইজৰ দাবী পূৰণ কৰিব পৰা যাব ।

**Re : Proposal to shift P.W.D. subdivisional office.**

Shri Abdul Rob Laskar asked.

496. Will Minister, P. W. D. be pleased to state :-

(a) Whether the Government is aware that there was a proposal to shift the P. W. D. subdivisional office at Sonai under Silchar Subdivsion of Cachar district ?

(b) If so, the steps taken by the Government in that regard ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) প্ৰস্তাৱ নাই ।

(খ) প্ৰশ্ন নুঠে ।

**বিষয় ঃ Minimum Wage Board গঠন ।**

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) Minimum Wage Board খনৰ যোৱা দুই বছৰত কেইবাৰ বৈঠক হৈছে আৰু কেইটা অনুমোদন চৰকাৰলৈ পঠালে ?

(খ) অনুমোদিত নিম্ন মজুৰীৰ বাবে চৰকাৰে কেইটা ৰাজপত্ৰ প্ৰকাশ কৰিলে ?

শ্ৰীবাকী প্ৰসাদ তেলেঙ্গা, (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১২ খন বৈঠক হয়। মুঠ ২১ টা তালিকাভুক্ত নিয়োগৰ নিম্নতম মজুৰী অনুমোদন কৰে।

(খ) মুঠ ১৫ খন চূড়ান্ত অধিসূচনা জাৰি কৰে।

## বিষয় ঃ ডিব্ৰুগড় সংৰক্ষিত বনাঞ্চল উন্নয়ন আচনি।

শ্ৰীভবেন বৰুৱাই সুধিছে ঃ

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ডিব্ৰুগড় জিলাৰ ডিব্ৰুবনাঞ্চলক সংৰক্ষিত বনাঞ্চললৈ ৰূপান্তৰিত কৰি ইয়াৰ অধিক উন্নয়নৰ বাবে কিবা আচনি লৈছে নেকি ?

খ) যদি লৈছে, ইয়াৰ উন্নয়নৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) হয়, লোৱা হৈছে। ডিব্ৰুগড় জিলাৰ ডিব্ৰু আৰু চৈখোৱা সংৰক্ষিত বনাঞ্চলক একত্ৰিত কৰি "ডিব্ৰু চৈখোৱা অভয়াৰণ্য" লৈ ৰূপান্তৰিত কৰাৰ ঘোষণাৰ জাননী ইতিমধ্যে "অসম ৰাজপত্ৰত" ১৯৮৬ চনৰ ২২ অক্টোবৰত প্ৰকাশ পাইছে।

খ) উন্নয়নৰ কাম আৱশ্যকীয় পুজিৰ ব্যৱস্থা সাপেক্ষেহে আৰম্ভ কৰা হব।

## বিষয় ঃ ডিব্ৰুগড় আৰু তিনিচুকীয়া পথ সংমণ্ডলৰ গড়কাপ্তানী ৰাষ্টা।

শ্ৰীভবেন বৰুৱাই সুধিছে

৪৯১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডিব্ৰুগড় আৰু তিনিচুকীয়া গড়কাপ্তানী বিভাগৰ সংমণ্ডলৰ অন্তৰ্গত থকা কিমান টা ৰাস্তাৰ যোৱা ৫ বছৰৰ পৰা বৰ্ত্তমানলৈকে দলং মেৰামতি নোহোৱা বাবে (কাঠৰ) জনসাধাৰনৰ চলাচলৰ অসুবিধা হৈছে ?

(খ) এই কাঠৰ দলং বিলাক কেতিয়া মেৰামতি কৰা হব ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ডিব্ৰুগড় গড়কাপ্তানী (পথ) সংমণ্ডলৰ অধীনত ২৭ টা ৰাস্তাৰ ৩৭ খন দলঙৰ মেৰামতি নোহোৱাৰ বাবে যোৱা ৫ বছৰৰ পৰা বৰ্ত্তনানলৈকে জনসাধাৰনৰ অসুবিধা হৈ আছে।

তিনিচুকীয়া গড়কাপ্তানী (পথ) সংমণ্ডলৰ অধীনত তেনে কোনো ৰাস্তাত চলাচলৰ অসুবিধা হোৱা নাই।

(খ) উক্ত ৩৭ খন কাঠৰ দলঙৰ ভিতৰত ১২ খনৰ মেৰামতিৰ কাম ইতিমধ্যে হাতত লোৱা হৈছে।

**বিষয় : চৰ অঞ্চলৰ ৰাস্তা নিৰ্ম্মাণ।**

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে।

৫০০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অভয়াপুৰী দক্ষিন সমষ্টিৰ অন্তৰ্গত যোগীঘোপাৰ পৰা ওভুৰী হৈ চাপৰলৈ যোৱা ৰাষ্টাটো নিৰ্ম্মান কৰাৰ কাৰনে চৰকাৰে কিবা চিন্তা কৰিছেনে ?

(খ) যদি কৰিছে কেতিয়াৰ পৰা নিৰ্ম্মান কাৰ্য্য আৰাম্ভ কৰা হব ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চম্পানৈৰ ওপৰৰ দলঙখনৰ বাহিৰে এই পথটো বহু বছৰ আগেয়ে নিৰ্ম্মান কৰা হৈছে।

(খ) প্ৰশ্ন নুঠে।

**বিষয় : Co-operative Societyক আৰ্থিক সাহাষ্য**

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে।

৫০১। মাননীয় অনুসূচীত জাতিৰ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ

কৰি জনাবনে :

(ক) ১৯৮৭-৮৮ চনৰ অনুসূচীত জাতিৰ Component Plan ত উত্তৰ শালমাৰা মহকুমাৰ Industrial Cooperative Society ৰ পৰা কোন কোন Co-operative Society ক আৰ্থিক সাহায্য দিয়া হৈছে ?

(খ) উক্ত আৰ্থিক সাহায্য পোৱা Society বিলাকত কিমান শতাংশ অনুসূচীত জাতিৰ সদস্য আছে ?

শ্ৰীথানেশ্বৰ বড়ো, ( ভৈয়াম জনজাতি অনুসূচীত জাতি আদিৰ কল্যান বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) চলিত ১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰত অনুসূচীত জাতিৰ Component Plan ত সমবায় খণ্ডত Industrial Cooperative Society ৰ বাবে কোনো ধন ধাৰ্য্য কৰা হোৱা নাছিল ।

(খ) প্ৰশ্ন নুঠে ।

## Re : Rowta Chariali— Rowta Station Road

Sri Silvius Condpan asked :

502. will the Minister P. W. D. be pleased to state, Why the Department has not taken up repairing works on Rowta Chariali – Rowta Station ( P. W. D. ) ( Mongaldoi Road Division ) although the road is in a very bad shape ?

Shri Atul Bora, ( Minister, P. W. D. ) replied :

পৰ্য্যাপ্ত পৰিমানৰ পুঁজিৰ অভাৱত বৃহত আকাৰৰ মেৰামতিৰ কাম যোৱা বছৰত হাতত লব পৰা হোৱা নাছিল । এতিয়া লোৱা হব ।

## Re : Mazbat Darrang Pachnoi river road

Sri Silvius Condpan asked :

503. will the Minister P. W. D. be pleased to state :

Whether the Government will maintain the age old P.W.D. road namely Mazbat-Darrang-Pachnoi river road (M. D. P. R.) under Mangaldoi road division which is not maintained at all ?

শ্ৰীঅতুল বৰা, ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

বছেৰেকীয়া মেৰামতিৰ অনুদান স্বাপেক্ষে সাধাৰণ মেৰামতিৰ কাম কৰি থকা হৈছে ।

**Re : Tribal area Allowance.**

Sri Silvius Condpan, asked :

504. Will the Minister, W.P.T. & B.C be pleased to state.

Whether the Government officers and staffs are paid Tribal Areas allowances when they are posted within Udalguri Sud-Division in Darrang District as it is done in other tribal dominated districts of Assam.

Shri Thaneswar Boro, ( Minister, WPT & BC ) replied : No.

**Re : Forest road.**

Shri Manilal Gowala asked :

505. Will the Chief Minister be pleased to State :

a) Whether a forest road from Karikahai F. V. to Jugicherra F. V. under the Lowairpowa Forest Range Office ( Karimganj Division ) was given sanction for construction ?

b) If so, the sanctioned amount for ?

c) Whether the amount sanctioned for has been properly utilised as per estimate ?

d) If not, what amount is spent ?

e) Action taken for completion of the said work ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) ১,২০,০০০/- টকা ।

(গ) নিৰ্দ্ধাৰিত আচনি অনুযায়ী কাম নোহোৱাটো পৰিলক্ষিত হোৱাত সমুদায় টকা খৰছ হোৱা নাই ।

(ঘ) ১,০৮,০০৫/- টকা ।

(ঙ) ইতিমধ্যে শেষ কৰা কামৰ বিতং প্ৰতিবেদন নোপোৱা কাৰণে কামটোৰ সম্পূৰ্ণ কৰণৰ বাবে আৱশ্যক হোৱা অতিৰিক্ত টকাৰ ব্যৱস্থা কৰা হোৱা নাই ।

**Re : Breach on S. B. Road.**

Sri Manilal Gowala, asked :

506. Will the Minister, PWD be pleased to state :

a) Whether the Government is aware that there was a big breach over the S. B. Road under the patharkandi Subdivision ( Karimganj District ) in 1986-87 ?

(b) If so what measures have so far been taken to reinstate the Road in good condition ?

(c) Whether it is a fact that a suitable amount was sanctioned for construction of bridge over the breach ?

(d) If so, the amount and why has if not been constructed as yet ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) ছিগাটোত এখন কাঠৰ দলং সংযোজক পথ সহ বনাবৰ বাবে ঠিকাদাৰক কৰ্ম্মাদেশ দিয়া হৈছিল।

(গ) হয়।

(ঘ) টকাৰ পৰিমান হ'ল ২.৪৬ লাখ কিন্তু স্থানীয় বাইজৰ দলং সজাত বাধা প্ৰদান কৰা হেতু নিৰ্মানৰ কাম বন্ধ হৈ আছে, ইয়াৰ লগতে উকীলেও কাম বন্ধ কৰিবলৈ জাননী জাবি কৰিছে।

**বিষয় : ৰংগীনদী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ঘৰ দুৱাৰ নিৰ্মান।**

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

৫০৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰংগীনদী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ঘৰ দুৱাৰ খিৰিকি বেৰ ইত্যাদি যোৱা দহবছৰে বছেৰেকীয়া পুনৰ নিৰ্ম্মানৰ আচনিত এবাৰো পুনৰ নিৰ্ম্মান নকৰা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে বছেৰেকীয়া পুনৰ নিৰ্ম্মানৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

(গ) যদি লোৱা নাই, কিয় লোৱা নাই ?

(ঘ) ভাঙি চিঙি গেলি যোৱা ঘৰ দুৱাৰ খিৰিকি বেৰবোৰ জনগনৰ স্বাৰ্থত চৰকাৰে অতি সোনকালে পুনৰ নিৰ্ম্মান কৰিবলৈ ব্যৱস্থা লবনে ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বছেৰেকীয়া পুনৰ নিৰ্ম্মানৰ আচনি নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) দুৱাৰ খিৰিকিবোৰ একেবাৰে ভাঙি চিঙি যোৱাটো সত্য নহয়। অৱশ্যে বেছি ক্ষেত্ৰত মেৰামতি লাগিব। তাৰ বাবে ব্যৱস্থা হাতত লোৱা হৈছে।

**বিষয় : চেচুঘাট আৰু মেদেলা গড়কাপ্তানী আলিৰ উন্নয়নৰ ব্যৱস্থা।**

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে :

৫০৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডিব্ৰুগড় মহকুমাৰ অন্তৰ্গত চেচুঘাট আৰু মেদেলা গড়কাপ্তানী আলি দুটা যোৱা প্ৰলয়ংকাৰী বান পানীত অতি শোচনীয় ভাৱে ক্ষতিগ্ৰস্ত হোৱাতো চৰকাৰে জানেনে ?

(খ) যদি জানে পথ কেইটা উন্নয়নৰ বাবে চৰকাৰে ব্যৱস্থা হাতত লৈছে নেকি ?

(গ) যদি লৈছে ৰাস্তা দুটাৰ বাবে কিমান টকা অনুদান আগ বঢ়াইছে ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) যোৱা বান পানীত পথ দুটাৰ কিছু ক্ষয় ক্ষতিৰ কথা চৰকাৰে জানে।

(খ) উন্নয়ণ ব্যৱস্থাৰ লেপেট-কটা মেদেলা পথৰ শেষৰ ৩ (তিনি) কিলো-মিটাৰৰ কাম হাতত লোৱা হৈছে। বাকী ছোৱা ৰস্তা আৰু চেচুঘাট পথৰ বান পানীৰে ক্ষতি হোৱা ঠাইবোৰত মেৰামতিৰ কামহে হাতত লোৱা হৈছে।

(গ) লেপেটকটা মেদেলা পথৰ উন্নয়ণৰ বাবে ৩.০০ (তিনি) লাখ টকাৰ অনুদান আগ বঢ়োৱা হৈছে। এই দুটা ৰাস্তাত বান বিধস্ত মেৰামতিৰ বাবে ২.৫২ (দুই লক্ষ বাৱন হেজাৰ) টকাৰ কাম হাতত লোৱা হৈছে।

**বিষয় : নাহৰকটীয়া নগৰত গেষ্ট হাউচ।**

শ্ৰীকুম্ভেশ্বৰ টাইবাই (গগৈ) য়ে সুধিছে :

৫০৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

১) নাহৰকটীয়া নগৰত ৭বছৰৰ আগেয়ে সাজি সম্পূৰ্ণ কৰা গেষ্ট হাউচটো কোন বিভাগৰ ?

২) উক্ত গেষ্ট হাউচটো চৰকাৰৰ ঘৰৰ কোনো নথি পত্ৰত নথকা কথাটো সচানে ?

৩) উক্ত ভৱনটো কোন বিভাগৰ জৰিয়তে কিমান টকা খৰছত নিৰ্মাণ কৰা হৈছে ?

৪) উক্ত গেষ্ট হাউচটো বৰ্ত্তমান কোন বিভাগৰ দায়িত্বত আছে আৰু আজিলৈকে কিয় অব্যৱহৃত অৱস্থাত আছে ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১) ৰাজহ বিভাগৰ ।

২) সঁচা নহয় ।

৩) এই ভৱনটো গড়কাপ্তানী গৃহ বিভাগৰ দ্বাৰা ২,২৪,০০৬ টকা খৰচ কৰি নিৰ্মাণ কৰা হৈছে ।

৪) নাহৰকটীয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই অধিগ্ৰহণ কৰি ঘৰটো থানাৰ কাৰণে লয় । অধিগ্ৰহণ কৰাৰ পৰা পুলিচ বিভাগৰ দায়িত্বত ঘৰটো আছে ।

**বিষয় : নাহৰকটীয়াৰ কৃষি মহকুমাৰ লগত কৃষি সম্পৰ্কীয় বিভাগ সংলগ্ন ।**

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) য়ে সুধিছে

৫১০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বৰ্তমান নাহৰকটীয়াৰ (জয়পুৰ) কৃষি মহকুমাৰ লগত সম্পৰ্কীয় কোন কেইটা বিভাগ সংলগ্ন কৰা হৈছে ?

খ) উক্ত মহকুমাৰ অন্তৰ্গত এটা বীজ ভাণ্ডাৰ এটা মেকানিকেল বিভাগ আৰু এটা কৃষি সম্পৰ্কীয় প্ৰাশিক্ষণ কেন্দ্ৰ খোলাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) কৃষি মহকুমাৰ লগত সম্পৰ্কীয় আন কোনো বিভাগ সংলগ্ন কৰাৰ প্ৰথা নাই ।

খ) প্ৰশ্ন নুঠে ।

**Re : Sub-Divisional Board for Silchar Sub-Division.**

Shri Altaf Hossain Mazumdar, asked :

511. Will the Minister, W.P.T. and Scheduled caste be pleased to State :

a) When the sub-Divisional Board (a) Silchar sub-Division on plains tribal welfrae Board and (b) Silchar Sub-Division scheduled Caste Boards were formed and the life of these Boards names of the members with address of the said two Boards ?

b) When the state level schedule caste welfare and scheduled tribe plains boards were formed and the life of the two boards, names of the members of the board with address ?

Sri Thaneswar Boro, (Minister of W.P.T. and scheduled caste) replied ;

(A) a) Sud-Divisional Tribal Development Board, Silchar was constituted on 13-5-86.

d) Sub-Divisional Scheduled Caste Development Board, S'lchar was constituted on 12-5-86.

These Boards, were initially constituted for one year. However, the term of these boards were subsequently extended until further orders.

Names and addresses of the memders of these Boards are enclosed in Annexure 'E' & 'F' respectively.

( See Annexure iii & iv )

(B) The State Level Advisory Council for welfare of scheduled castes. Assam and State level advisory council for welfare of scheduled Tribes, Assam were formed on 20-1-86 and 5-2-86 respectively. Terms of these two councils are for the period for which the Assembly remains in force. There is no state level scheduled caste or scheduled tribes plains boards as mentioned in the question.

Names and addresses of the members of these two Councils are at Annexure— 'G' & 'H'.

( See Annexure v & vi )

**Re : Purchase of Agricultural implements through, Agro Industry.**

Shri Altaf Hossain Mazumdar, asked :

512. Will the Minister, Agriculture be pleased to state :

a) It is a fact there was Government decision to purchase Agricultural implement, Machineries, Pumps, tractors etc. through Agro Industries Development Corporation, instead of individual or private parties ?

b) If so, when the decision was made and copy of the relative direction to Agriculture Department ?

c) Is it a fact that Agriculture Department in violation of the said direction of the Government purchased Agricultural implements, tractors and other machineries

directly from individual and private parties in the year 1986 and 1987 ?

(d) If so names of the parties amount of purchase and nature of articles, tractor ( Name of Manufactures ) etc. and which offices placed these orders to individual and private parties ?

(e) Agro Industries Corporation is the selling Agent of which tractors and similar machines ( Name of Manufacturer ) ?

Shri Chandra Mohan Patowary, (Minister of Agriculture ) replied :

(a) Yes Sir,

(b) The decision was made by the Government in the year 1985 vide Office memorandum No. PE. 24/77/204, dtd. 16.5.1985 issued from public Enterprise Depprtment The said memorandum asked the State Government to purchase of their requirement from A.A.I.D.C. Ltd.

(c) Yes sir, In the time bound programme some time Govrnment. purchase Agricultural Machineries / Tractors etc., from authorised dealer / Manufacturer directly to meet the demands of the farmers in the year 1986 and 1987.

(d) Name of the parties and related particulars are as below :—

| Year | Item | No. of item | Amount involved | Name of the Manufactorer/ Dealer. |
|---|---|---|---|---|
| 1986 | HMT Tractors | 19 | 15,17,979.92 | HMT Ltd. Pinjore, Haryana |
| 1987 | Pump sets | 87 | 6,09,870.00 | Bajaj Electrical Ltd. |

| | | | |
|---|---|---|---|
| (i) 'KUBOTA' | | | |
| Power tiller | 54 | 12,15,000.00 (50% Subsidy amount | purchased from M/S Chem Trade. |
| (ii) 'KUBOTA' | | | |
| Power Tiller | 100 nos. | 10,00,000.00 (Rs.10,000/- per power tiller as subsidy). | |

Directorate of Agriculture, Assam placed orders with the Firms.

(e) Assam Agro Industries Development Corporation is the selling Agent of the following :

Tractor

(i) HMT Tractor manufactured by HMT Ltd., Pinjore, Haryana.

(ii) MITSUBISHI Shakti-100-D Traders manufactured by VST Tillers Tractor Ltd. Bangalore.

POWER TILLER :

(i) KAMCO KUBOTA Power Tiller manufactured by Kerala Agro Machinery Corporation.

(ii) MITSUBISHI CT— 85 Tiller manufactured by VST Tillers Tractors Ltd. Bangalore.

ASSAM LEGISLATIVE ASSEMBLY UNSTARRED QUESTION NO. 513 TO BE ANSWERED ON 6.4.1988

**Re : Rabi Crop Progress was in flood effected area :**

Shri A. F. Golam Osmani :

513. Will the Minister, Agriculture be pleased to state

a) Whether any Rabi Crop progress was taken up for flood effected areas of Barpeta district following the 3 successive wave of flood in 1987 ?

(b) Total amount earmarked for the programme and spent till now ?

(c) The Block/Circlewise expenditure made under this programme as against (i) Wheat (ii) Mustard Oil (iii) Peas (iv) Lentil and (v) Paddy ?

( Please furnish figures both in quantity and sums respectively circle wise ) ?

Shri Chandra Mohan Patowary, (Minister of Agriculture) replied :

(a) A Rabi Crop Programme was taken up.

(b) Amount earmarked = Rs. 33,02,000/-

Amount spent till now = Rs. 89,33,629/-

(c) The Block/Circlewise expenditure made under this programme as against (1) Wheat (2) Mustard (3) Peas (4) Lentils and (5) Paddy.

| Block | Wheat | Mustard | Pea | Lentil | Total |
|---|---|---|---|---|---|
| 1. Barpeta | 2,91,000/- | 8,35,200/- | 75,600/- | 68,400/- | 12,70,200/- |
| 2. Chenga | 2,18,250/- | 3,88,800/- | 75,575/- | 68,400/- | 7,51,025/- |
| 3. Mandia | 4,36,500/- | 8,12,670/- | 1,41,095/- | 1,16,827/- | 15,07,092/- |
| 4. Rupsi | 4,94,700/- | — | 1,41,095/- | 60,937/- | 6,96,192/- |
| 5. Gobar-dhana | 36,375/- | — | — | 8,400/- | 44,775/- |
| 6. Bhawa-nipur | 1,45,500/- | 10,23,600/- | 2,06,640/- | 34,200/- | 14,08,940/- |
| 7. Bajali | 72,750/- | 8,82,000/- | 42,000/- | 34,200/- | 10,30,950/- |

| | | | | | |
|---|---|---|---|---|---|
| 8. Jalah | 50,025/- | 20,58,000/- | 42,000/- | 73,530/- | 22,24,455/- |

No Paddy seeds were distributed in Rabi season.

**Sub : Extension of Loharbond Bilaipur Road.**

Shri Digendra Purkayastha asked :

515. Will the Minister, P.W.D be pleased to state :

a) Whether any amount has been sanctioned for extension of improvement of Loharbond — Bilaipur road under Hailakandi P.W.D. Division ?

b) If so, the total amount and the nature of work to be done ?

c) If not, will the Government sanction some amount for the improvement of the road ?

শ্ৰীঅতুল বৰা, ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) হয় ।

খ) এই কামৰ বাবে সৰ্ব্বমুঠ ২.০০ লাখ টকা (দুই লাই টকা) ১৯৮৭-৮৮ বিত্তীয় বছৰত মঞ্জুৰ কৰা হৈছে । মাটিৰ কাম, শিলগুটি দিয়া আৰু কাঠৰ দলঙৰ (S.P.T.) কাম এই আচঁনিত ধৰা হৈছে ।

গ) প্ৰশ্ন নুঠে ।

**Re : Amount Sanctioned For Metalling & Black Topping The Road.**

Shri Digendra Purkayastha asked :

516. Will the Minister, P.W.D. be pleased to state :

a) Whether any amount has been sanctioned for

metalling and black topping of the road from Dwarbond to Loharbond under Hailakandi P.W.D. Division ?

b) If so, the total amount and the total length proposed to be completed with that amount ?

শ্ৰীঅতুল বৰা, ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) হয় ।

খ) ১৯৮৭-৮৮ বিত্তীয় বছৰত ১,৩০,০০০·০০ টকা ( এক লাখ ত্ৰিশ হাজাৰ টকা ) মঞ্জুৰ কৰা হৈছে আৰু পথটোৰ ৩৫০ মিটাৰ দৈৰ্ঘ্যৰ কাম হাতত লোৱা হৈছে ।

**Re : Improvement Of B.B.C. Road.**

Shri Digendra Purkayastha asked :

517. Will the Minister, P.W.D. be pleased to state :

a) Whether any amount has been sanctioned for the improvement of (a) B.B.C. road and (b) Rajnagar Kalapoor road under Silchar P.W.D. Division for the year 1987-88 ?

b) If so, the total amount and whether the work has already been completed ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) নাই ।

খ) প্ৰশ্ন নুঠে ।

**Re : Closure of Central Hospital, Doomdooma.**

Shri Dileswar Tanti asked :

518. Will the Minister, Labour be pleased to state :

(a) Whether the Government is aware that the Central Hospital of Doomdooma Tea Company Ltd., Doomdooma has closed down it's operation section recently and has started sending the Tea garden suffering patients to Assam Medical Colleges etc. ?

(b) The reasons behind such actions of the Company ?

(c) The facilities and means the company is extending to the suffering patients who are being sent to the Medical Colleges ?

Shri Barki Prasad Telenga, (Minister, Labour) replied :

(a) It is not a fact that the operation in the Central Hospital of Doomdooma Tea Company Ltd., has been closed down. But it is a fact that the serious nature of cases requiring operation are referred to the Assam Medical College Dibrugarh and St. Lukes Hospital Tinsukia for treatment as the case may be.

(b) There is temporary suspension of major operation due to non-availability of an Annesthesist. A Doctor has been deputed to undergo a course of training in Annesthesist at Medical College Hospital Dibrugarh, from February, 1988 for six months.

(c) A tripartite agreement has been reached to the effect that all patients requiring operation at Assam Medical College Hospital, Dibrugarh or St. Lukes Hospital Tinsukia will be provided with transport facilities accompanied by Doctor/Pharmacist/Nurse as the case may be and management will ensure admission of such patients till the operation in the Central Hospital is resumed on return of the Annesthesist on completion of his

training. The Annesthesist is expected to resume his duties from 1 8.88.

**বিষয় ঃ খোৰাঘাট ১নং বালি পাথৰ মহলৰ নিবিদা আহ্বান।**

শ্ৰীইউছুফ আলি আহমেদে সুধিছে ঃ

৫১৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে।

(ক) খোৰাঘাট ১নং বালি পাথৰ মহল ১৯৮৭-১৯৮৯ চনৰ বাবে যোৱা ১০-৯-৮৭ তাৰিখৰ B/101/1,87-89/14619-820 নং জাননী যোগে ২৫-৮-৮৭ তাৰিখৰ আবেলি ৩ বজালৈকে নিবিদা আহ্বান কৰা হৈছিলনে ?

(খ) উক্ত মহলৰ বাবে কেইজন ইজাৰাদাৰে নিবিদা দিছিল ?

(গ) কাৰ কিমান টকাৰ নিবিদা আছিল ?

(ঘ) প্ৰথম স্থান পোৱা নিবিদাৰ নামত ১৯৮৭-৮৯ চনৰ বাবে এই মহল পট্টন দিয়া হৈছিল নে ?

(ঙ) যদি প্ৰথম হোৱা জনক পট্টন দিয়া হোৱা নাই তাৰ কাৰণ কি ?

(চ) পুনঃ বিবেচনা কৰাৰ আবেদন কোনে কোনে কৰিছিল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় হৈছিল।

(খ) মুঠতে ৬ জন ইজাৰাদাৰে নিবিদা দিছিল।

(গ) নিবিদাকাৰী সকলৰ নাম আৰু নিবিদাৰ পৰিমান এনে ধৰণৰ ঃ

[১] শ্ৰীচকুৰ আলি —১০,৬৫,০০১ টকা (দহ লাখ পয়যষ্ঠি হাজাৰ এক টকা)

[২] শ্ৰীবিশ্বনাথ দাস —১০,২৭,৭০৭ টকা (দহ লাখ সাতাইশ হাজাৰ সাতশ সাত টকা)

[৩] শ্ৰীবাবুৰাম নমশূদ্ৰ —৯,২৭,৭০৭ টকা (ন লাখ সাতাইশ হাজাৰ সাতশ সাত টকা)

[৪] শ্ৰীবাহাদুৰ ইচলাম —৮,০৮,০০০ টকা (আঠ লাখ আঠ হাজাৰ টকা)

[৫] শ্ৰীপ্ৰফুল্ল চন্দ্ৰ পাল —৭,৩১,০০০ টকা (সাত লাখ একত্ৰিশ হাজাৰ টকা)

[৬] শ্ৰীভানু শংকৰ ৰায় --৫,৩০,০০০ টকা (পাচ লাখ ত্ৰিশ হাজাৰ টকা)

- ঘ) নাই হোৱা।

ঙ) অসম ৰাজপত্ৰ ২৪-৬-৮৭ চনৰ প্ৰকাশিত হোৱা নিবিদাৰ জাননী মতে নিবিদাকাৰীৰ পৰা আৰ্থিক স্বচ্ছলতাৰ প্ৰমাণ পত্ৰ (Financial Soundness Certificate) প্ৰতিখন নিবিদাৰ লগত দিবলৈ কোৱা হৈছিল। কিন্তু প্ৰথম আৰু দ্বিতীয় নিবিদাকাৰীয়ে উক্ত নিয়ম অনুসৰি সেই প্ৰমাণ পত্ৰ নিজৰ নিবিদাৰ লগত সংযুক্ত কৰিবলৈ সক্ষম হোৱা নাছিল। ধুবুৰী বন সংমণ্ডল প্ৰাধিকাৰীয়ে চিঠি নং বি/১০১/১/৮৭-৮৯/২০৬৬৬-৬৯ (বি) তাৰিখ ২/১২/৮৭ জৰিয়তে ইংৰাজী ৫/১২/৮৭ তাৰিখৰ ভিতৰত প্ৰথমৰ পৰা চতুৰ্থ হোৱা চাৰিজন নিবিদাকাৰীক আৰ্থিক স্বচ্ছলতাৰ প্ৰমাণ পত্ৰ আকৌ দিবলৈ কোৱা হৈছিল। কিন্তু ১ম আৰু দ্বিতীয় স্থান পোৱা নিবিদাকাৰী দুজনে উক্ত তাৰিখৰ ভিতৰত প্ৰমাণ পত্ৰ দাখিল কৰিবলৈ ব্যৰ্থ হয়। আৰ্থিক স্বচ্ছলতাৰ প্ৰমাণ পত্ৰ নোহোৱাকৈ প্ৰথম আৰু দ্বিতীয় নিবিদাকাৰীক মূল্যবান মহলটো বন্দোৱস্তী দিবলৈ অক্ষমতা প্ৰকাশ কৰা হয়। নিবিদাকাৰীৰ স্থাৱৰ/অস্থাৱৰ সম্পত্তিৰ আৰু আৰ্থিক স্বচ্ছলতাৰ বুজ নোলোৱাকৈ মহল বন্দৱস্তী দিলে পিছত মহলদাৰৰ পৰা বাকী থকা টকা আদায় কৰিবলৈ কঠিন হয়।

চ) শ্ৰীচফুৰ আলি আৰু বাহাদুৰ ইচলাম।

## বিষয়ঃ যোৰহাটৰ পৰা মৰিয়নিলৈ পথৰ মেৰামতি

শ্ৰীনৰেণ তাঁতীয়ে সুধিছেঃ

৫২১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) যোৰহাট মহকুমাৰ যোৰহাটৰ পৰা মৰিয়নিলৈ যোৱা একমাত্ৰ পথ চোৱা অতি শোচনীয় হৈ পৰাৰ কথা চৰকাৰে জানেনে?

খ) যদি জানে তেন্তে আজি পৰ্য্যন্ত কিয় মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰা নাই?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

ক) যোৰহাট মৰিয়নী ৰাষ্টাটো ৮ কিঃ মিঃ ৰ পৰা ১৭ কিঃ মিঃ ৰলৈকে অংশ বিশেষৰ অৱস্থা বেয়া।

খ) মেৰামতিৰ কাম পকী ৰাষ্টাৰ ১০ কিঃ মিঃ দৈৰ্ঘ্যৰ পথ ছোৱাত পুঁজিৰ অভাৱত হাতত লব পৰা হোৱা নাই।

**Re : Withdrawal of money by the Provident Fund Commissioner.**

Shri Dinabandhu Choudhury asked :

522. Will the Minister Labour be pleased to state :

a) Is it a fact that a sum of Rs. 30,828.45 was withdrawn from an Account with the S.B.I. Jorhat Branch on 8th July, 1986 by the then Assistant Provident Fund Commissioner, Jorhat, Mr. V. M. Barla ?

b) If so, to whom the amount was paid ?

c) What were the opening and the closing balances as per the Cash Book of his office on that day ?

d) Is it also a fact that the said Mr. Barla deposited in another Account with the S. B. I. Jorhat Branch on the same day i. e. on 8th July, 1986 a sum of Rs. 58,000 00 ?

e) If so, from whom the amount was received and what was the Account number in which the said amount was deposited ?

f) Whether it is a fact that a sum of Rs. 207.85 was deposited in an Account with the S.B.I. Jorhat Branch on 30th May, 1986 by a Challan signed by the said

Mr. Barla ?

g) If so, what the said Code No. meant and wherefrom the amount was received ?

h) Whether it is also a fact that the Fund Control Officer Jorhat, Mr. K. R. Nag is the habitant retainer of cash balance which accumulated upto Rs. 50,000.00 (Approx) as in June, 1986 and has been paid back the amount to office ?

i) If so, when ?

শ্রীবাৰ্কী প্ৰসাদ তেলেঙ্গা, (শ্ৰম মন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) হয়। নাহৰহাবি বাগিছাৰ ২১ জন সভ্যৰ ভবিষ্যনিধি হিচাব নিষ্পত্তি কৰিবৰ বাবে ৪,২২,৭৬৯.১৮ টকা যোৰহাট ষ্টেট বেঙ্ক অব ইণ্ডিয়াৰ হিচাবলৈ প্ৰেৰণ কৰা হৈছিল আৰু এই টকাৰ পৰা যোৰহাট শাখা ষ্টেট বেঙ্ক অব ইণ্ডিয়াত থকা ৪/১১/৮৬ নং হিচাবৰ পৰা ৩০,৮২৮.৪৮ টকা উঠোৱা হয়। ৩০,৮২৮.৪৫ টকা নহয়।

খ) নাহৰহাবি বাগিছাৰ ( সাংকেতিক নং এচ/২০১ ) শ্ৰীশঙ্কৰ সিংক (হি নং ৩৯১৮) ৮,১৮৯.৫৩ টকা আদায় দিয়া হয় আৰু বাকী ২২,৬৩৮.৯৫ টকা ষ্টেট বেঙ্ক অব ইণ্ডিয়াৰ দিশপুৰ শাখাৰ হিচাব নং ১ত সাংকেতিক নং এচ/২০১ ৰ বাবদ যোৰহাটত জমা দিয়া হয়।

গ) ৰোকড় বহী মতে বিভিন্ন খৰছ শিতানৰ [Mix Contingency]

| | |
|---|---|
| আৰম্ভনি উদবৃত্তৰ পৰিমাণ | ৪০৫.৫০ টকা |
| ডাক খৰছৰ আৰম্ভনি উদবৃত্ত | ১৫০৭.২৬ টকা |
| সামৰণি উদবৃত্ত বিভিন্ন খৰছ শিতানৰ | ৩০২.৫০ টকা |
| সামৰণি উদবৃত্ত ডাক খৰছ শিতানৰ | ১৩০৭.৫১ টকা |

ঘ) হয়।

ঙ) উক্ত পৰিমাণ টকা তেতিয়াৰ সহকাৰী গণনা, প্ৰাধিকাৰী শ্ৰীনবীন চন্দ্ৰ শৰ্ম্মাৰ পৰা ভবিষ্যনিধি আয়ুক্ত শ্ৰীভি, এম, বাৰ্লাই পোৱা বুলি কোৱা হৈছিল। এই পৰিমাণ ধন দিচপুৰ শাখাৰ ষ্টেট বেঙ্ক অব ইণ্ডিয়াৰ ১ নং হিচাবত জমা কৰা হয়।

চ) হয়। চালানখন শ্ৰীবাৰ্লাই চহী কৰিছিল।

ছ) চালানত সাংকেতিক নং এচ/৫ বুলি দেখুউৱা আছে। এই সাংকেতিক চিহ্নই এখন বিশেষ বাগানকে বুজায়। ধনখিনি তেতিয়াৰ গণণা প্ৰাধিকাৰী শ্ৰীনবীন চন্দ্ৰ শৰ্ম্মাৰ পৰা পোৱা হৈছিল বুলি তদন্তত পোৱা গৈছে।

জ) তদন্তত দেখা যায় যে সাময়িক ভাবে বিভিন্ন সময়তে প্ৰায় ৪২,০০০ টকা লৈকে ৰাখিছিল। হাতত থকা টকা তেওঁ সময়ে সময়ে বেঙ্কত জমা দিয়ে।

ঝ) তদন্তৰ পৰা দেখা যায় হাতত থকা টকা ২-৯-৮৬ তাৰিখৰ ভিতৰতে বেঙ্কত জমা দিয়ে।

Re : **Assam Koch Rajbonshi Sanmilan.**

Shri Amritlal Basumatary asked :

523. Will the Minister, W. P. T. & B. C. be pleased to state :

a) Whether Government have received any demand of All Assam Koch Rajbanshi Sanmilan to include the Kochs and Rajbanshis into the list of Scheduled Tribes ?

b) If so, whether Government propose to comply with the demand ?

c) If not, why ?

Sri Thaneswar Boro, (Minister of Welfare of Plains Tribes) replied :

[a] Yes,

[b] The matter is under active cosideration of the Government,

[c] Does not arise.

বিষয় : **কাজিৰঙা সংৰক্ষিত এলেকাৰ পিয়ল।**

বিধায়ক শ্ৰীপদ্মনাথ কৈৰীয়ে সুধিছে :

৫২৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

[ক] শোনিতপুৰ জিলাৰ গহপুৰৰ পৰা পানপুৰলৈ ব্ৰহ্মপুত্ৰ নদীৰ পাৰত প্ৰস্তাৱিত কাজিৰঙা সংৰক্ষিত এলেকাৰ পিয়লৰ কাম কিমান দূৰ আগবাঢ়িছে ?

[খ] ইয়াক কেতিয়ালৈ সম্পূৰ্ণ কৰা হ'ব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

[ক] গহপুৰৰ পৰা পানপুৰলৈ ব্ৰহ্মপুত্ৰ নদীৰ যি অংশ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্ভূক্ত কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে, সেই অঞ্চলত কোনো পিয়লৰ কাম হাতত লোৱা হোৱা নাই।

[খ] প্ৰশ্ন নুঠে।

বিষয় : **শদিয়া মহকুমাত জনজাতি প্ৰকল্প।**

শ্ৰীমতী জোৎস্না সোনোৱালে সুধিছে :

৫২৫। মাননীয় জনজাতি কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

[ক] শদিয়া মহকুমাৰ বাবে সুকীয়াকৈ জনজাতি উন্নয়ন প্ৰকল্প শাখা অনুমোদিত নোহোৱাৰ কথাটো চৰকাৰে জানেনে ?

[খ] যদি জানে সোনকালে অনুমোদিত কৰাব চৰকাৰে ব্যৱস্থা লৈছে নেকি ?

শ্ৰীথানেশ্বৰ বড়ো, (জনজাতি কল্যান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

[ক] হয়, জানে।

[খ] প্ৰচেষ্টা চলোৱা হৈছে।

## Voting on Demands for Grants.

* শ্ৰীনৰেণ তাঁতী : মাননীয় স্পীকাৰ মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে শিক্ষাৰ শিতানত যিটো মঞ্জুৰী বিচাৰিছে তাত মই পূৰ্ণ সমৰ্থন জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে যে 'এডুকেশ্যন ইজ দি

* Speech not Corrected.

বেক বোন অব দি চোচাইটি' শিক্ষাই হৈছে এখন দেশৰ বা এটা জাতিৰ মেৰুদণ্ড স্বৰুপ। গতিকে যি জাতিৰ বা যিখন সমাজত শিক্ষিত লোক নাথাকে সেই সমাজ খন অন্ধকাৰচন্ন হৈ থাকে। গতিকে এতিয়ালৈকে শিক্ষাৰ ক্ষেত্ৰত বা শিক্ষাৰ কাৰণে অসম গন পৰিষদ চৰকাৰে যি ব্যৱস্থা গ্ৰহণ কৰিছে ই অতি আগ্ৰহান্বিত বা সুন্দৰ। অসমত বিভিন্ন জাতি উপজাতি মিলি বৃহৎ অসমীয়া জাতি গঠন হৈছে। অসমীয়া জাতিৰ উন্নতি কৰিবলৈ হলে সকলো জাতি উপজাতিৰে সমানে উন্নতি হব লাগিব। এই চাহ বাগিচাৰ লোক সকলো অসমীয়া জাতিৰে এটা অঙ্গ। যদি এই বাগিচাৰ লোকসকল পিচ পৰি থাকে তেতিয়াহলে স্বাভাৱিকতে অসমীয়া জাতিৰ উন্নতি হৈছে বুলি আমি কব নোৱাৰো। গতিকে আমি এই চাহ বাগিচাৰ লোক সকলক শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আগবঢ়াই লৈ যাব লাগিব। মই ভাল পাইছো যে চাহ বাগিচা সমূহত নতুনকৈ ২০০ খন প্ৰাইমাৰী স্কুল দিছে। ইতিমধ্যে বহুতো প্ৰাইমাৰী স্কুল তাত আছে। এই স্কুল বিলাকত শিক্ষক নিযুক্তিও দিয়া হৈছে। এই স্কুল বিলাক দিয়াৰ কাৰণে চাহ বাগিচাৰ লৰা-ছোৱালী বিলাক পঢ়া শুনাত বহু পৰিমাণে উপকৃত হব। কিন্তু মই এটা কথা কব বিচাৰিছো যে এই যিবিলাক শিক্ষা অনুস্থান এই অনুস্থান বিলাকত আৰু এটা যদি কাম কৰা হয় তেতিয়া হলে আমি বেচি উপকৃত হ'ম। সেইটো হ'ল, চাহ বাগিচা অঞ্চলত যিবিলাক প্ৰাইমাৰী স্কুল আছে সেই স্কুল বিলাকত চাহ বাগিচা অঞ্চলৰ শিক্ষিত নিবনুৱা যুৱক সকলক প্ৰাইমাৰী স্কুলৰ শিক্ষক হিচাপে নিযুক্তি দিলে ভাল হয়। এই কথাটো এই কাৰণেই কোৱা হৈছে যে যদি শিক্ষক জন চাহ বাগিচাৰ অঞ্চলৰ হয় তেতিয়াহলে লৰা-ছোৱালী বিলাকে সেই শিক্ষক সকলৰ কথাবতৰা বুজাত সহজ হয়। প্ৰাইমাৰী স্কুলৰ পৰীক্ষা লওঁতে প্ৰশ্ন কাকতত ৫টা ফুলৰ নাম লিখিব কোৱা হয়। কিন্তু চাহ বাগিচাৰ লৰা-ছোৱালী বিলাকে গেন্ধা, চালুক ফুল ইত্যাদি বুলি উত্তৰত লিখাত বা কোৱাত শিক্ষকে বুজি নাপায়। যদি গেন্ধাৰ সলনি নাৰ্জি ইত্যাদি কলেহেতেন তেতিয়া হলে বুজি পালেহেতেন। গতিকে যদিও শুদ্ধ হয় তথাপি ভুল বুজাবুজিৰ কাৰণে লৰা-ছোৱালীয়ে শুণ্য পাবলগীয়া হয়। ঠিক তেনেকৈ ৫ বিধ চৰাইৰ নাম লিখিবলৈ বা কবলৈ কলে চুগা বুলি কয় ইত্যাদি। চুগা বুলি নকৈ ভাটৌ বুলি কলে বুজি পালেহেতেন। গতিকে চুগা বুলি কোৱাৰ কাৰণে আৰু ভাটৌ বুলি নোকোৱাৰ কাৰণে লৰা-ছোৱালীয়ে জিৰো নম্বৰ পাবলগীয়া

হয়। সেই কাৰণে শিক্ষক সকল যদি চাহ বাগিচা অঞ্চলৰ পৰা নিযুক্তি দিয়া হয় তেতিয়া হলে চাহ বাগিচা অঞ্চলৰ লোক সকল উপকৃত হব। সেই কাৰণে চাহ বাগিচা অঞ্চলৰ শিক্ষিত নিবনুৱা যুবক সকলক এই শিক্ষকৰ চাকৰিত নিয়োগ কৰিব লাগে। যদি নিয়োগ কৰা নহয় তেনেহলে এই শিক্ষিত নিবনুৱা যুবক সকলে পঢ়াশুনা কৰি একো লাভ নাই বুলি হতশা-গ্ৰস্ত হব। আৰু যদি চাহ শ্ৰমিকৰ মাজৰ পৰাই শিক্ষিত নিবনুৱা যুৱকক শিক্ষকৰ চাকৰিত নিযুক্তি দিয়া হয় তেতিয়া তেওঁলোকে ভাবিব যে পঢ়া শুনা কৰি লাভ আছে আৰু শিক্ষক আদি চাকৰি পাই চৰকাৰৰ মানুহ হৈ পৰিব আৰু ইয়েই তেওঁলোকক শিক্ষাদীক্ষা লাভ কৰাৰ প্ৰতি ধাউতী বঢ়াব। চাহ বাগিচাত কিছুমান অসুবিধা আছে যেনে চাহ শ্ৰমিক বিলাকৰ লৰা ছোৱালী বিলাকক আগৰে পৰাই বৃটিচ চৰকাৰৰ দিনৰ পৰাই শিক্ষাৰ ক্ষেত্ৰত পিচুৱাই ৰখা হৈছিল। কিয়নো যদি তেওঁলোক শিক্ষিত হয় তেতিয়া তেওঁলোকৰ এই চাহ বাগিছাৰ ব্যৱসায়তো ফলপ হব। সেইদৰে কংগ্ৰেছ চৰকাৰৰ দিনটো এই লোক সকলক ফুচুলাবৰ কাৰণে শিক্ষা দীক্ষা দিয়া নাছিল আৰু ৰাজনৈতিক মুনাফা আদায় কৰিছিল। তাৰ পাচত এডাল্ট এডুকেশ্যন প্ৰগ্ৰেমৰ ওপৰত বিশেষ ভাবে জোৰ দিব লাগে যাতে চাহ শ্ৰমিক সকল স্বাক্ষৰিত হয়। নহলে এনেকুৱা দেখা গৈছে কেতিয়াবা অসুখ বিসুখ হলে দৰৰপাতি দিওঁতে তেওঁলোকে বিপদৰ সন্মুখীন হবলগীয়া হৈছে। টেবুলত থোৱা দৰৰৰ ঠাইত কেতিয়াবা ডেটলকে আনি ৰোগীক দিয়াৰ ফলত বিপদৰ সন্মুখীন হব লগা হৈছে। গতিকে স্বাক্ষৰিত কৰিলে এনে বিলাক বিপদৰ পৰা ৰক্ষা পৰিব। মই টি প্লেণ্টচন লেবাৰ এক্টখন সংশোধন কৰিব লাগে বুলি বাৰে বাৰে কৈ আহিছো। এইখন সংশোধন কৰিলে চাহ শ্ৰমিক সকল উপকৃত হব। গতিকে আজি চাহ শ্ৰমিক সকলৰ মাজত এডাল্ট এডুকেশ্যন প্ৰগ্ৰেমটো জনপ্ৰিয় কৰি তুলিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মই কবলৈ বিচাৰিছো এলিমেণ্টাৰী ডিপাৰ্টমেণ্টত ঠিক মতে শিক্ষক নিযুক্তি দিলে অহা ২৫ বছৰৰ ভিতৰত এই বিভাগটোৰ কোনো সমস্যাই নেথাকিব। চাহবাগিচাই হওঁক বা টাউনতে হওঁক এই সমস্যাৰ সমাধান কৰিব লাগিব। যোৱা কালি আমাৰ মাননীয় সদস্য শ্ৰীবিনয় খুঙ্গুৰ বসুমতাৰী ডাঙৰীয়াই এই বিষয়ে কৈছে। আমাৰ লৰা-ছোৱালী বিলাক এতিয়া অধঃপতনে গৈছে। ছাত্ৰ-ছাত্ৰী বিলাকে মাষ্টৰক মাৰিবলৈ গৈছে। হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী এনেকৈ ধ্বংসৰ পথলৈ আগবাঢ়ি গৈছে। এই সৰু সৰু

লৰা-ছোৱালী বিলাক কিয় এনে হবলৈ পাইছে। শিক্ষাৰ মানদণ্ড অনুন্নত হৈছে। মাননীয় মন্ত্ৰী মহোদয়ক এই বিষয়ে কাম কৰিবৰ কাৰণে অনুৰোধ জনালো। লৰা-ছোৱালী বিলাক স্কুললৈ অহা যোৱা কৰি থাকিলে নহয়। শিক্ষক সকলে ভালকৈ পাঠদান কৰিব লাগে। কিন্তু আমি দেখা পাইছো শিক্ষক সকলে হোম টিউচন কৰে। এই শিক্ষক সকলে স্কুলত নপঢ়াই কিন্তু দৰমহা লয় আৰু হোম টিউচন কৰে। আমি ঠিক হব লাগিব স্কুলৰ শিক্ষকে হোম টিউচন যাতে কৰিব নোৱাৰে বা কলেজৰ শিক্ষকে যাতে বেলেগে বেলেগে টিউচন কৰিব নোৱাৰে তাৰ কাৰণে দৃষ্টি ৰাখিব লাগে। এই সম্পৰ্কে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। গতিকে এই বিভিন্ন কথা বিলাক আমি আলোচনা কৰিছো আৰু এই বিলাক কথাৰ ওপৰত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে।

অধ্যক্ষ মহোদয়, মই পুনৰ প্ৰাথমিক শিক্ষা বিভাগৰ কথা কবলৈ ওলাইছো যে চাহবাগিচা অঞ্চলৰ লৰা-ছোৱালীৰ কাৰণে আৰু চাহবাগিচাৰ জনসাধাৰণৰ কাৰণে শিক্ষাৰ ক্ষেত্ৰত যেনেকৈ কঞ্চিয়াচ হৈছে আৰু শিক্ষা সম্প্ৰসাৰণৰ ব্যৱস্থা কৰিচে সেইটো আদৰণীয় হৈছে। এইটো কাম আৰম্ভ কৰা হৈছে যদিও আৰু আমি কিছুমান আচনিৰ জৰিয়তে এই চাহশ্ৰমিকৰ লৰা-ছোৱালী তথা জনসাধাৰণক উপকৃত কৰিব লাগিব। গতিকে অধ্যক্ষ ডাঙৰীয়া, এই কথা খিনি মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি আৰু বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে সেই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি তেখেত সকলক কৰ্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ ওপৰত মই খুউব কম কথা কব বিচাৰিছো। আগতে শিক্ষক নিযুক্তি সম্পৰ্কে বহুতো কথা কোৱা হৈছে। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত বৈষম্য মূলক নীতি দূৰ কৰা হৈছে যদিও হাইস্কুলৰ বিল্ডিং গ্ৰাণ্ট আদিৰ ক্ষেত্ৰত কি কৰিছে নাজানো। হাইস্কুলৰ বিল্ডিং গ্ৰাণ্ট, ফাৰ্নিচাৰ গ্ৰাণ্ট এই সম্পৰ্কে আমি একো জানিব পৰা নাই। আমাৰ বিধায়ক সকলক বিশ্বাসত নলয়। এই গ্ৰাণ্ট বিলাক পৰিদৰ্শক সকলৰ দ্বাৰা বিতৰণ কৰা নাই। এখন টেবুলৰ এজন কেৰানীৰ ওপৰত নিৰ্ভৰ কৰি চলাই আছে। গ্ৰাণ্টৰ ক্ষেত্ৰত সহপৰিদৰ্শক বা বিধায়ক সকলক জৰিত কৰিলে তাৰ পৰা কিছু সকাহ পোৱা গলহেতেন। এই গ্ৰাণ্ট সম্পৰ্কে খেলি-মেলি হোৱাৰ মোৰ হাতত নিৰ্দিষ্ট প্ৰমান আছে। মই

সেই বিলাক কথা কব বিচৰা নাই । বিচাৰিছো যে ৰাজ্যখনৰ আতাইতকৈ ডাঙৰ সমস্যা হৈছে আজি আমাৰ ৰাজ্যখনৰ পৰীক্ষাৰ ফলাফল । যোৱা ২ বছৰৰ পৰা শতকৰা মাত্ৰ ২২ জনহে পাচ কৰা দেখা যায় । হায়াৰ চেকেণ্ডেৰীত পাচ কৰে মাত্ৰ ২৮/২৯ জনে । ভাৰতবৰ্ষত এই দুৰবস্থা কতো নাই। শিক্ষাৰ শিতানত প্ৰচুৰ টকা খৰচ হৈছে। কিন্তু পাচ কৰিছে শতকৰা ২২/২৩ জনেহে । গাৱেঁ ভূৱে এই বিলাকৰ কাৰণে যুৱক সকল হতসাগ্ৰস্ত হৈছে আৰু ইয়াৰ পৰা ক্ষতি হৈছে । এই হতশাগ্ৰস্ত মানুহ যিমানে বাঢ়িব সমাজত সিমানে উশৃংখল বাঢ়িব । আজি স্কুল কলেজত নকল কৰাৰ সংখ্যা বাঢ়ি গৈছে । যেনেকৈ নকল কৰাৰ সংখ্যা বাঢ়ি গৈছে তেনেকৈ পাচ কৰাৰ সংখাও বাঢ়িব লাগিছিল । গতিকে শিক্ষা বিভাগৰ অনুস্থান বিলাকৰ উন্নতিৰ কাম বন্ধ ৰাখি স্কুল কলেজত অধ্যয়ণৰ ভাল পৰিবেশ কেনেকৈ সৃষ্টি কৰিব পৰা যায় তাৰ কাৰণে ব্যৱস্থা লব লাগে । শিক্ষক ছাত্ৰৰ মাজত আৰু শিক্ষক অভিভাৱকৰ মাজত ভাল সম্পৰ্কৰ দৰ্কাৰ। শিক্ষক সকলে অভিভাৱকক মাতি আনি ছাত্ৰৰ বিষয়েআলোচনা কৰিব লাগে । কিন্তু আজিকালি সেই পৰিবেশ নাই ।

অধ্যক্ষ মহোদয়, আজিকালি হাইস্কুল, হাইয়াৰ চেকেণ্ডাৰী পাচ কৰিলে ছাত্ৰই দেশৰ নেতা হৈ যায় । ছাত্ৰৰ কথামতে শিক্ষক চলিব লাগে, মাক-বাপেক চলিব লাগ সকলোৱে চলিব লগা হৈছে । আৰম্ভনিতে এই বিষয়ে আমাৰ মজুমদাৰ ডাঙৰীয়াই কৈছিল ।

অধ্যক্ষ মহোদয়, সিদিনা মাননীয় মন্ত্ৰী মহোদয়ে দুখ কৰি কৈছিল — মই নিজে ট্ৰেন্সফাৰ কৰিব নোৱাৰো । চেক্ৰেটাৰীৰ পৰা যেতিয়া ফাইল আহিল তেতিয়া ছাত্ৰ নেতা আহি হাজিৰ হ'ল । ছাত্ৰ নেতাই কলে যে ট্ৰেন্সফাৰটো ষ্টে কৰিব লাগে । সেয়ে হ'ল । আপোনালোকে এইবিলাকত গুৰুত্ব নিদিয়ে। গুৰুত্ব দিয়া হলে এনে দুৰ্গতি নহলহেতেন । আমি ভাৰতৰ কথা চিন্তা নকৰি বৰ্ত্তমান অসমৰ কথাহে চিন্তা কৰিব লাগে । অসমত ফেইল কৰাৰ হাৰ যেনেকৈ বৃদ্ধি পাইছে, ইয়াতকৈ আৰু বিপদ জনক ঘটনা হব নোৱাৰে।

অধ্যক্ষ মহোদয়, আজিকালি শিক্ষক ট্ৰেইনিঙৰ কেম্প কৰিছে । এই ক্ষেত্ৰত ফলো আপ একচন লোৱা হৈছেনে ? এই ফলো আপ একচনত গুৰুত্ব দিব লাগে । আজিকালি স্কুল পৰিদৰ্শন স্কুলতো নহোৱা হৈছে । এই পৰিদৰ্শনৰ ব্যৱস্থা পুনৰ প্ৰৱৰ্ত্তন কৰিব লাগে । যোৱা পাচ বছৰৰ ভিতৰত হাইস্কুল, হায়াৰচেকেণ্ডাৰী স্কুলত কেইটা পৰিদৰ্শন কৰা হৈছে ? পৰিদৰ্শন পুনৰ

জিলা ভিত্তিত কৰাৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, আমাৰ স্কুল কলেজ বিলাকত নকলৰ প্ৰকোপ বাঢ়ি গৈছে। শিক্ষকে যদি নকল নধৰে সেই শিক্ষকজন ভাল হয়। যদি পৰীক্ষাত হেডমাষ্টৰে ক্লাচে ক্লাচে নকলৰ খবৰ নকৰে তেতিয়া হলে সেই জন অতি ভাল হেড মাষ্টৰ হয়। যদি পৰীক্ষাত নকল কৰিব নিদিয়ে তেতিয়া হলে তেওঁক তাৰ পৰা বদলি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। এটা খবৰ শুনিবলৈ পাইছো। এটা পৰীক্ষা কেন্দ্ৰৰ পৰা চাৰিজন ইনভিজিলেটৰক পৰীক্ষা দিউটিৰ পৰা দিচকুৱালিফাই কৰিছে। এনেকুৱা বহুত শিক্ষক আছে যিয়ে পৰীক্ষা হলত ছাত্ৰৰ কাষে কাষে গৈ এইটো লিখ সেইটো লিখ বুলি কৈ দিয়ে। চাৰিজন ইনভিজিলেটৰক দিচকুৱালিফাই কৰাৰ কাৰণে মই ভাল পাইছো।

অধ্যক্ষ মহোদয়, আজি এ, জি, পি, চৰকাৰ হোৱাৰ পৰাই নহয়, পৰীক্ষা হলত নকল কৰা আগৰ পৰাই চলি আছিছে। পৰীক্ষা হলত নকল ধৰাৰ কাৰণে শিক্ষকে মাৰ খাব লগা হৈছে। এইটো যেন গনতান্ত্ৰিক অধিকাৰ এই ক্ষেত্ৰত তেজপুৰৰ শিক্ষক সকলে প্ৰতিবাদ জনাইছে। মই তেজপুৰৰ শিক্ষক সকলক ধন্যবাদ জনাইছো। অসমত ভৱিষ্যতে শিক্ষক সকলে সংগঠিত ভাবে প্ৰতিবাদ কৰাটোকে মই বিচাৰো।

অধ্যক্ষ মহোদয়, কিছুমান শিক্ষক হব নলগা মানুহো শিক্ষক হৈ আছে। যি সকল শিক্ষকৰ কাৰণে এটা পৰীক্ষাও পাছ কৰিব নোৱাৰে তেনেকুৱা মানুহক শিক্ষক পদত নিযুক্তি দিয়া হৈছে। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত আগতেও খেলি-মেলি হৈছিল আৰু এতিয়াও সেইটো হৈ আছে। অৱসৰ প্ৰাপ্ত শিক্ষকৰ দুই তিনিজন লৰা ছোৱালী আছে। তেওঁলোকে নিযুক্তি পোৱা নাই। কিন্তু অৱসৰ পাবলগীয়া শিক্ষকৰ লৰাইহে আগতীয়াকৈ নিযুক্তি পাইছে। কাৰণ যিহেতু লৰাজনৰ দেউতাক এ, জি, পি,ৰ নেতা, সেয়েহে সেই লৰাজনকহে শিক্ষক পদত নিযুক্তি দিয়া হৈছে। আমাৰ বৰপেটাতে তেনেকুৱা হৈছে। আপোনালোকে নিযুক্তিৰ লিষ্টখন চালেই সকলো কথা জানিব। নিয়ম নীতি উলংঘা কৰি শিক্ষক পদত নিযুক্তি দিয়া হৈছে। লিষ্টত আঠ নম্বৰত থকা জনক বাদ দি ৯ নম্বৰক নিযুক্তি দিয়াৰ প্ৰমান মোৰ হাতত আছে। সেইটো দিয়া হৈছে লিভ ভেকেন্‌চিতত। অৱশ্যে ডি, আই, এ নিযুক্তি দিছে।

অধ্যক্ষ মহোদয়, এখন বাতৰি কাকতত লিখিছিল আমাৰ চৰকাৰৰ দিনত আজি যি হাৰত অযোগ্য মানুহক শিক্ষক পদত নিযুক্তি দিয়া হৈছে,

তাৰ ফল ৫০ বছৰলৈ কষ্ট ভোগ কৰিব লাগিব। তেওঁলোকৰ ৫০ বছৰ আৰু আপোনালোকৰ ৫০ বছৰ মিলি এক শ বছৰ অসমীয়া জাতিয়ে দুৰ্গতি ভোগ কৰিব লাগিব। শিক্ষাবিদক লৈ যি কমিটি পাতি দিয়া হৈছিল, সেই সকলে মাৰ্কছিট নোহোৱা জনকে শিক্ষক পদত নিযুক্তি দিলে। ১৯৭৪ চনতো সেই শিক্ষক জনৰ ২০ বছৰ বয়স আৰু ১৯৬৪ চনতো তেওঁৰ বয়স ২০ বছৰে হৈ থাকিল। তেওঁ দ্বাদশ শ্ৰেণীৰ পৰীক্ষা দিছে, মাৰ্কছিট মতে কিন্তু পাছ কৰা নাই। তেওঁক নিযুক্তি দিব নোৱাৰি। এনে ক্ষেত্ৰত শিক্ষাবিদ সকলে নিযুক্তি কেনেকৈ দিছে? এই কথাটো মই মাননীয় মন্ত্ৰী মহোদয়কো আগতে জনাইছো।

অধ্যক্ষ মহোদয়, এতিয়া মই আচল কথালৈ আহো। অসমত যিমান বিলাক প্ৰাথমিক আৰু হাইস্কুল আছে সেই বিলাক স্কুলৰ ঘৰ ৫০ হেজাৰ টকাৰে বান্ধিব নোৱাৰি। ৫০ হেজাৰ টকাৰে সৰু ঘৰহে হয়। বহুতো স্কুলত বহিবলৈ ঠাই নাই। যিবিলাক স্কুলত বেছি লৰা ছোৱালী আছে, তাত দুটা ছিফ্‌ট কৰক। মৰ্ণিং এটা আৰু ইভিনিং এটা। শিক্ষকৰ অভাবো পূৰ হব। আপোনালোকে মন কৰিছে নে নাই কব নোৱাৰো, কিন্তু বৃহত্তৰ মহানগৰী গুৱাহাটীত স্কুলৰ সংখ্যা যি হিচাবে বাঢ়িব লাগিছিল, সেই হিচাবে বৃদ্ধি হোৱা নাই। ইয়াৰ ছাত্ৰ ছাত্ৰী সকলৰ শিক্ষা গ্ৰহণ কৰাত ভয়ঙ্কৰ সমস্যা হৈছে। স্কুল, কলেজত লৰা ছোৱালী পঢ়োৱাটো অভিভাৱক সকলৰ সমস্যা হৈ পৰিছে। দিশপুৰৰ পৰা বশিষ্ঠলৈকে হাইস্কুল আছে নে? গনেশগুৰিৰ পৰা উলুবাৰিলৈ মাত্ৰ এখন হইস্কুল আছে আৰু গনেশগুৰিত এখন আছে। মাজতে কোনো হাইস্কুল নাই। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যি ধৰণে বৃদ্ধি পাইছে, সেই হিচাবে মাজতে আৰু এখন হাইস্কুলৰ দৰ্কাৰ আছে। গতিকে হাইস্কুলৰ সংখ্যা বৃদ্ধি কৰিবলগীয়া হৈছে। বৰপেটাত ১৯৫৩ চনৰ পৰাই যি হাইস্কুল আছে আৰু হোৱা নাই। মাত্ৰ ৰামচৰণ ছোৱালী হাইস্কুল নামে এখন হৈছে। বৰ্ত্তমান স্কুলত পঢ়িবলৈ লৰা ছোৱালীয়ে ছিট নেপায়। সেয়ে ডবল ছিফ্‌টৰ ব্যৱস্থা কৰিব লাগে। এইটোৰ প্ৰতি মই দৃষ্টি আকৰ্ষণ কৰিছো।

কালি চৰকাৰৰ আৰ্থিক অৱস্থা অতি বেয়া বুলি গম পালো। এইবাৰ ৩৬খন স্কুল প্ৰাদেশীকৰণ কৰা বুলি গম পাইছো। তাৰে ২০ খন অনুসূচীত জাতি অঞ্চলৰ আৰু বাকী ১৬ খন ছোৱালী স্কুল। এতিয়াও প্ৰাদেশীকৰণ কৰাৰ কাৰণে ১০০ খন মান স্কুল বৈ গল। এতিয়া সাধাৰণ শিক্ষাৰ কাৰণে টকা নাই। বিপজনক অৱস্থা। মই এটা কথা জানিব বিচাৰিছো যে যি বিলাক

অনুসূচীত অধ্যুসিত অঞ্চলৰ স্কুল আছে সেই বিলাক চিহ্নল কাচট কমপনেণ্ট প্লেনৰ এৰিয়াৰ স্কুল হয়নে নহয়। চিহ্নল কাচট কমপনেট প্লেন অঞ্চলৰ ভিতৰত এই ২০ খন স্কুলৰ ভিতৰত কেইখন স্কুল আছে? আৰু এটা কথা গম পোৱা গৈছে যে আজি কালি স্কুল লোৱাৰ কাৰণে কিছুমান কায়দা চলিছে। এই কায়দা বিলাক সকলোৱেই নাজানে। শ্ৰীমে-ীয়েও নাজানে। কায়দাটো হৈছে চিহ্নল কাচটৰ সংখ্যা বেছি আছে বুলি লিখি দিব লাগে। এতিয়া এইটো কায়দা চলিছে। এইটো উন্নয়নৰ ব্যাহত হোৱাৰ আৰম্ভনী হৈছে। সাধাৰণ অঞ্চলৰ স্কুল লোৱা হোৱা নাই। মই ভাবো যে ১৯৮৫ চনতেই যি বিলাক স্কুলে স্বীকৃতি পাইছিল সেই বিলাক স্কুল লোৱাৰ ব্যৱস্থা কৰিব লাগে। ১৯৮৫ চনতেই যি বিলাক স্কুলে স্বীকৃতি পাইছিল সেই বিলাক স্কুল প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীভৰত চন্দ্ৰ নৰহ: মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী ডাঙৰীয়াই ২৬ নং দাবী অনুযায়ী শিক্ষা বিভাগটো চলাবৰ কাৰণে যি অনুদান বিচাৰিছে সেইটোৰ মই সমৰ্থন কৰিছো আৰু এই অনুদানৰ ওপৰত বিৰোধী পক্ষই যি প্ৰস্তাৱ আনিছে সেইটোৰ মই বিৰোধীতা কৰিছো। মই এই কাৰণেই বিৰোধীতা কৰিছো যে মই ভবানতে বিৰোধী পক্ষই শিক্ষা বিভাগটোক সমালোচনা কৰাৰ নামত সমালোচনা কৰিবৰ বাবেই এই কৰ্তন প্ৰস্তাৱ আনিছে। মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ এই আসনত বহি মই লক্ষ্য কৰিছো যে আমাৰ বহুতো মাননীয় সদস্যৰ এইটো ধাৰণা হৈছে যে বিভাগীয় মন্ত্ৰী জনৰ বাহিৰে সকলোৱেই বিভাগটোক সমালোচনা কৰিব লাগে। এই ধাৰণাটো শুদ্ধ নহয়। এটা বিভাগে ভাল কাম কৰিলে সেই বিভাগটোক অনুপ্ৰেৰণা দিব লাগে। তেতিয়াহে সেই বিভাগটোৱে ভাল কাম কৰি যাবলৈ মনত বল পায়। তাকে নকৰি ভাল কাম কৰিলেও যেতিয়া সমালোচনা কৰে তেতিয়া সেই বিভাগটোৰ মনোবল ভাঙি যায়। তেওঁলোকে ভাবে যে ভাল কাম নকৰিলেও যেতিয়া সমালোচনা কৰে তেতিয়াহলে ভাল কাম কৰি সমালোচনাৰ সন্মুখীন হোৱাতকৈ বেয়া কাম কৰি সমালোচনৰ সন্মুখীন হোৱাই ভাল। সেই বাবেই বেয়া কাম কৰে। গতিকে ভাল কাম কৰিলে প্ৰেৰণা দিব লাগে। মই ভাবো যে শিক্ষা বিভাগে যিখিনি কৰিব লাগে তাতোকৈ বেছি কৰিছে। অনুসূচীত জাতিৰ লোক থকা শিক্ষানুষ্ঠান, জনজাতিৰ লোক থকা শিক্ষানুষ্ঠান, সাধাৰণ লোক থকা শিক্ষানুষ্ঠান এই বিলাক চৰকাৰীকৰণ কৰিছে। এতিয়া যেনেকে শিক্ষা

অনুস্থানৰ গৃহ নিৰ্মাণৰ কাৰণে ৬১ হাজাৰকৈ টকা দিছে এই দৰে আগতে কেতিয়াও টকা দিয়া হোৱা নাছিল। মই ভাবো যে শিক্ষা বিভাগে আমোল পৰিবৰ্ত্তন আনিবলৈ সক্ষম হৈছে। ইয়াৰ ওপৰিও নন ৰেকাৰিং গ্ৰাণ্ট দিয়া হৈছে, বিজ্ঞানৰ গ্ৰাণ্ট দিয়া হৈছে, কমন ৰোমৰ কাৰণে পইচা দিয়া হৈছে, আচবাবৰ কাৰণে পইচা দিয়া হৈছে ইমান পইচা দিয়াৰ পিচত শিক্ষা বিভাগে আৰু কি কৰিব পাৰে? শিক্ষা বিভাগত দুনীতি আৰু খেলিমেলি হৈছে বুলি কৈছে। মই এইটো কথা স্বীকাৰ কৰো। কিন্তু আগতে যি ব্যাপক হাৰত দুৰ্নীতি আছিল সেইটো এতিয়া নাই। শতকৰা ৯৫ ভাগ দুনীৰ্তি নাইকীয়া হৈছে। বাকী যি শতকৰা ৫ ভাগ দুৰ্নীতি আছে সেইটোৰ কাৰণে শিক্ষা বিভাগ দায়ী নহয়। তাৰ কাৰণে আমি দায়ী। ইয়াৰ কাৰণে আমাৰ সমাজ ব্যৱস্থা দায়ী। নিযুক্তিৰ ক্ষেত্ৰত ডি আই বা পৰিদৰ্শকক জগৰীয়া কৰা হৈছে। কিন্তু তেওঁলোকৰ আজি কালি কোনো ক্ষমতা নাই। নিয়োগৰ কাৰণে শিক্ষা উপদেষ্টা পৰিষদ সমাজসেৱক সকলক লৈয়ে গঠন কৰি দিয়া হৈছে। এই পৰিষদৰ সদস্য উভয় পক্ষৰ সদস্যই আছে। গতিকে উপদেষ্টা পৰিষদে নিযুক্তি দিলে তাৰ কাৰণে ডি আই বা পৰিদৰ্শকক দোষাৰোপ কৰিলে কি হব? ইয়াৰ কাৰণে দোষী কৰিব লাগিব আমাৰ সমাজ ব্যৱস্থাক। শিক্ষা বিভাগে মানুহৰ চৰিত্ৰ সলনি কৰিব নোৱাৰে। যদি কোনোবা শিক্ষা উপদেষ্টা পৰিষদৰ কোনোবাই পইচা খাই নিযুক্তি দিছে বুলি অভিযোগ আহিছে তেনেবিলাক উপদেষ্টা পৰিষদ ভাঙি দি নতুনকৈ উপদেষ্টা পৰিষদ গঠন কৰি দিয়া হৈছে। আৰু এইটোও কব পাৰো যে যদি এতিয়াও তেনেকুৱা কৰবাত কিবা ঘটে তেনেহলে সেইটো মন্ত্ৰীৰ বা চৰকাৰৰ দৃষ্টিগোচৰ কৰিলে তাৰ ওপৰত ব্যৱস্থা লোৱা হব। আৰু এটা প্ৰশংসা কৰিবলগীয়া বিষয় হৈছে যে চৰকাৰে এতিয়া মিচিং ভাষা আৰু ৰাভা ভাষা লৈছে। বড়ো ভাষাত ৰোমানলিপি লৱৰ কাৰণে কিমান আন্দোলন হ'ল, কিমান শ্বহীদ হ'ল, কিমানৰ তেজ গ'ল কিন্তু মিচিং ভাষা লবৰ কাৰণে কোনেও তেজ দিব লগীয়া হোৱা নাই বা কোনো স্বহীদ হোৱা নাই।

শিক্ষা বিভাগক সমালোচনা কৰাৰ পৰিবৰ্ত্তে প্ৰশংসা, অনুপ্ৰানীত কৰা উচিত। ৰাভা ছাত্ৰ সন্থাই চাৰিটা আন্দোলনৰ কাৰ্য্যসূচী লৈছিল। এজনো শ্বহীদ নোহোৱাকৈ, তেজ নিদিয়াকৈ ৰাভা ভাষা পাইছে। অসমীয়া ভাষাৰ কাৰণে, বড়োভাষাৰ বাবে, ৰোমান লিপিৰ বাবে বহুতে তেজ দি গ'ল। তথাপিতো তেওঁলোকে এইটো নাপালে। কিন্তু আমাৰ চৰকাৰৰ শিক্ষা

বিভাগে দিছে। তিনিটা আন্দোলনৰ কাৰ্য্যসূচীৰ পিচত দিছে। সেই কাৰণে মই ভাবো এই ২৬নং অনুদানৰ যোগেদি যি খিনি অনুদান বিচাৰিছে, সেইখিনিত অধিক সমালোচনা নকৰি গৃহীত কৰাটো উচিত হব। সভাপতি মহোদয়, শিক্ষা বিভাগৰ এই অনুদানটো কিয় ১নংত আনিছে। শিক্ষা বিভাগক সকলোতকৈ আগ স্থানত দিয়া হৈছে। সেই কাৰণে সকলোতকৈ আগতে আলোচনা কৰিবৰ কাৰণে দিয়া হৈছে। শিক্ষা বিভাগক অধিক গুৰুত্ব দিয়া হৈছে। সভাপতি মহোদয়, আপুনি আচৰিত হব যে ৰাজহ মন্ত্ৰীও উপস্থিত আছে, এফ, ডি, আৰ গ্ৰাণ্টত শিক্ষা বিভাগক ১৩নং ত ৰখা হৈছে। এফ, ডি, আৰ গ্ৰাণ্ট এনে ধৰণে দিছে— কৃষি বিভাগক ৪ কোটি ৪২ লাখ, বান নিয়ন্ত্ৰণ ২৭ কোটি, গড়কাপ্তানী বিভাগক ৭ কোটি ৯০ লাখ, জলসিঞ্চন বিভাগত ৪ কোটি, স্বাস্থ্য বিভাগত ৭০ লাখ, জনস্বাস্থ্য কাৰিকৰি বিভাগত ১ কোটি, পশুপালন বিভাগত ৩ কোটি ৩৮ লাখ, খাদ্য আৰু অসামৰিক বিভাগত ৫ কোটি ৫০ লাখ, জল পৰিবহন বিভাগত ৪৮ লাখ, পঞ্চায়ত সমাজকল্যাণ বিভাগত ৩৬ লাখ, হস্ত তাত আৰু বয়ন শিল্প বিভাগত ৩৩ লাখ, বিদ্যুৎ বিভাগত ৭০ লাখ, আৰু ১৩ নং শিক্ষা বিভাগত ২৩ লাখ টকা দিয়া হৈছে। ইয়াত ৰাজহ মন্ত্ৰীও উপস্থিত আছে। মই শিক্ষামন্ত্ৰীক অনুৰোধ জনাইছো শিক্ষা বিভাগৰ এফ, ডি, আৰ গ্ৰাণ্ট বঢ়াব পাৰিনেকি চাব। এই পইচা খিনিত আমাৰো অংশ আছে। আমি হাইস্কুল হায়াৰচেকেণ্ডাৰী স্কুলত কৰ পৰা পইচা দিম। এই অনুদানৰ ক্ষেত্ৰত কিয় বৈষম্য কৰা হৈছে। ই পৰিকল্পিত নে অনিচ্ছাকৃত নাজানো। বিদ্যুৎ বিভাগত কাম নহয় বুলি গালি পাৰি আছো, তাত কিয় ৭০ লাখ টকা দিয়া হৈছে? পশুপালন বিভাগত ইমান টকা দিয়াৰ কি প্ৰয়োজন আছিল। মই আৰু বক্তব্য দীঘলীয়া নকৰো, এফ, ডি, আৰ গ্ৰাণ্ট বঢ়াব পাৰি নেকি তাৰ বাবে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Chairman : Now Hon'ble Member Shri Dileswar Tanti will speak.

শ্ৰীদিলেশ্বৰ তাতী : সভাপতি মহোদয়, আমাৰ দলৰ পৰা যি কৰ্ত্তন প্ৰস্তাৱ আগবঢ়োৱা হৈছে তাৰ সমৰ্থনত দুষাৰ কব বিচাৰিছো। শিক্ষা বিভাগ হল এটা গুৰুত্বপূৰ্ণ বিভাগ। এই শিক্ষাৰ ওপৰতে আমাৰ ভবিষ্যত, নাগৰিক সকলৰ ভবিষ্যত নিৰ্ভৰ কৰে। আজি অসমৰ প্ৰায় এক হাজাৰ চাহ বাগিচাৰ

৫০-৬০ লাখ চাহ মজদুৰৰ শিক্ষাৰ দায়িত্ব চাহ উদ্যোগৰ শিল্প পতি সকলৰ ওপৰত ন্যস্ত কৰা হৈছে। ১৯৫১ চনৰ বাগিচা বনুৱা আইনৰ যোগেদি বাগিচাৰ কন কন লৰা ছোৱালীৰ প্ৰাথমিক শিক্ষাৰ দায়িত্ব বাগিচা কৰ্তৃপক্ষৰ ওপৰত ন্যস্ত কৰা হৈছে। তেওঁলোকে কেৱল আইনৰ খাতিৰতহে বাগিচা বনুৱা আইনৰ যোগেদি নাম মাত্ৰ দায়িত্ব পালন কৰি আছে। বাগিচা বনুৱা আইন মতে যত ২০ জন স্কুলীয়া লৰা ছোৱালী থাকে তাত এখন স্কুল পাতিব লাগে। কিন্তু দেখা যায় একোখন বাগিচাত বহু সংখ্যক ছাত্ৰ-ছাত্ৰী থাকিলেও মাত্ৰ এখন স্কুলহে দিছে। তাৰোপৰি বাগিচাৰ পৰা ২—৩ কিলোমিটাৰ দূৰত থকা স্কুললৈ কন কন লৰা ছোৱালী পঢ়িবলৈ যোৱাটো সুবিধাজনক নহয়। স্কুলৰ মাষ্টৰে এবেলা স্কুলত পঢ়ায় পিচবেলা ফেক্টৰী বা অফিছৰ আন কামত নিয়োজিত হৈছে। সেই কাৰণে আজি স্বাধীনতাৰ চাৰিটা দশকৰ পিচতো চাহ বাগানৰ শিক্ষিত লোকৰ হাৰ বৃদ্ধি হোৱা নাই। আজি ভাৰতবৰ্ষত শিক্ষিত হাৰ হৈছে শতকৰা ৩০, কিন্তু বাগানৰ শিক্ষিতৰ হাৰ মাত্ৰ ৫%, এনে হোৱাতো অতি দুৰ্ভাগ্যজনক কথা। সেই কাৰণে আগৰ চৰকাৰে চাহ বাগানৰ শিক্ষিতৰ হাৰ বৃদ্ধিৰ বাবে চাহ বাগিচাৰ শিক্ষাৰ দায়িত্ব চৰকাৰে লব লাগে, এনে এটা মনোভাৱ পোষন কৰি ১৯৭২ চনত চাহ বাগিচাৰ স্কুল সমূহ চৰকাৰী কৰণ কৰাৰ সিদ্ধান্ত লৈছিল। কিন্তু মাত্ৰ শিৱসাগৰ আৰু কাচাৰ জিলাৰ শিক্ষাৰ দায়িত্ব চৰকাৰে ললে। বাকী বিলাক জিলাৰ দায়িত্ব চৰকাৰে লব পৰা নাই। যদি বাগানৰ কৰ্তৃপক্ষক শিক্ষাৰ দায়িত্ব দিয়া হয় তেন্তে তেওঁলোকে মাথোন আইনৰ খাতিৰতহে এই স্কুল সমূহ পৰিচালনা কৰিব। প্ৰকৃতাৰ্থত বাগান কৰ্তৃপক্ষই চাহ বাগিচাৰ লৰা-ছোৱালী শিক্ষিত হোৱাতো নিবিচাৰে। বাগান কৰ্তৃপক্ষই বৃটিছৰ দিনৰ ভৃত্যৰ মনোভাৱ এতিয়াও চাহ শ্ৰমিক সকলৰ প্ৰতি পোষণ কৰি আছে। লৰা ছোৱালী শিক্ষিত হোৱাটো কামনা নকৰে। বৃটিছৰ সাম্ৰাজ্যবাদী শোষণ কৰা মনোভাৱ এতিয়াও পোষণ কৰি ৰাখিছে। চৰকাৰে যদি বাগান বিলাকৰ শিক্ষাৰ দায়িত্ব নলয় তেন্তে বাগানত শিক্ষাৰ প্ৰভাৱ নপৰিব। প্ৰাথমিক শিক্ষাৰ দায়িত্ব বাগান বিলাকক দিয়া হৈছে, কিন্তু এম, ই, হাইস্কুলীয়া শিক্ষাৰ দায়িত্ব আজি কাৰো হাতত নাই। উচ্চ শিক্ষাৰ দায়িত্ব বাগান কৰ্তৃপক্ষৰো নাই আৰু চৰকাৰৰো নাই এনে এটা মনোভাৱ দেখিবলৈ পাওঁ।

মধ্য ইংৰাজী বিদ্যালয় পাতিবলৈ হলে ৬ বিঘা মাটিৰ প্ৰয়োজন। সেই

অনুপাতে হাইস্কুল পাতিবলৈ হলে ১২ বিঘা মাটিৰ প্ৰয়োজন। কিন্তু কথা হল বাগিচা সমূহত ৬ বিঘা বা ১২ বিঘা মাটি পোৱা কেনেকৈ সম্ভৱ হব? যিখিনি বাগিছাৰ মাটি আছিল সেই উপৰোক্ত মাটি খিনি চিলিং আইনৰ ভিতৰত অধিগ্ৰহণ হৈছে। গতিকে চাহ বাগিছাৰ অঞ্চল সমূহত এম, ই আৰু হাইস্কুল পতাৰ কাৰণে মাটি সংৰক্ষণ কৰি থোৱাৰ কোনো ব্যৱস্থা কৰা হোৱা নাই। ইয়াৰ ফলত দেখা যায় চাহ বাগিছাৰ আশে পাশে যিবিলাক গাওঁ বা টাউন আছে তালৈ গৈ বাগিছাৰ ছাত্ৰ ছাত্ৰীয়ে স্কুলত চিট নাপায় বিমুখ হৈ ঘূৰি আহিব লগা হৈছে। চাহ বাগিছা সমূহত এম, ই আৰু হাইস্কুল পতাৰ কাৰণে মাটি সংৰক্ষণ কৰি নোথোৱাৰ ফলতেই আজি দেখা গৈছে যে চাহ বাগিছাৰ লৰা ছোৱালীৰ পক্ষে ভৱিষ্যতে অন্ধকাৰ বিৰাজ কৰিছে। চেয়াৰমেন মহোদয়, চাহ বাগিছাৰ কন কন লৰা ছোৱালীবিলাকক শিক্ষাৰ প্ৰতি আকৰ্ষিত হবলৈ কোনো ধৰনৰ পৰিবেশ নাই। যিবিলাক সৰু সৰু লৰা ছোৱালী আছে সিহতে দিনত ঘৰতেই থাকে। কাৰণ তেওঁলোকতকৈও কন কন লৰা ছোৱালীক উমলাই থাকিব লগা হয়। যিহেতুকে মাক-দেউতাক দুয়ো কামলৈ ওলাই যায়। তাৰ ওপৰি ১৪ বছৰ বয়সৰ পৰা যিহেতু বাগানত কাম কৰিব পৰা নিয়ম আছে, তেনে লৰা ছোৱালীয়ে শিক্ষাৰ সুবিধা নাপায় বাগানত কাম কৰিব লগীয়া হৈছে। এই লৰা ছোৱালী বিলাকক যাতে শিক্ষাৰ ফালে আকৰ্ষিত কৰিব পৰা যায় তাৰ কাৰণে বিবেচনা কৰিয়েই আগৰ চৰকাৰে মধ্যাহ্ন ভোজনৰ ব্যৱস্থা কৰা হৈছিল। এই মধ্যাহ্ন ভোজনত খিচুৰী দিয়াৰ ব্যৱস্থা কৰা হৈছে। যাতে থোৱাৰ নামত পঢ়া শুনাৰ প্ৰতি লৰা ছোৱালী বিলাকৰ উত্‌সাহ উত্‌দিপনা বাঢ়ে। অতি দুৰ্ভাগ্য জনক কথা যে বৰ্ত্তমান চৰকাৰে এই কথা প্ৰসংসা কৰাৰ সলনি, কেইজনমান মাননীয় সদস্যই এই সদনতেই থালি লোৱা, ঘটি লোৱা আদিক ব্যৱস্থা বুলি তাচিল্য কৰি এই ব্যৱস্থা উঠাই দিলে। আমি আশা কৰিছিলো দুপৰীয়া খিচুৰি দিয়া বন্ধ কৰি আপেল আঙুৰ দিয়াৰ ব্যৱস্থা কৰিব। কিন্তু দেখা গল এই ব্যৱস্থা সম্পূৰ্ণ বন্ধ কৰিলে। চাহ মজদুৰ সকলে যিমানখিনি দুখ কষ্টৰ মাজেৰে চলি আছে, মই আশাকৰো এই বিলাক বিবেচনা কৰি পৰৱৰ্ত্তী সংশোধন কৰি চৰকাৰে নতুন ব্যৱস্থা গ্ৰহন কৰিব। আগৰ চৰকাৰে কৰা সকলো কথাই ভুল বুলি চিন্তা কৰা উচিত নহয়। তাৰওপৰি চাহ বাগিছাৰ জনগোষ্ঠীক শিক্ষাৰ পোহৰলৈ কেনেকৈ আগুৱাই নিয়া হব, কিমান শিক্ষিত হব আৰু কিমান শিক্ষিত হবলৈ বাকী

তেওঁলোকৰ জৰিয়তে ছাহবাগিছাৰ যিটো ভাষা সেই ভাষাৰ ওপৰত বিচাৰ্চ কৰি তেওঁলোকৰ বাবে নতুন পাঠ্যপুথি তৈয়াৰ কৰাৰ কথাও আছিল। কিন্তু বৰ্ত্তমান সেই চেলটো নিশক্ৰিয় অৱস্থাত আছে। তাত এজন কেৰানী আৰু দুজনমান পিয়নৰ বাহিৰে আন কোনো ধৰণৰ সুবিধা দিয়া নাই। এই চেলটো যাতে সক্ৰিয় কৰি তোলা হয় তাৰে কাৰণে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰিলো।

ড: অৰ্দ্ধেন্দু দে :— উপাধক্ষ মহোদয়, শিক্ষা বিভাগের অনুদানের উপর যে কর্তণ প্রস্তাব উত্থাপন করা হয়েছে তা সমর্থন করে আমি প্রথমেই বলতে চাই এই বিভাগটি একটা সাদা হাতী বা হোয়াইট এলিফ্যান্ট লালন পালন করছে। কিন্তু সেই বিষয়ে বলার আগে আর একটা কথা উল্লেখ না করলে হচ্ছে না। কারণ এই বিভাগে এমন কিছু কাজ হচ্ছে যার ফলে এই শিক্ষা বিভাগ আজ একটা অশিক্ষার আখায় পনিতর হয়েছে। এ বিষয়ে কোন সন্দেহই নেই। বিভাগের রীতিমত দুর্নীতির কর্মযজ্ঞ চলছে। বিভিন্ন দলের মাননীয় সদস্যরাও ইতিমধ্যে এবিষয়ে নানা দৃষ্টান্ত তুলে ধরেছেন। স্যার আমরা যদি এই বিভাগের কার্য্যকলাপ পর্যালোচনা করিতোহলে দেখবো এই বিভাগে যারা ডি আই আছেন তাদের থেকে আরম্ভ করে ডি পি আই পর্যন্ত প্রত্যেকের মনোভাব এক একজন জামিদারের মনোভাবের মতো। কারণ আমরা জানি যে প্রত্যেক শিক্ষককেই প্রতিমাসে করের মত একটা জিনিষ এইসব ডি আই এবং ডি পি আই'দেরে দিতে হয়। যাই হোক আমি যে সাদা হাতীর কথা উল্লেখ করেছিলাম তা হলো এই বিভাগের পাব্লিকেশন বোর্ড। এই বোর্ড স্থাপিত হয়েছিল ১৯৬৫ ইং বিভিন্ন জনগোষ্ঠীর কাছ থেকে দান-বরঙনী সংগ্রহ করে এবং এর উদ্দেশ্য ছিল যে আসামে যে বিভিন্ন ভাষাগোষ্ঠী, জনগোষ্ঠীর কৃষ্টি, সাহিত্য প্রভৃতি রয়েছে তা প্রকাশ করা। কিন্তু খুব দুঃখের বিষয় উপাধ্যক্ষ মহোদয় এই বোর্ড সেই উদ্দেশ্য পূরণ করতে পারেনি। এই প্রকাশন পরিষদে নানা দুর্নীতি বিরাজ করছে যা দুর করার ক্ষমতা এই সরকারের নেই। এই বোর্ড গঠণ করার সময় যে সমস্ত বই, ফার্নিচার ইত্যাদি ছিল তা আজ কি অবস্থায় আছে এবং এর কোন ফিজিকেল ভেরিফিকেশন আজ পর্যন্ত হয়েছি কি? যে লক্ষ লক্ষ টাকার বই কেনা হয়েছিল, ফার্নিচার কেনা হয়েছিল তাৰ কোন হিসাব দেওয়াও ক্ষমতার বাইরে। যে সমস্ত কর্মচারী এই পরিষদে কাজ করে আজ রিটাইয়ার হয়েছেন যদি তাদের প্রত্যেকের ঘর তল্লাসী করার ব্যবস্থা করা হয় তাংলে

দেখা যাব যে এই বোর্ডের সম্প্রতি তাদের অধীনে রয়েছে। তাছাড়া এই বোর্ড বিভিন্ন সম্প্রদায়ের সাহিত্য প্রকাশের যে উদ্দেশ্য নিয়ে স্থাপিত হয়েছিল কার্য্যক্ষেত্রে তাও হয়নি। একমাত্র অসমীয়া সাহিত্যের প্রকাশ ছাড়া এই বোর্ড থেকে অন্য কোন ভাষার সাহিত্য প্রকাশ করা হয়নি। একমাত্র কাছাড় জেলার একটি সাহিত্য প্রকাশ হয়েছে কাছাড়ের ইতিবৃত্ত নামে। কিন্তু আসামে কি অন্য কোন জনগোষ্ঠী নেই, ভাষাভাষীর লোক নেই? আসামের অন্যান্য সংখ্যালঘু সম্প্রদায়ের সাহিত্য প্রকাশ করতে এই বোর্ড কোন প্রচেষ্টা নিচ্ছে না?

স্যার, কাছাড় জেলার হাইলাকান্দিতে আসাম সাহিত্য সভার অধিবেশন চলাব সময় অনেক মন্ত্রী মহোদয়ই বলেছিলন যে এই অধিবেশনের মাধ্যমে ব্রহ্মপুত্র উপত্যকা এবং বরাক উপত্যাকাৰ মধ্যে একটা সেতু তৈরী হলো। কিন্তু কাছাড় জেলায় যে সব সাহিত্যিক রয়েছেন তাদের সাহিত্যের বিকাশের এই সাহিত্য সভা কি কোন ভূমিকা গ্রহণ করেছে। আমার মনে হয় করে নি? সতরাংকি ভাবে দুই উপত্যকার মধ্যে সেতু তৈরী সম্ভব তা বুঝতে পারি না।

স্যার, ১৯৮৩ ইং নবেম্বর আসে একটা প্রস্তাব পাশ করা হয়েছিল এই বোর্ডের কার্য্যকলাপ ফিজিকেল ভেরিফিকেশন করার জন্য। কিন্তুআজ পর্যন্ত কোন ফিজিকেল ভেরিফিকশেন হয়েছে বলে আমরা শুনিনি। তাছাড়া ১৯৭২ ইংতে সিদ্ধান্ত নেওয়া হয়েছিল যে ১২ টি খণ্ডে অসমীয়া বিশ্বকোষ এই পরিষদ প্রকাশ করবেন। লক্ষ লক্ষ টাকা ব্রহ্মপুত্র জলে ভেসে গেল কিন্তু এই পরিষদ মাত্র এক খণ্ড বিশ্বকোষ আজ পর্যন্ত প্রকাশ করতে সক্ষম হলো। তার মানে কি আসামে কোন সাহিত্য নেই, অসমীয়া জাতির কোন ইতিহাস নেই, কোন কৃষ্টি নেই? নিশ্চয় আছে। কিন্তু কিছু দুর্নীতি পরায়ন কর্মচারীর কার্য্যকলাপের জন্য এই বিশ্বকোষের সব কয়টি খণ্ড প্রকাশ করা সম্ভব হয়নি। আজ সরকার পক্ষের কোন কোন মাননীয় সদস্য দূর্নীতি দূর করার প্রতি গুরুত্ব আরোপ করেছেন। এরমধ্যে একজন প্রাক্তন মন্ত্রীও আছেন। তিনি নিজেও জানেন যে বিভাগ গুলিতে দূর্নীতি আজ কি পর্য্যায়ে এসে পৌছেছে। এই দূর্নীতির চাপের কাছে তিনি নিজেও টিকতে পরিবেন নি।

(সময় সংকেত)

আজ মহকুমা স্কুল উপদেষ্টা বোর্ড গুলিতেও দূর্নীতি দেখা দিয়েছে। শিক্ষক নিযুক্তির ক্ষেত্রে নানা খেলিমেলির সৃষ্টি হয়েছে।

(সময়ৰ সংকেত)

স্যার মাননীয় সদস্য হেমেন দাস মহাশয় বলেছেন যে আসামে আজ শিক্ষার মানদণ্ড একদম নেমে গিয়েছে। পরীক্ষার ফলাফলের দিকে তাকালে আমরা দেখতে পাই যে পাশের হারের চেয়ে আজকাল ফেলের হার অনেক বেশী। এই বক্তব্যের সঙ্গে আমিও এক মত। স্যার আপনি জানেন যে আসামের মধ্যে কটন কলেজ আজও প্রসিদ্ধ কলেজ। আমিও একজন কটনীয়ান ছিলাম। তখনকার দিনে সেকেণ্ড ডিভিজনে পাশ করেও এই কলেজে সীট পাওয়া যেত এবং দেখা যেত যে সেকেণ্ড ডিভিশনের ছেলেও ফাষ্ট ডিভিজনে এই কলেজ থেকে পাশ করতো। কিন্তু আজ কাল শতকরা ৭০/৮০ ভাগ নম্বর পেয়ে এই কলেজ হয়েও অনেকে পাশ করতে পারে না বা সেকেণ্ড ডিভিশনে পাশ করতে দেখা যায়। এই কটন কলেজৰ দৃষ্টান্ত থেকেই বোঝা যাচ্ছে যে আজ আসামে শিক্ষার মানদণ্ড কত নেমে গিয়েছে, অবনতি হয়েছে।

( সময় সংকেত )

সর্বশেষে আমি মাননীয় মন্ত্রী মহোদয়কে অনুরোধ করছি তিনি যেন এই হোয়াইট এলিফেন্ট'ৰ কার্যকলাপের প্রতি বিশেষ নজর রাখেন এবং এর একটা ফিজিকেল ভেরিফিকেশন করার ব্যবস্থা নেন। এই বলে আমি বক্তব্য শেষ করছি।

শ্রীদিলীপ কুমাৰ শইকীয়া সোনোৱাল : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় শিক্ষা মন্ত্রী মহোদয়ে যি পৰিমাণৰ টকা বিচাৰিছে তাক সদনে গ্ৰহণ কৰিব বুলি আশা কৰি আৰু মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে অনা কৰ্তন প্ৰস্তাৱটো বিৰোধীতা কৰিছো। আজি শিক্ষা বিভাগত শতকৰা আধাভাগ টকা ধৰা হৈছে আৰু এই টকা বিলাক যাতে সৎ কামত খৰচ কৰে শিক্ষা মন্ত্রীয়ে নিশ্চয় গুৰুত্ব দিব। আমিদেখিবলৈ পাইছো বিভিন্ন সদস্যই ইয়াত কৈছে, সমালোচনা কৰিছে, আলোচনা কৰিছে, এই সমালোচনা বিলাক 'কনষ্ট্ৰাকটিভ' হব লাগে। আৰু এটা কথা কোৱা হৈছে যে শতকৰা ৯০ ভাগ দূৰ্নীতি মুক্ত হৈছে বুলি কোৱা হৈছে। কিন্তু আজি মই 'ৰুলিং' পাটিৰ বিধায়ক হলেও শতকৰা ৯০ ভাগ দূৰ্নীতি মুক্ত হোৱা নাই, হৈছে বুলি কব নোৱাৰো। কেনেকুৱা দূৰ্নীতি হৈ আছে শিক্ষা বিভাগত, আজি মই নিজেই দেখিছো এজন বিধায়কে ৫ হেজাৰ টকা উলিয়াবলৈ গৈ ৫ বাৰ অফিচত যাব লাগে। ঠিক তেনেকে শিক্ষক এজনে তেওঁৰ পাব লগীয়া টকা উলিয়াবলৈ হলে ৫৫ বাৰ যাব লাগে। ফলত ১০ টকা দিলতহে কামটো হৈছে। শিক্ষকজনে ৰাছিয়াত থাকে তেওঁ তাৰ পৰাই মোক আমাৰ চৰকাৰৰ আজি

অফিচ বিলাকত যি অৱস্থা সেইটো জনাইছো এইটো সঁচাকৈয়ে বৰ দোষজনক কথা।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে আজি কিছুমান ভাল কাম হাতত লৈছে যেনেকৈ প্ৰাথমিক স্কুল বিলাকৰ গৃহ নিৰ্মাণৰ কাম সুন্দৰকৈ কৰিছে, আৰু ভাষাৰ ক্ষেত্ৰত যি বাভা ভাষা, বড়ো ভাষা ইতিমধ্যে প্ৰৱৰ্ত্তন কৰা হৈছে এইবিলাক কি ধৰণে বাস্তৱত ৰূপ দিব পাৰি সেই বিষয়ে বিশেষ ভাৱে চাব লাগিব। আজি শিক্ষা বিভাগত যিবিলাক কেৰোন সোমাইছে সেই বিলাক কেনেধৰণে দূৰ কৰিব পাৰি তাক চাব লাগে। কেৱল চৰকাৰকেই দোষ দিলে নহব। আমাৰ যি সমাজ ব্যৱস্থা শিক্ষাৰ পৰিবেশ সেইটো ঘূৰাই অনাৰ কাৰণে সকলোৰে চেষ্টা কৰিব লাগিব বিশেষকৈ আজি ব্যৱসায় পদ্ধতিটো, টিউচনৰ যোগেদি আমাৰ ল'ৰা-ছোৱালী বিলাকে কোনো ৰকমে পাচ কৰি শিক্ষা সাং কৰা দেখা যায়। কিন্তু আজি ছাত্ৰ-ছাত্ৰী সকলে মাত্ৰ এখন চাৰটিফিকেট লোৱাৰ বাবেহে স্কুললৈ আহে। মাত্ৰ এটা চাকৰি পোৱাৰ আশাৰে শিক্ষা লবলৈ আহে।

মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষক সকলক ছাত্ৰ সকলে যিধৰণে শ্ৰদ্ধা কৰিব লাগে সেই ধৰণে নকৰে, তেওঁলোকক অপমান, অৱমাননা কৰা আমি দেখা পাইছো। তাৰ পিচত নকলৰ কথা কব বিচাৰিছো আজি প্ৰত্যেক স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে নকল কৰা পদ্ধতিটো গ্ৰহণ কৰিছে। আৰু এটা কথা দেখিছো আজি আমাৰ শিক্ষক সকলে বহুতো অসুবিধাত পৰিছে, তেওঁলোকৰ দৰমহা বেচি কৰিব লাগে। যদিহে সেইখিনি কৰা নহয় তেওঁলোকে 'প্ৰাইভেট' টিউচন আদি কৰিব লগীয়া হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, হাইস্কুলৰ যি পদ্ধতি সেই পদ্ধতিটো 'চেমিচতাৰ' চিচটেম কৰিব লাগে। আজি বেংকৰ নিচিনাকৈ 'অব্‌জেকটিভ' টাইপৰ প্ৰশ্ন কৰিলে সুবিধা হব।

মাননীয় উপাধ্যক্ষ মহোদয়, মই এই খিনিতে এটা কথা উল্লেখ কৰিব খোজো আমাৰ গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাৰ 'কৰ্চ একে হব লাগে। একে নোহোৱাৰ কাৰণে লৰা-ছোৱালীবোৰৰ অসুবিধা হৈছে। আমাৰ চৰকাৰে আজি বিনামূলীয়া পাঠ্যপুথি বিতৰণ কৰিছে লৰা-ছোৱালীৰ সুবিধাৰ কাৰণে। কিন্তু সকলো অঞ্চলৰ লৰা-ছোৱালীয়ে সময় মতে এই পাঠ্য পুথিবোৰ পোৱা নাই। কিছুমান অঞ্চলত এনে পাঠ্যপুথি সমূহ শিক্ষাবিভাগৰ কাৰ্য্যালয়ত অযত্নত পৰি আছে। আমাৰ লক্ষীমপুৰ জিলাৰ ডি, আই অফিচতে

ৰাহিৰত পেলাই থোৱা পাঠ্যপুথিৰ ফটো অলপতে ৰাতৰি কাকতত প্ৰকাশ পাইছে। ইয়াৰ বাবে কোন জগৰীয়া তাৰ তদন্ত হব লাগে। কিয়নো এই পাঠ্যপুথিবোৰৰ কাৰণে চৰকাৰৰ ৮ কোটি ৫৩ লাখ ৫১ হেজাৰ ৩৭৫ টকা খৰচ হৈছে। আজি কলেজৰ ক্ষেত্ৰত দেখিবলৈ পাইছো বিভিন্ন ডুৰ্নীতি চলি আছে। ধেমাজী কলেজৰ গভাৰ্নিং বডিৰ ডুৰ্নীতিৰ সম্পৰ্কৰ ফাইল মোৰ হাতত আছে। তাত সুন্দৰকৈ সকলোবোৰ কথা দিয়া হৈছে। এই ফাইল চৰকাৰৰ হাততো দিয়া হৈছে। লোকেল অডিটে হিচাব পৰীক্ষা কৰি থোৱা ৩-৯-৮৬ তাৰিখে এই বুলি ৰিপোৰ্ট দিছে— To the Examiner of Local Accounts, Assam- subject preliminary report on the scholarship accounts of Dhemaji College for 1982-86. তাত ১ লাখ ৬৪ হেজাৰতো অধিক টকাৰ খেলিমেলিৰ অভিযোগ উত্থাপিত কৰা হৈছে। কলেজৰ অধ্যক্ষই জনজাতি ছাত্ৰ-ছাত্ৰীৰ জলপানীৰ টকা আত্মসাৎ কৰিছে। উক্ত অধ্যক্ষজনৰ বিৰুদ্ধে ব্যৱস্থা লবৰ কাৰণে জনজাতি আৰু অন্যান্য পিচপৰা সম্প্ৰদায়ৰ কল্যাণ বিভাগৰ সঞ্চালকে একে বিভাগৰ আয়ুক্তলৈ লিখিছে From K. Kutum Director of Welfare of Plains Tribes & Backward Classes, Assam to the Commissioner & Secretary to the Government of Assam, WPT & BC Department, Dispur, Guwahati. Sub : Misappropriation of Post-Matric Scholarship money by Principal of Dhemaji College.

Sir,

With reference to the subject mentioned above I have the honour to state the Principal of Dhemaji College has misappropriated Post-Matric scholarship money amounting to Rs. 1,53,385.26 only as has been revealed by the audit report. The relevant period is 1982-86.

The Project Director, ITDP was requested to file criminal case for misappropriation of Government money and subsequently further request also was made to institute a money suit to recover the misappropriated amount.

In spite of our reminders the present position of the case has not been informed to this Director by the Project Director, ITDP, Dhemaji. Further instruction to take step according to law is being issued.

In view of the seriousness of the case and involvement of the Principal directly, it is therfore, requested that Government should no longer allow Shri Bhoben Pegu to function as Principal & Secretary of the Dhemaji College." মই অধ্যক্ষ জনৰ নাম নকও। তেখেতক ইতিমধ্যে নিলম্বিত কৰা হৈছে। অধ্যক্ষজনে কটিত কেচ ফাইল কৰিলে, কটে জাজমেণ্ট দিলে যে তেওঁ প্ৰিন্সিপাল হব নোৱাৰে। তথাপিও বিভাগে তেওঁৰ ওপৰত কোনো ব্যৱস্থা লোৱা নাই। মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে তত্‌কালে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা লব লাগে। নহলে ধেমাজী কলেজৰ লৰা-ছোৱালী ভৱিষ্যতে বিপদৰ সন্মুখীন হব। আজি কোকোৰাঝাৰ আৰু ধেমাজী কলেজ দুখনে জনজাতি অঞ্চল হোৱাৰ কাৰণে যথেষ্ট পৰিমাণৰ টকা মঞ্জুৰী পায়। ধেমাজী কলেজে পোৱা বিল্ডিং গ্ৰাণ্ট আৰু স্কলাৰশ্বীপৰ টকা ক'ত খটুৱালে? এইবোৰৰ ভালদৰে তদন্ত হব লাগে আৰু দোষী ব্যক্তিৰ ওপৰত বিহিত ব্যৱস্থা লব লাগে। কোনো কোনো লোকে এই ধেমাজী কলেজৰ বিষয়টো ৰাজনিতিৰ মজিয়ালৈ টানি আনিব বিচাৰিছে। কিন্তু চোৰ চোৰেই, সি যি পৰ্য্যায়ৰ লোকেই নহওক। তেওঁক ৰাজনৈতিক ভাবে আশ্ৰয় দিবলৈ বিচৰাটো অতি মাৰাত্মক কথা হব। মই এই ক্ষেত্ৰত ৰাজনৈতিক হস্তক্ষেপ নকৰিবলৈ সকলোকে অনুৰোধ জনাইছো।

উপাধ্যক্ষ মহোদয়, যোৱা ২৯ তাৰিখে লক্ষীমপুৰত হাইস্কুল শিক্ষকৰ বাবে উপদেষ্টা বৰ্ডে পৰীক্ষা ললে। কিন্তু লক্ষীমপুৰ জিলাৰ ভিতৰত গণিতত সৰ্ব্বোচ্চ নম্বৰ পোৱা আৰু সন্মান সহ পাছ কৰা ব্যক্তি এজনক পৰীক্ষালৈ নামাতিলে তেনেদৰে বায়ো-কেমিষ্ট্ৰিৰ লৰা এজনকো নামাতিলে। গণিতৰ ব্যক্তিজনৰ ৭ বছৰ কাম কৰাৰ অভিজ্ঞতাও আছিল। এইবোৰৰ ওপৰত অনুসন্ধান কৰি বিহিত ব্যৱস্থা লব লাগে। এইবোৰৰ ওপৰত যদি কোনো 'এক্‌চন' লোৱা নহয় তেন্তে আমি হাতে কামে লাগি যাব লাগিব। উৰ্দ্ধতম কৰ্তৃপক্ষ মানে ডি, পি, আইক আমি অভিযোগ দিম। ধেমাজী কলেজৰ ফাইলৰ ওপৰত কাৰ্য্যকৰী ব্যৱস্থা

গ্ৰহণ কৰিবৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ কৰিছো। শেষত মই বিৰোধী পক্ষৰ মাননীয় সদস্য সকলক এই মঞ্জুৰীৰ ওপৰত দিয়া কৰ্তন প্ৰস্তাৱ উঠাই লবলৈ অনুৰোধ কৰিছো আৰু লগে লগে মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

* শ্ৰীতনু কোঁৱৰ : মাননীয় উপাধ্যক্ষ মহোদয়, আৰু মাননীয় সদস্য সকল, জয়জয়তে আজি মই সদনত শিক্ষামন্ত্ৰী মহোদয়ে উত্থাপন কৰা গ্ৰ্যাণ্টটো আন্তৰিকতাৰে সমৰ্থন কৰিছো আৰু আদৰণি জনাইছো। মই এই সুযোগতে শিক্ষাৰ বিষয়ে দুই এটা কথা কব বিচাৰিছো। আমাৰ শিক্ষা বিভাগত তিনিটা স্তৰ আছে। প্ৰাথমিক স্তৰ, উচ্চ মাধ্যমিক আৰু উচ্চতৰ পৰ্য্যায়। আমি আজিও মনত কৰিব পাৰো প্ৰাথমিক স্তৰত কেনেকৈ পঢ়িছিলো। এতিয়া তাতকৈ বহুত উন্নত হয়। আমি খোজকাঢ়ি গৈ এআঠু বোকা পানীৰে লুতুৰি পুতুৰি হৈ গৈ প্ৰাথমিক স্তৰত পঢ়িছিলো। বৰষুণ দিলে ছাটি নাছিল টকৌপাত লৈ গৈ উপস্থিত হৈছিলো। মাননীয় সদস্য তাঁতী ডাঙৰীয়াই কোৱাৰ দৰে তেনে অৱস্থা নাছিল। হাইস্কুল পৰ্য্যায়তো তেনে অৱস্থাই আছিল। আমি সাৰে সাত মাইল খোজ কাঢ়ি গৈ হাইস্কুলত পঢ়িছিলো। আমাৰ দিনত চাইকেলো নাছিল। এতিয়া কিন্তু পাকা ৰাস্তা হৈছে। আমি কিন্তু শিলগুটি দিয়া আলি-বাটত খোজকাঢ়ি যাবলগীয়া হৈছিলো। আজি কিন্তু প্ৰাথমিক স্তৰত ল'ৰা-ছোৱালীয়ে বেঞ্চত বহি পঢ়ে। ধুনীয়া ধুনীয়া ঘৰৰ তলত বহি পঢ়িব পাৰিছে। আমাৰ দিনত বেঞ্চো নাছিল। সাত আঠ জন ল'ৰা একেথন বেঞ্চত বহিব লগীয়া হৈছিলো। আজি বিশেষকৈ দুবছৰ মানৰ পৰা গাৱেঁ-ভূঞে বহুত স্কুল বাঢ়িছে। অলপতে সিদিনা জয়মতী উচ্চ মাধ্যমিক স্কুললৈ গৈছিলো। তাত কৈছিলো যে জয়মতী আহোমৰ জীয়ৰী আছিল। এনেবুৱা লেৰেলা-চেপেটা নাছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ ডালিমীৰ নাম নাই। নগাৰ মাজত ডালিমীৰ নাম হব নোৱাৰে। এই বিলাক কৈছিলো। এতিয়া দ্বিতীয় পৰ্য্যায়লৈ আহো।

উপাধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলৰ মাননীয় সদস্য ভালেকেইজন ল'ৰা-ছোৱালীয়ে শিক্ষকক নমনা আদি কথা কৈছে। অলপতে আমাৰ মন্ত্ৰী মহোদয় নাজিৰালৈ গৈছিল। মই সেইদিনা এঘৰত বহি আছিলো কেইজনমান শিক্ষক আহি মোৰ লগত কথা পাতিছিল। এজন শিক্ষকে কথা প্ৰসঙ্গত

* Speech not corrected.

কলে যে তেখেত বহি থকাকোতে ঘৰৰ পৰা টেবুল এখন ছাত্ৰ কিছুমানে উলিয়াই নিছে অথচ তেখেতক সোধা নাই। এতিয়া দোষ কাৰ?

( সময়ৰ সংকেত )

এই দোষতো কাৰ বুলি ধৰা হব? ল'ৰা ছোৱালী উদণ্ড। কিন্তু আমাৰ গাতো দোষ। কোনে উচটাই দিছে? আমিয়ে দিছো। উদাহৰণ স্বৰূপে কব বিচাৰিছো হেডমাষ্টৰ এজনক সুধি পাব যে তেখেতৰ স্কুলত ভালকৈ পঢ়াব পৰা শিক্ষকজনৰ ক্লাচত ল'ৰা-ছোৱালী থাকেনে নাথাকে সেইটো বুজিব পাৰিব। নিজৰ জীৱনতে ঘটা ঘটনা আমি যেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়িছিলো। সেই সময়ত ইক'নমিকচৰ ক্লাচ ডঃ সাৰঙ্গপাণিৰ হলে আমাৰ কথা নাই আমি সোমাই পৰিছিলো কিন্তু আন এজন শ্ৰী সেনগুপ্তাৰ ক্লাচ হলে আমি কৰা নাছিলো। ইয়াত শিক্ষক সকলোৰো দোষ আছে। মোৰ নিজৰ কলেজতে পাইছো। যেতিয়া চাচ্‌পেণ্ড কৰা পিচত জইন কৰো ছাত্ৰ-ছাত্ৰী সকলক সুধিছিলো যে কিয় ইমান কম হাৰত পাচ কৰিলে। তেওঁলোকে শতকৰা বিশ হাৰত পাচ কৰা বুলি কৈছিল। বহুত ক্ষেত্ৰত দেখা যায় শিক্ষকসকলে কমন ৰুমত বহি থাকে আৰু তাৰ পৰা ক্লাচলৈ জুমি চাই থাকে। ক্লাচলৈ নাহে। এতিয়া ছাত্ৰ-ছাত্ৰীয়েও কমন ৰুমলৈ জুমি চাই থাকে। এই হ'ল অৱস্থা। এতিয়া ইয়াৰ পিচৰ অৱস্থালৈ আহিছো। ডিগ্ৰী বা এম-এ পৰ্য্যায়ত কি অৱস্থা হৈছে? এতিয়া তিনি বছৰীয়া কোৰ্চ প্ৰবৰ্ত্তন কৰা হ'ল কিন্তু এইটো শিক্ষা মন্ত্ৰী মহোদয়েও নিশ্চয় জানে যে সেই বিলাকৰ পাঠ্য পুঠি পাবলৈ নাই। শিক্ষকসকলেও সকলো বিলাক পঢ়াব নোৱাৰে। কিছুমান চিলেবাচ্য এম-এ বা এম-এচ-চিৰ পৰা আনি ডিগ্ৰী কোৰ্চতে সোমাই দিছে। সেইবিলাক পঢ়াবলৈ শিক্ষকে অসুবিধা পাবই। ডিব্ৰুগড় বিশ্ববিদ্যালয়েই কওক বা গুৱাহাটী বিশ্ববিদ্যালয়েই কওক ক'তো পাঠ্য পুথি নাই। এতিয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বিশিষ্ট বিষয়া শ্ৰীবৰাক উপাচাৰ্য্য কৰিছে। ঠিকমতে চলিলে ল'ৰা-ছোৱালী আগনাবাঢ়িব কিয়? এই কথা বিলাক আমি আলোচনা কৰিছোনে? মই ভাবো শিক্ষা মন্ত্ৰী মহোদয়ে ইয়াত ষ্টেটমেণ্ট দিয়াৰ সলনি গৈ তাতে কথা বিলাক আলোচনা কৰিব লাগে। এতিয়া আকৌ পাৰ্ট ওৱান টু আৰু থ্ৰি তিনিটা পৰ্য্যায়ত কৰা হৈছে। পাৰ্ট ওৱানত দুটা কোৰ্চ। নাম ভৰ্ত্তি কৰাৰ পিচতে পৰীক্ষা দিবলগীয়া হয়। পঢ়িবলৈ সময়ে নাপায়। ফলত ফলাফল বেয়া হয়। সেয়ে শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো এই বিলাকলৈ চকু দিব লাগে।

গুৱাহাটী বিশ্ববিদ্যালয়ত পৰীক্ষা কিছু ভাল হৈছে কিয়নো বছৰে বছৰে পৰীক্ষা নহয়। গতিকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ লগত কথা বতৰাপাতি এইটো কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, ছাত্ৰ-ছাত্ৰী সকলৰ সকলোৰে প্ৰায়ে স্বভাৱ চৰিত্ৰ একেই। কিন্তু তেওঁলোকক দোষ দিলেই নহ'ব। আমাৰ জীৱনত তেনে ঘটনা হোৱা নাই যিহকে কৈছো ছাত্ৰ-ছাত্ৰী সকলে শুনিছে।

( সময়ৰ সংকেত )

উদাহৰণ স্বৰূপে মই কব খুজিছো এজন শিক্ষকৰ ওচৰত অনাৰ্চৰ ক্লাচ কৰিবলৈ গৈ প্ৰথম দিনা ৰচনা খন লিখি দিয়াৰ পিচত পিচফালে চোৱাৰ কাৰণে শিক্ষকজনে 'কি চাইচ কুকুৰ, ঘূচিয়াই মুখ ভাঙিম' বুলি কৈছিল আৰু পিচত এজন আন শিক্ষকৰ ওচৰত গৈ অনাৰ্চ ক্লাচ লবলৈ গ'ল ল'ৰাজন। সেইজনে সুধিছে ক'ৰ পৰা আহিছে ? কোন কলেজৰ পৰা আহিছে আৰু ৰচনা লিখিবলৈ দিলে। বয়সস্থ শিক্ষক জনৰ ওচৰত অনাৰ্চ ক্লাচ কৰিবলৈ ধৰিলে। মই ৰচনা খন ৰাখি থৈছো। প্ৰথম কলেজত ভৰ্ত্তি হোৱাৰ দিনৰ ৰচনা। এই সকলোবিলাক চাব লাগিব।

( সময়ৰ সংকেত )

আৰু এটা সৰু কথা কব খুজিছো। অলপ দিনৰ আগতে ঘটা ঘটনা। নাজিৰা হায়াৰ চেকেণ্ডাৰি স্কুলত আঠটা শ্ৰেণীৰ ভিতৰত বিজ্ঞানৰ শিক্ষক মাত্ৰ দুজন। ইন্সপেক্টৰ চাহাবে বিজ্ঞান শিক্ষক নিযুক্তি দিয়া নাই।

( সময়ৰ সংকেত )

এই বিলাক কথা মন্ত্ৰী মহোদয়ে নজৰ কৰি চাব লাগে। উদাহৰণ স্বৰূপে নাজিৰা গাৰ্লচ হায়াৰ চেকেণ্ডাৰীত ইংৰাজীৰ শিক্ষক নোহোৱাকৈয়ে চলি আছে। এই বিলাক কথা অনুমান কৰিব লাগিব। ল'ৰা ছোৱালীয়ে পঢ়িব কেনেকৈ শিক্ষা বিভাগৰ পৰা এই বিলাকলৈ চকু ৰাখি ইন্সপেক্টৰ আৰু ইন্সপেকট্ৰেচনৰ সংখ্যা বঢ়াব লাগে। আমাৰ মেধাবী ল'ৰা ছোৱালী আছে। মোৰ নাতি ল'ৰা এজনে ৰুৰকি বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰ প্ৰথম হৈছে। ইংৰাজী মিডিয়ামত পঢ়া আৰু নপঢ়াৰ ফল ইয়াতে পোৱা যায়। বাপেকৰ নাম ৰমানাথ গগৈ। ইয়াতে ডি-পি-আই অফিচত কাম কৰিছিল। ইংৰাজী হলে ভাল হব নে নহলে বেয়া হব সেইটো নহয়। ল'ৰা-ছোৱালীৰ ৰাপ বহুৱাব লাগিব সেইটোহে আচল কথা। তেহে আমাৰ সমাজ খন ভাল হব এই খিনিকে

কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিছো। শিক্ষাৰ ক্ষেত্ৰত অহা এই গ্ৰাণ্টটো সমৰ্থন কৰিছো।

* শ্ৰীকুল বাহাদুৰ ছেত্ৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত বা শিক্ষাৰ মঞ্জুৰীৰ ক্ষেত্ৰত আমাৰ দলৰ ফালৰ পৰা যি সংশোধনী প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰি মই দুষাৰমান কব খুজিছোঁ। মানৱ জাতিক পোহৰলৈ আনিবৰ কাৰণে শিক্ষাব প্ৰয়োজন আছে। আমাৰ ৰাজ্যত এই শিক্ষাৰ কাৰণে কিমানদূৰ কি কৰিব পাৰিছে সেইটো চাব লগীয়া। বিশেষকৈ আমাৰ গাওঁ অঞ্চলত থকা মানুহখিনি শিক্ষাৰ ক্ষেত্ৰত বহুখিনি জৰাজীৰ্ণ অৱস্থাত আছে। আজি ৰাস্তাৰ কাষৰ স্কুল কিছু ভাল হলেও এতিয়াও গাওঁ অঞ্চলত থকা স্কুল বিলাকৰ অৱস্থা বৰ কষ্টদায়ক হৈয়ে আছে। এই ক্ষেত্ৰত সঘনে পৰিদৰ্শনৰ প্ৰয়োজন আছে। বাগানৰ ক্ষেত্ৰত বহু আলোচনা হৈছে, বাগানত যিবিলাক স্কুল আছে সেইবিলাক চৰকাৰে নিজৰ দায়িত্বলৈ আনিব লাগে। তাত বাগান কৰ্তৃপক্ষই সজাই দিয়া ঘৰদুৱাৰ আছে মাত্ৰ চৰকাবে নিজৰ হাতলৈ আনিব লাগে, তেতিয়াহে বাগানৰ লৰা ছোৱালী বিলাক পঢ়া শুনাত ভাল হব বুলি মই ভাবো। যোৱা বাৰ আমি বিশেষকৈ বিৰোধী দলৰ সদস্য সকলৰ সমষ্টিত বিল্ডিং গ্ৰাণ্টৰ টকা নাপালোৱেই। এই সম্বন্ধে ইতিমধ্যে আলোচনা হৈছেই। এইবাৰ অৱশ্যে মুখ্যমন্ত্ৰী মহোদয়ে দিয়া হব বুলি কৈছে। এইবাৰ ভগা ছিগা স্কুলৰ ক্ষেত্ৰত যি লিষ্ট তৈয়াৰ কৰা হৈছে তাত অলপ বৈষম্যমূলক হবনেকি যেন অনুমান হৈছে। শাসকীয় দলৰ সদস্য সকলক যি দৰে চোৱা হৈছে সেই দৰে আমাক চোৱা নাই তেনে এটা ধাৰণা হৈছে। আমাৰ সদস্য সকলকো জানিবলৈ দিব লাগিছিল। সমষ্টি এটাৰ ভিতৰত কিমান স্কুল আছে কি অৱস্থাত আছে সেইটো স্থানীয় বিধায়ক জনে বেছি ভালকৈ জানে। এই ক্ষেত্ৰত আমি এটা সন্দেহ কৰিছো এই কাৰণেই যে যোৱাবাৰ আমি মুঠেই ১২ খন পালো কিন্তু শাসকীয় দলৰ সদস্যই তাতকৈ বহু বেছি স্কুল পাইছে। স্কুলৰ ক্ষেত্ৰত সকলো লৰা ছোৱালীয়ে পঢ়ে তাত বিৰোধ বা শাসক দলৰ লৰা ছোৱালী বুলি কোনো কথা নাই।

উপাধ্যক্ষ মহোদয়, মই যোৱাবাৰো কৈছিলো যে আমি নৈতিক শিক্ষাৰ ক্ষেত্ৰত বেছি জোৰ দিব লাগে। এই ক্ষেত্ৰত যদি জোৰ দিয়া নহয় তেতিয়া

* Speech not corrected.

হলে আমি বস্তু বা লক্ষ্যৰ পৰা পিচপৰি থাকিব লাগিব। সেই কাৰণেই প্ৰাথমিক পৰ্য্যায়ৰ পৰা বিশ্ববিদ্যালয়লৈকে এই নৈতিক শিক্ষাৰ ওপৰত জোৰ দিব লাগে। আকৌ প্ৰাপ্তবয়স্ক শিক্ষাৰ ক্ষেত্ৰতো যথেষ্ট টকা পইচা খৰছ কৰা হৈছে, কিন্তু সেই বিলাক ঠিক ঠিকভাবে খৰচ হৈছে নে নাই আৰু যি উদ্দেশ্যত টকা খৰচ কৰা হৈছে সেই মতে বয়সস্থ মানুহক শিক্ষিত কৰি তুলিব পাৰিছোনে নাই সেই বিষয়ত আকৌ এবাৰ চোৱাৰ প্ৰয়োজন আছে। কাৰণ শিক্ষা সকলোৰে কাৰণে। তাত কোনো দলৰ প্ৰশ্ন নাই। শিক্ষা শিক্ষাই। ছাৰ, আপুনিও জানে আৰু মই যোৱা বাৰো কৈছিলো আৰু পাকে প্ৰকাৰান্তৰে এই দাবী মঞ্জুৰী শাসক দলৰ সদস্য সকলে সমৰ্থন কৰিছে যদিও তেখেতসকলৰ আলোচনাত বহু কথাই ওলাই পৰিছে যে স্কুল বৰ্ডৰ বিষয়টো। মহকুমা পৰ্য্যায়ত যি বিলাক স্কুল বৰ্ড আছে সেই ক্ষেত্ৰত কিছু ব্যতিক্ৰম হ'ল। আগৰ কোনো চৰকাৰৰ দিনত বিৰোধী দলৰ সদস্য সকলকো বৰ্ডত সদস্য কৰা হৈছিল। কিন্তু এতিয়াৰ এই চৰকাৰ অহাৰ পিচত এই ক্ষেত্ৰত ব্যতিক্ৰম হ'ল। এই বৰ্ড বিলাকত নিয়োগৰ ক্ষেত্ৰত পক্ষপাতিত্ব কৰা যেন ধাৰণা হৈছে। আমি দেখিছো নিয়োগৰ ক্ষেত্ৰত অসমৰ বহু কেইটা সম্প্ৰদায়ৰ লোক আছে তেওঁলোকৰ প্ৰাৰ্থীসকল এই ক্ষেত্ৰত যথেষ্টখিনি পক্ষ-পাতিতা কৰা যেন হৈছে। স্থানীয় হিচাপে সকলোকে সমানে নিযুক্তিৰ সুবিধা দিয়া হলে ভাল আছিল। মই অকল শিক্ষাৰ ক্ষেত্ৰতে সকলো বিভাগৰ ক্ষেত্ৰতে কথাটো কৈছো। বিভিন্ন বাতৰি কাকততো এই বিলাক খেলি মেলিৰ কথা ওলাই আছে। তাৰ পিচত আমাৰ ইউনীফৰ্ম আৰু কিতাপ পত্ৰৰ ক্ষেত্ৰত কওঁ লৰা ছোৱালীবিলাকে সময়মতে সেইবিলাক নাপায়। গতিকে এইবিলাক যাতে সময়মতে পোৱা যায় চৰকাৰে সেইটো চাব লাগে। আৰু এটা কথা বিশেষকৈ চাব লাগে যে শিক্ষাক আগবঢ়াই নিবৰ কাৰণে নৈতিক শিক্ষাৰ ওপৰত যথেষ্ট জোৰ দিব লাগে। সেই পৰামৰ্শকে মই আকৌ এবাৰ দোহাৰিছো আৰু মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো এইটো যাতে চায়। নহলে আমি যিমান শিক্ষাই নলওঁ কিয় যদি আমাৰ মূল বস্তুটো নৈতিক শিক্ষা নাথাকে তেনেহলে নিজৰ নিজৰ দায়িত্ব লব নোৱাৰে তেনেহলে যিমান শিক্ষা হব বুলি আমি আশা কৰিছিলো সিমানখিনি নহব বুলি ভাবিছো। শিক্ষাৰ ক্ষেত্ৰত গাওঁ অঞ্চলত বেছি জোৰ দিয়াৰ প্ৰয়োজন আছে। সেই বিলাক ঠাইত আমাৰ শিক্ষা বিভাগৰ বিষয়াসকল সঘনে গৈ পৰিদৰ্শন কৰিব লাগে। অৱশ্যে

কিছুমান ঠাইত ৰাস্তা ঘাটৰ অসুবিধা আছে তথাপিও সকলো বিলাক সমস্যাৰ ওপৰত জোৰ দি শিক্ষাক আগবঢ়াই নিয়াৰ চেষ্টা কৰিব লাগে। সেয়ে মই সকলো বিভাগৰ মন্ত্ৰী সকলকো এই ক্ষেত্ৰত অনুৰোধ কৰিছো সকলোৱে যাতে এই অসুবিধা সমূহ আন্তৰিকতাৱে দূৰ কৰিবলৈ চেষ্টা কৰে।

এইখিনিকে কৈ মই আমাৰ দলৰ ফালৰ পৰা সংশোধনী প্ৰস্তাৱ.টো সমৰ্থন কৰিছো আৰু শেষত আকৌ এবাৰ গাওঁ অঞ্চল আৰু চাহ বাগান অঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত জোৰ দিবলৈ চৰকাৰক টানি অনুৰোধ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

* শ্ৰীৰবীন শইকীয়া : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী দেৱে যি ৩১৬ কোটি ১০ লাখ ৭৫ হাজাৰ টকাৰ দাবী মঞ্জুৰী বিচাৰিছে সেই দাবী মঞ্জুৰীক সমৰ্থন জনায় মই দুষাৰমান কব বিচাৰিছো। আপোনা-লোকে যদি চালি জাৰি চাই তেনেহলে আগৰ তুলনাত শিক্ষা বিভাগ বা শিক্ষা জনসাধাৰণৰ কাষচাপি গৈছে আৰু জনসাধাৰণেও শিক্ষাৰ কাষ চাপি গৈছে। ৰাষ্ট্ৰীয় পৰ্য্যায়ত শিক্ষিতৰ হাড় ৩৬.২ আৰু সেই তুলনাত আমাৰ অসমত ২৬। আজি বহু বছৰ ধৰি শিক্ষাক প্ৰতাড়না কৰি আহিছে, এই কথা সকলোৱে জানে। আমাৰ গাৱেঁভুৱে থকা দুখীয়া জনসাধাৰণ কৃষিজীৱি। তেওঁলোকৰ অৰ্থনৈতিক অৱস্থালৈ লক্ষ্য কৰিলে দেখিব আমাৰ যিবিলাক গাওঁৰ প্ৰাথমিক বিদ্যালয় আছে বা হাইস্কুল আছে সেই স্কুল সমূহত দুবেলা দুমুঠি খাব নোপোৱা দুখীয়া নিচলা মানুহে অশেষ কষ্ট কৰি প্ৰতিষ্ঠা কৰিছে তাৰ বিনিময়ত চৰকাৰে মাত্ৰ সামান্য ব্যৱস্থা লৈছিল। অসমত গণ পৰিষদ চৰকাৰ অহাৰ পাছত আমাৰ চৰকাৰৰ শিক্ষা দপ্তৰে অৰ্থাৎ শিক্ষা মন্ত্ৰী মহোদয়ে এই কথা ভালদৰে অনুভাবন কৰি প্ৰাথমিক শিক্ষা ৰাইজৰ ওচৰলৈ লৈ যাব বিছাৰিছে সেই উদ্দেশ্যৰে অসমত ইতিমধ্যে ৭ হাজাৰখন প্ৰাথমিক বিদ্যালয় নিৰ্ম্মান কৰা হৈছে। প্ৰাথমিক বিদ্যালয় সমূহত যাতে সৰু সৰু লৰা ছোৱালীয়ে সুশিক্ষা লাভ কৰিব পাৰে সেই উদ্দেশ্যৰে এই বিদ্যালয় সমূহ নিৰ্ম্মান কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা ৮ কোটি টকাৰে এই কাম বিলাক কৰা হৈছে। এতিয়া প্ৰাথমিক বিদ্যালয় সমূহে বহুত উন্নতিৰ পথত খোজ দিছে। কিন্তু লগে লগে মই শিক্ষা মন্ত্ৰী মহোদয়ক এটা কথাত অনুৰোধ কৰিব বিচাৰিছো বিদ্যালয় সমূহত আমাৰ সৰু সৰু লৰা ছোৱালী বিলাকে ঢাৰিপাতি আৰু বস্তা নিয়াৰ ব্যৱস্থা আছে সেই ব্যৱস্থা নাইকীয়া কৰিব লাগে।

আজি ইমান বছৰে অনমৰ শিক্ষা ব্যৱস্থাক আমাৰ ঐতিহাসিক যিবিলাক কাৰুকাৰ্য্য সেইবিলাকক আওকান কৰি অহা হৈছিল, সেইবিলাকত চকু দিয়া নাছিল। কিন্তু গণ পৰিষদ চৰকাৰ অহাৰ পাচত এইটো গৌৰৱৰ কথা যে কেইটামান উল্লেখযোগ্য কাম কৰা হৈছে। আমাৰ প্ৰাচীন কীৰ্ত্তিচিহ্ন সংৰক্ষনৰ ব্যৱস্থা কৰা হৈছে ঠায়ে ঠায়ে আৰ্কোলোজিকেল পাৰ্ক বনোৱা হৈছে। এই বিলাকৰ দ্বাৰা ঐতিহাসিক পৰম্পৰা সংৰক্ষনৰ দিহা কৰা হৈছে। আহোম ৰজা সকলৰ, স্বৰ্গদেউ সকলৰ মৈদাম যোগিজান নাজিৰা উত্তৰ গুৱাহাটীত বুৰঞ্জীৰ পৰম্পৰা সংৰক্ষনৰ কাৰণে পাৰ্ক বনোৱা হৈছে। লগতে আমাৰ ব্ৰহ্মপুত্ৰৰ উপত্যাকাৰ যি গৌৰৱ উজ্বল সভ্যতাৰ নিদৰ্শন আমবাৰীৰ খনন কাৰ্য্য ১৫ বছৰ পাছত পুনৰ আৰম্ভ কৰিবলৈ লৈছে। এইবিলাক বিশেষ আচনি লোৱাৰ কাৰণে মই আমাৰ চৰকাৰক ধন্যবাদ জনাইছো। লগতে মই এটা কথা কব বিচাৰিছো আমাৰ বাজেটত যি টকা ধৰা হয় মন্ত্ৰী সকলে যি দাবী মঞ্জুৰী উতথাপন কৰে সেই মঞ্জুৰী গৃহিত হোৱাৰ পাছত বিষয়া সচিৱ সঞ্চালক সকলোকে আৰম্ভ কৰি বিভিন্ন বিষয়া সকলে টকা পইচা খৰছ কৰাৰ আচনি প্ৰস্তুত কৰে আৰু সেই হিচাবে তেখেত সকলৰ এটা দায়িত্ব আহি পৰে গতিকে তেখেত সকলে বিভিন্ন উন্নয়নমূলক আচনি ভাল ধৰণে বিবেচনা কৰা উচিত। বিভাগ বিলাকে যাতে ভাল কাম কৰিব পাৰে তাৰ কাৰণে বিভাগ বিলাকৰ মূৰব্বী বিলাকে সঠিক দৃষ্টি ৰাখিব লাগে। এই ক্ষেত্ৰত আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে বিষয়া সকল দূৰ্নীতিগ্ৰস্ত হৈছে বুলি অভিযোগ আনিছে, মন্ত্ৰী সকলেও দূৰ্নীতি পৰায়ণ বিষয়া সকলক শাস্তি দিয়া নাই বুলি অভিযোগ আনিছে। এই কথাটো মোৰ বোধেৰে সত্য নহয় আগৰ তুলনাত আমাৰ চৰকাৰে শতকৰা ৯৫ ভাগ দূৰ্নীতিমুক্ত কৰিব পৰা ব্যৱস্থা হৈছে। মই কেইটামান উদাহৰণ দিব বিছাৰিছো বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰতে কৈছো দূৰ্নীতিগ্ৰস্থ বিষয়া কৰিমগঞ্জৰ ডি আই আৰু এজন এল দি, ইউ দি নিলম্বিত কৰা হৈছে, কোকোৰাঝাৰৰ ডি আই. এচ. আইক ইতিমধ্যে নিলম্বিত কৰা হৈছে, উত্তৰ লক্ষীমপুৰৰ এ ডি আইক নিলম্বিত কৰা হৈছে, গোলাঘাটৰ ডি আই জনক এল টি চিৰ টকা সংক্ৰান্তত অভিযোগ উঠাত নিলম্বিত কৰা হৈছে। ডি পি আই অফিছৰ এজন জইন্ট ডিৰেক্টৰ আৰু এজন নিম্ন বৰ্গৰ সহায়কক নিলম্বিত কৰা হৈছে। গতিকে দূৰ্নীতিগ্ৰস্থ বিষয়া সকলৰ ওপৰত ষ্টেপচ্ লোৱা হৈছে এইটো বৰ আৰনীয় কথা। এই ক্ষেত্ৰত মই এটা কথা

কৈ থোৱা ভাল হব আমাৰ ভালেকেইজন মাননীয় সদস্যই কৈছে যে ডি পি আই অফিছলৈ ৫ হাজাৰ টকাৰ এটা মঞ্জুৰী ৫ হাজাৰ টকাই খৰছ হয়। আমি ৰাইজৰ প্ৰতিনিধি হিচাবে ৰাইজৰ বিভিন্ন কামত সচিবালয় বা ডি পি আই অফিহতে হওক বা অন্য অফিহত যাবলগীয়া হয় কাৰণ আমি বিষয়া সকলক মাতি আনিব নোৱাৰো তেনে অৱস্থাত আমি যেতিয়া বিভিন্ন বিভাগলৈ গৈছো আমাক বহুতে লাঞ্চিত কৰিছে। গতিকে তেনে ব্যৱস্থা যাতে নহয় তাৰ কাৰণে শাসনযন্ত্ৰ কটকটীয়া কৰিব লাগে। এটা কথা ঠিক যে বহুতখিনি দুৰ্নীতিমুক্ত কৰিবলৈ চেষ্টা কৰা হৈছে। (সময়ৰ সংকেট)

উপাধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত যিখিনি টকা বিছৰা হৈছে সেই সংক্ৰান্তত বিৰোধী পক্ষই যি কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটো উঠাই লব লাগে কাৰণ শিক্ষাৰ ক্ষেত্ৰত বহুত কাম হৈছে। প্ৰাথমিক স্কুল বনোৱাৰ পাছত এতিয়া হাইস্কুল সমূহ বনাবলৈ লোৱা হৈছে। শিক্ষাৰ ক্ষেত্ৰত টকা কাতিৰ নালাগে বেছিহে দিব লাগে। যোৱা দুটা বছৰত যিমানখিনি কৰা হৈছে সেই তুললাত কৰ্ত্তন প্ৰস্তাৱ আহিব নালাগিছিল।

(সজোৰে সংকেট ধ্বনী বাজি উঠে)

এইখিনিকে কৈ মই দাবী মঞ্জুৰী সমৰ্থন জনায় বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীদেব কুমাৰ বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৮৮-৮৯ চনৰ বাজেটৰ দাবী মঞ্জুৰীৰ ওপৰত আলোচনা আৰম্ভ হৈছে আৰু শিক্ষাৰ শিতানত শিক্ষা মঞ্জুৰীৰ যি দাবী উত্থাপন কৰা হৈছে তাৰ ওপৰত সমৰ্থন জনাই দুষাৰ কবলৈ আগবাঢ়িছো। ৪০ বছৰ পাৰ হৈ গ'ল, স্বাধীন ভাৰতৰ যি শিক্ষাৰ বুনিয়াদ পৰিকল্পনা কৰা হৈছিল আৰু তাৰ লগতে ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ প্ৰদৰ্শিত অৰ্হিৰে ভাৰতবৰ্ষৰ শিক্ষা নীতিৰ সুচনা কৰা হৈছে। আজি অসমত যি শিক্ষাৰ পৰিবেশ, এই পৰিবেশটোক উন্নত কৰাৰ অৰ্থে আমাৰ নতুন চৰকাৰে বহুতো উল্লেখনীয় দিশ সামৰি বহুখিনি পদক্ষেপ লৈছে যি খিনিৰ কাৰণে আমাৰ চৰকাৰক প্ৰশংসা নকৰিলে সত্যৰ অপলাপ কৰা হব। সেইকাৰণে মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২টা বছৰত আমাৰ চৰকাৰে আমাৰ শিক্ষা বিভাগে ২৩টা উল্লেখনীয় কাম কৰিছে বুলি মই এই সদনত উল্লেখ কৰিব বিচাৰিছো। এই ২৩ টা উল্লেখনীয় কামে ইয়াকে প্ৰতিপন্ন কৰে

* Speech not corrected.

যে আমাৰ চৰকাৰে শিক্ষাৰ প্ৰতি গুৰুত্ব সহকাৰে বিবেচনা কৰি শিক্ষাৰ ক্ষেত্ৰত সকলো দিশকে সামৰি লৈ আগবাঢ়ি যোৱাৰ কাৰণে মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো আৰু শিক্ষাৰ লগত সম্পৰ্কীয় শিক্ষা বিভাগত থকা কেতবোৰ আওপকীয়া আৰু কেৰোণমূলক ব্যৱস্থা নিয়ন্ত্ৰন কৰাৰ কাৰনে শিক্ষা বিভাগৰ ভিতৰুৱা কথা ইয়াত উল্লেখ কৰিব বিচাৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, মই কব বিচাৰিছো আমাৰ অসমত ২৬ হাজাৰ খন প্ৰাথমিক স্কুল আছে আৰু দুবছৰ আগতে এইস্কুল বিলাকৰ অৱস্থা অত্যন্ত শোচনীয় আছিল। এই স্কুল বিলাকৰ অৱস্থা এনেকুৱা আছিল যে কৰবাত বেৰ নাই, কৰবাত চালনাই, কৰবাত সেৰ নাই, কৰবাত বেঞ্চ, চকী নাই, কৰবাত ব্লেক বোৰ্ড নাই, কৰবাত খুটা নাই, এনেকুৱা এটা শোচনীয় অৱস্থা আছিল। তাৰোপৰি কোনোবা স্কুলত ৩ জন শিক্ষক, কোনোবা স্কুলত ১৪ জন শিক্ষক আকৌ কোনোবাত হয়তো এজন শিক্ষক এনেদৰেই এই স্কুল বিলাক চলি আছিল। ইমান এটা দূৰ্যোগপূৰ্ণ পৰিবেশ আতৰ কৰিবৰ কাৰনে এই চৰকাৰে কিমান কষ্ট ভোগ কৰিব লগীয়া হৈছে আৰু কিমান কষ্টৰ প্ৰয়োজন হৈছে সেই খিনিলৈ বিৰোধী পক্ষৰ দৃষ্টি গোচৰ হোৱা নাই। যোৱা দুবছৰে চৰকাৰে ৭ হাজাৰ খন প্ৰাথমিক বিদ্যালয়ৰ গৃহ নিৰ্মানৰ কাৰণে ৬১ হাজাৰ ৫০০ টকাকৈ অনুদান দিয়াটো এটা নতুন পদক্ষেপ লৈছে আৰু ই অতি প্ৰশংসনীয় কাম হৈছে। এই বছৰ মই গম পাইছো আঢ়ৈ হাজাৰ খন প্ৰাথমিক বিদ্যালয়ৰ কাৰণে গৃহ নিৰ্মানৰ অনুদান দিয়া হব। এইটো এটা নতুন সুচনাৰ আৰম্ভ হৈছে। এই গোটেই বিষয় বিলাক ৪০ বছৰে যিখিনি কাম নকৰি আজি ইয়াত এই বাজেট আলোচনাত বিৰোধী পক্ষৰ সদস্য সকলে কেৱল হাই হাই খাই খাই নকৰি আঢ়ৈ বছৰৰ যি উল্লেখনীয় পদক্ষেপ ভাৰতবৰ্ষৰ ভিতৰতে পিচপৰা অসমৰ নিচিনা ৰাজ্য এখনত যে লব পৰা হ'ল তেনে কথা ইয়াত উল্লেখ নকৰাতো বিৰোধী পক্ষ্যৰ দূৰ্ব্বলতাৰ পৰিচয় বুলিব পাৰি। শিক্ষা বিভাগক সমালোচনা কৰাৰ ক্ষেত্ৰত বিৰোধী পক্ষ্যৰ সদস্য সকলে কোনো যুক্তিমুলক তথ্য ডাঙি ধৰিব পৰা নাই মাত্ৰ চালে বেৰে কোবোৱা কথাৰেহে সময় খিনি পাৰ কৰিছে বুলি মই কব পাৰো। ২৬ হাজাৰ খন স্কুলৰ ১০ হাজাৰ খন স্কুলৰ ঘৰ নিৰ্ম্মাণ হব আৰু বাকীখিনিয়ো যে সময় মতে হৈ উঠিব সেইটো আমি আশা কৰিব পাৰো। এইটো উল্লেখনীয় পদক্ষেপ আৰু তাৰ কাৰণে মই চৰকাৰক

বিশেষ ভাবে ধন্যবাদ জনাইছো। তাৰ লগতে ৩৯.০২ লাখ টকাৰ কিতাপ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ কাৰণে বিশেষকৈ সপ্তম মান শ্ৰেণীলৈকে পঢ়া ছাত্ৰ-ছাত্ৰীক দিয়া হ'ল। এইটো এটা নোহোৱা নুপুজা কথা। যি সকলে আগতে কিতাপৰ অভাৱত স্কুললৈ যাব পৰা নাছিল আৰু স্কুলত যোৱাৰ পৰিবৰ্তে হোটেলত বা আনৰ ঘৰত বন কৰি কাহী-বাতি ধুব লগা হৈছিল ১৪ বছৰৰ তলৰ লৰা-ছোৱালীৰ, আজি এই পৰিৱেশ যাতে নাথাকে তেনে এটা ব্যৱস্থা কৰিব খোজা হৈছে। এইবিলাকনো কি বেয়া হৈছে? ১৯৪৮ চনৰ এল, পি স্কুলৰ বৃত্তিৰ হাৰ আছিল মাত্ৰ ৫ টকা। আজি ১৯৪৮ চনৰ পৰা কোনো এজন বুদ্ধিজীৱীয়ে বা কোনো চৰকাৰে বা কোনো লোকে এই বৃত্তিৰ হাব বঢ়াব লাগে বুলি পৰামৰ্শ আগবঢ়োৱা নাছিল অথচ আজি যি সময়ত চাউল ইত্যাদি সামগ্ৰীৰ দাম বাঢ়ি গৈছে এই ৫ টকা বৃত্তিৰ হাৰৰে কি কামত আহিব। কিন্তু আমাৰ চৰকাৰে এই বৃত্তিৰ হাৰ ৫ টকাৰ পৰা ১৫ টকালৈ বৃদ্ধি কৰিলে। তাৰ লগতে মই কব বিচাৰিছো এম, ই স্কুলৰ বৃত্তিৰ হাৰো ৩০ টকা কৰা হৈছে। এইটোয়ো কব বিচাৰিছো যে ১৫ টকা যথেষ্ট বুলি কব নোৱাৰি, ইয়াক ২৫ টকালৈ বৃদ্ধি কৰিলে বেচি উদ্বগনিমূলক হব। তাৰোপৰি ১০০ খন মিচিং স্কুলত মিচিং ভাষা প্ৰয়োগ কৰা হৈছে আৰু ৫০ খন প্ৰাথমিক বিদ্যালয়ত ৰাভা ভাষা প্ৰয়োগ কৰা হৈছে। এই কাম বিলাক এনেকুৱা ধৰণে কৰা হৈছে, এইবিলাক কি বেয়া কাম হৈছে? প্ৰতিখন শিক্ষানুষ্ঠানক ৩ খনকৈ ৰেকৰ্ড যোগান ধৰা হৈছে। গতিকে এইটো নিশ্চয় ভাল কাম হৈছে। প্ৰভিনচিয়েলাইজদ প্ৰাইমাৰী স্কুলৰ শিক্ষকৰ কাৰণে পেন্সনৰ ব্যৱস্থা কৰা হৈছে। এইকামটো কি বেয়া কাম কৰা হৈছে নেকি? ৩২ হাজাৰ জন স্কুল শিক্ষকক স্কুলত কেনেকৈ পাঠ দান কৰিব লাগে তাৰ কাৰণে বিশেষ ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰা হৈছে। বৃটিছৰ দিনৰে পৰাই অকল নৰ্মাল স্কুল আৰু বি, টি কলেজতহে এনেকুৱা ট্ৰেইনিংৰ ব্যৱস্থা আছিল কিন্তু সেইবিলাক পৰবৰ্ত্তি কালত অবনমিত হ'ল। ২৫ বছৰ আগতে স্থাপন কৰা বি, টি কলেজত এনুৱেল ৰিপিয়েৰীং গ্ৰাণ্ট, চাইন্স ইকুইপমেণ্ট ইত্যাদি Free Text Books, Science equipment দিয়া নাই। তাত আজি ইমান বছৰে চুণ দিয়া হোৱা নাই। এতিয়া ১৮২ লাখ টকা কেবল শিক্ষকৰ ট্ৰেইনিংৰ কাৰণে ধাৰ্য্য কৰা হৈছে আৰু ইয়াৰ কাৰণে যিটো ব্যৱস্থা লোৱা হৈছে ই প্ৰশংসনীয় কাম হৈছে। তাৰ লগতে প্ৰতিজন শিক্ষকক হাত-পুথিৰ যোগান ধৰা হৈছে যাতে শিক্ষক

সকলে উপযুক্ত শিক্ষা প্ৰদান কৰিব পাৰে। ইয়াৰ আগতে কোনো শিক্ষককে হাত পুথি দিয়া নাছিল। এই বিষয় বিলাকৰ কোনেও খবৰ লোৱা নাই। যদি খোজ-খবৰ কৰিলেহেতেন তেতিয়া হলে এইবিলাক গম পালেহেতেন, খবৰ নোলোৱাৰ কাৰণে শিক্ষা মন্ত্ৰীৰ গাত দোষ নাথাকে। ইয়াৰ উপৰিও জুনিয়ৰ আৰু চিনয়ৰ হিন্দী শিক্ষক সকলৰ বহুদিন ধৰি ৰিভাইজ নোহোৱাকৈ থকা পে-স্কেল ৰিভাইজন কৰা হ'ল। তাৰোপৰি কৃষ্ণকান্ত সন্দিকৈ মেমৰিয়েল প্ৰাইজ এটা ইন্ট্ৰডিউচ কৰা হ'ল। তাৰোপৰি ইঞ্জিনিয়াৰীং কলেজত চয়েল টেষ্টিং বিষয় খোলা হ'ল। আজি বান নিয়ন্ত্ৰন বিভাগ আছে কিন্তু এই বিষয়ৰ বিশেষজ্ঞৰ অভাৱ। ইঞ্জিনিয়াৰীং কলেজত টেকনলজীৰ নতুন চাৰজেণ্ট খোলা হ'ল —এই বিষয় বিলাকে আমাৰ ইয়াত এটা নতুন কাৰিকৰী শিক্ষাৰ পৰিবেশ সৃষ্টি কৰিছে।

মাননীয় উপাধ্যক্ষ : আপুনি শেষ কৰক।

শ্ৰীদেব কুমাৰ বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, মই শিক্ষাৰ ক্ষেত্ৰত এটা পৰামৰ্শ দিব বিচাৰিছো। শিক্ষাৰ ক্ষেত্ৰত ইমান এটা অভাৰলোত বাজেট Much of the total budget is spent in Education. সেইকাৰণে ইমান এটা বৃহত আকাৰৰ বিভাগ হোৱাৰ কাৰণে ইয়াৰ মেনেজমেণ্ট প্ৰক্ৰিয়াটো শুদ্ধ ভাবে পৰিচালিত কৰিবৰ কাৰণে কেইটামান 'জোনাল দিভিজন' কৰিব লাগে, কাহিলীপাৰাতে আবদ্ধ নাৰাখি গোটেই অসমত ৪/৫ টা মান জোনাল ডিভিজন কৰি ভাগ ভাগ কৰাৰ ব্যৱস্থা কৰিব লাগে। নহলে শদীয়াৰ পৰা ইয়ালৈ আহি আহি পল্টন বজাৰৰ হোটেলত কেবাদিনো দৰ্মহাটো নিবলৈ বা অন্যান্য কামৰ কাৰণে কষ্টভোগ কৰিব লগীয়া হয়। এই দৰেই শিক্ষক সকল জুকলা হৈ আছে। মই যোৱা বাৰো বাজেট অধিৱেশনত এই পৰামৰ্শ দিছিলো। মই আগতেও কৈছো আৰু এতিয়াও কৈছো যে শিক্ষা বিভাগৰ যি বোৰ এই বাৰ দি:চণ্ট্ৰেলাইজ নকৰে তেতিয়া হলে এনেদৰেই থাকিব। এই লোভ নাইকিয়া কৰিবৰ কাৰণে ৪।৫ টা দিভিজন খুলি শিক্ষা বিভাগৰ প্ৰশাসনটো নতুনকৈ গঢ়ি তুলিব লাগে। তেতিয়াহে আমাৰ শিক্ষাৰ এটা নতুন দিশ আহিব।

ইয়াৰ উপৰিও হিউমেন ৰিচাৰ্চ ডেভেলপমেণ্ট বুলি এটা বিভাগ কেন্দ্ৰীয় চৰকাৰৰ মিনিষ্ট্ৰিত আছে। সেই বিভাগৰ ভিতৰতে শিক্ষা বিভাগটো সোমাই আছে। This Human resource Development is included

with Education Department. আজি সেই কাৰণে আমাৰ ৰাজ্যত ভেটেনাৰী, এগ্ৰিকালচাৰ, ইঞ্জিনীয়াৰিং ইত্যাদি বিভাগ বিলাকত কিমান বিশেষজ্ঞৰ প্ৰয়োজন সেইদৰে স্বাস্থ্য বিভাগত কিমান ডক্টৰৰ প্ৰয়োজন আছে তাৰ কোনো নিৰ্দ্দিষ্ট পৰিকল্পনা নাই। ফলত দুই হাজাৰ চনলৈকে অসমত ভেটেনাৰী ডাক্তৰ দিব পৰাকৈ ডাক্তৰ উলিয়াব পৰা নহব। কৃষি বিশ্ববিদ্যালয়ে দুই হাজাৰ চনলৈ প্ৰয়োজন অনুসাৰে ভেটেনাৰী ডাক্তৰ উলিয়াব নোৱাৰে। এই বিষয়টো অনুধাবন কৰি চালে দেখা যায় আমি যদি হিউমেন ৰিচাৰ্চ লেবাৰৰ নিচিনাকৈ এটা প্লেনিং বোৰ্ড গঠন কৰো আৰু তাত শিক্ষা বিভাগৰ শিক্ষাবিদ, বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য কেইজন, ইঞ্জিনীয়াৰিং কলেজৰ প্ৰিনচিপাল, মেডিকেল কলেজৰ প্ৰিনচিপাল আৰু তাৰোপৰি অন্যান্য শিক্ষানুস্থানৰ মুৰব্বী সকলক লৈ একচন প্লেন a Comprehensive planning with the planning Board তেতিয়াহলে এই ক্ষেত্ৰত আমি বহুখিনি আগবাঢ়িব পাৰিম সেইদৰে আজি আমাৰ ইয়াত চিভিল ইঞ্জিনীয়াৰিং পাচকৰা লৰাই চাকৰি বিচাৰি ঘূৰি ফুৰিছে। চিভিল ইঞ্জিনীয়াৰিংৰ চাকৰিৰ সুবিধা নোহোৱা হ'ল। আন হাতেদি ইলেকট্ৰনিকচৰ স্কোপ আছে আৰু চাকৰিও আছে। কিন্তু চাবজেক্টটো আমাৰ ইয়াত নাই। গতিকে এই চিলাবাচটো গতানুগতিক ভাবে চলি থাকিলে ই বাধাগ্ৰস্ত হৈয়ে থাকিব। গতিকে চিলেবাচখন সলৰ্নি কৰিব লাগে। আই, টি, আই আৰু যোৰহাট প্ৰিঞ্চ অৱ ওৱেলচ্‌ত নতুন চাবজেক্ট খুলিব লাগে। সেই কাৰণে হিউমেন ৰিচাৰ্চ বোৰ্ড গঠন কৰিবলৈ পৰামৰ্শ দি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now honourable member Shri Abdul Muhib Majumdar.

* Shri Abdul Muhib Majumdar : Mr. Deputy Speaker Sir, it is fantastic to propose to get the highest amount i. e. Rs. 316 erores and odd in the Education Department Budget. Sir, there is no denying the fact that the Education is most important aspect of our life and particularly, after the present Government has been installed, the entire

---

* Speech not corrected,

educational system, the education institutions had acquired new syllabus. Sir, I have been known as an Advocate but I have been a teacher myself for long 26 years and having been with the students all these years I share the feelings and I agree with Shri Bora regarding some of the suggestions which he had elaborated just now. Possibly we failed to seisze up the students problem. But now we have got the Ministers right from the students community. We have now got the Ministers who were students till the other day. They will be able to appreciate the students problem more than we did in our time. Now, let us take the stock of the situatiou during the last 2 years. I agree with Shri Bora regarding the success of 23 points which he has just mentioned. That is very good. there may be some more. The entire approach towards the students' community has to be different and there must be some fundamental change. We have been hearing of the students indiscipline but now we hear of the teachers' indiscipline. We are shocked to hear such news. You must have heared the other day that the Vice of Chancellor of the Dibrugarh University was going to be attacked by the teachers. Sir, this is a new phenomenon in the history of Assam Education Department that a Principal or a Vice Chancellor is being threatened by the teachers and this is the example set down by the students. Now those who are students they will be teachers tomorrow. These teachers will be changed by the students tomorrow and ultimately the changing will end upon with the Education Minister, the Education Minister being changed by the State Minister of Education. I am not elaborating

in that. Sir, we must get the reactions given by some of the intellectuals. In this connection, I would like to mention that a retired State Police chief, the retired chief of Police has given two suggestions, He has mentioned two reasons for indiscipline amongst the students community. He says that there is lack of supervision on the part of the parents of the students, that is alright but the second point he has given is that there is no attempt on our part to control them, we have completely diverted the students community from religious education. I very much appreciate the suggestion coming from a state Police chief, who dealt with law and order situation ........

But why should we completely detach the students from the religious education. Why not our Education Department ask our intellectuals to write books on different religions? Students should have some knowledge of different religions other than their own. So, some books composed of all the religious ideals should be prescribed for the students. I would urge upon the Education Minister to look into this aspect of education also. Sir, when I was a Minister I attended a school function where teachers were giving away the prizes of books and they were giving Gita and Ramayana to Hindu students and the books on Prophet Mohammed to Muslim students. I said the teachers why don't you inter change the books. You may give the Gita and Ramayana to Muslim students and the book on Prophet Mohammed to Hindu students so that they can have some knowledge about other religion other than their own. So, Sir, the problems we are facing they require very cool and calculated approach. Possibly, the Education

Department is having the biggest allocation in the budget. This year we are giving 316 crores, the highest amount. Mr. Goswami, the Minister Education seems to be the riches man sitting here although he look very poorly clad ( laughter ). Now what is he going to do with this money. Honab'le Member Shri has given very nice suggestions. There is no corresponding increase in the head of expenditure. There is no change in the outlook and thought. The Department is running through the same kind of ideal and thinking. The expenditure does not commensurate with the performace of the Department. Next problem is the medium of instruction. Unnecessarily we have raised the boggey of medium of instruction and want to do away with English. Sir, English may be a foreign language but we have Indianised the language in such a manner that it cannot be wiped out. We have several States such as Nagaland and others who have taken English as their official language. We have found Sir, now-a-days if you cannot speak English fluently you are taken as subordinate. In Delhi and other places I have seen our people are treated as subordinate as they are not fluent in English and cannot speak English faster. Therefore, Sir, English has got its value. It will not lose its importance. In India it is the cementing factor fostering the unity of the country. For this reason, please do not try to ignore English. Let our students not think that it is no use of learning English as it is going to be abolished. Next, Sir, about taking over of schools. For the last several years we having taking over new L.P., M.V. etc. schools. We are increasing the number of schools year by year. But there is no improvement in the standard

of education. Here, I would submit that you take over all the existing venture schools and declare a moratorium and make it clear that no more new schools would be taken over. Afterall there must be an end to it and we must improve the quality of education and not the quantity of schools. Next problem we are facing about is Advisory Boards. It has been commented upon that the persons appointed in the Advisory Board do not give advice (bell rang). I am concluding by giving a few suggestions. So, Sir, I would suggest that the MLAs should be involved in this Advisory Board. Next thing I suggest that there must be fixed working days for the schools and Colleges. Most of the schools and colleges remain closed for days together. Yearly working hours of the schools and colleges should be fixed by the Government. My next suggestion is that NCC, Scout and Guides training should be made compulsory for all the students so that they are disciplined. Now, Sir, taking the queue from hon'ble member Shri Bora, I would suggest that the entire Education Department must be planned properly. There should be three Directorates. One Financial Directorate for looking into the financial side of the Department, the another Academic Directorate for educational matters and third is the Inspectorate of discipline. So, the Department should be divided into three parts. There may one Minister in-charge or more Ministers. However, it is for the Chief Minister to decide. We are not going to sugget anything on this point. Lastly, about the teacher's training. The importance of teacher's training need no elaboration. The training should not be left to any institution. Government must give proper

facilities and guidance to the teacher's for the purpose of training (bell rang). One more thing I would like to mention that if any school or college want affiliation to the Central Board of Education they must be given the permission. What is the harm if our boys get the higher standard of education if at all imparted under the Central Board of Education. With these suggestions I would urge upon the Education Minister to give his considered though over these for acceptance of them. We have brought the Cut Motion on the Grant just to raise a discussion. One we had a discussion our purpose is served. Thank you, Sir.

* শ্ৰীদুৰ্গাদাস বড়ো : মাননীয় উপাধ্যক্ষ মহোদয়, ২৬ নং মঞ্জুৰী যোগে শিক্ষা মন্ত্ৰী ডাঙৰীয়াই মূল বাজেটত যি সিংহ ভাগ বিচাৰিছে ৩১৬ কোটি ১০ লাখ ৭৫ হেজাৰ টকাৰ বিপৰিতে যি সকলে কৰ্ত্তন প্ৰস্তাৱ আনিছে তেখেতসকলে টকাখিনি দিব নালাগে বুলি কৈ আচলতে কোনোবা নীতিৰ বিষয়ে উল্লেখ কৰিবলৈ বিচাৰিছে, কোনোবাই এই বিষয়ে খেলিমেলিৰ কথা উল্লেখ কৰিছে কিন্তু তেওঁলোকে অনুভৱ কৰিছে যে সেইখিনি টকাৰ উপৰিও আৰু টকা দিব লাগে এই কথাটো তেখেতসকলৰ বক্তৃতাত স্পষ্ট হৈছে। কৰ্ত্তন প্ৰস্তাৱটোৰ সমৰ্থন কৰাৰ কাৰণে তেওঁলোকে কিছুমান খেলিমেলিৰ বিষয়-হে উল্লেখ কৰিছে। বৰ্তমান ভাৰতবৰ্ষত ৫০ খন ইউনিভাৰচিটি আৰু ৫ হেজাৰ কলেজ আছে। এই ৫০ খন ইউনিভাৰচিটি আৰু কলেজ আছে এই কলেজ সমূহৰ পৰা আমি কেনে ধৰণৰ ছাত্ৰ-ছাত্ৰী উলিয়াই দিব পাৰিছো ? আজি আমি দেখিবলৈ পাইছো এই বিষয়ে আলোচনা কৰোতে আগতে বিৰোধী পক্ষৰ মাননীয় সদস্যই কৈছে যে আমি কেৰাণী তৈয়াৰ কৰিছো। গতিকে মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি ব্যক্তিগত ভাৱে আলোচনা সমালোচনা কৰিবলৈ যোৱা নাই তথাপি মই সৰু সুৰা পৰামৰ্শ আগ বঢ়াব বিচাৰিছো। তাৰ আগতে বিৰোধী পক্ষৰ সদস্য সকলে অপলাপ কৰি বৰ্ত্তমান ২ বছৰৰ ভিতৰত এই শিক্ষা বিভাগে কৰা অগ্ৰগতিৰ বিষয়ে নকৈ যিখিনি অপলাপ

---

* Speech not corrected.

কৰিছে তাৰ কাৰণে মই তেখেত সকলক গৰিহনাহে দিব লগা হৈছে। গতিকে মই আশা ৰাখিছো তেখেত সকলে ইয়াৰ পাচত যি বিলাক বিভিন্ন বিভাগৰ বিষয়ে কৰ্ত্তন প্ৰস্তাৱ আহিব সেই খিনিত তেখেত সকলে সত্য কথা কব বুলি মই ভাবিছো। এই শিক্ষা বিভাগটোত দুবছৰৰ ভিতৰত যি খিনি আছে তাৰ আগতে খেলি মেলি হৈ আছে পুৰঠ চেকনিৰ নিচিনাকৈ। আমাৰ মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে এই পুৰঠ চেকনি পনোৱাৰ ব্যৱস্থা কৰিছে। কোমল চেকনি ভাজ দিবলৈ সহজ, কিন্তু পুৰঠ চেকনি ভাজ লগোৱা কঠিন। গোটেই শিক্ষা বিভাগটোৱে পুৰঠ চেকনিত পৰিণত হৈছিল। গতিকে পুৰঠ চেকনি পোন কৰিবলৈ যাওতে ভাঙিহে যাব পাৰে। তাক জুইৰ সেক দিলেহে পোন হব পাৰে। গতিকে শিক্ষা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই এতিয়া লাহে লাহে পুৰঠ চেকনি পোনাবলৈ চেষ্টা কৰিছে।

উপাধ্যক্ষ মহোদয়, মোৰ কেইটামান সৰু সৰু পৰামৰ্শ আছে। প্ৰথম পৰামৰ্শটোত অৱশ্যে পুৰুষে বেয়া পাব। নাৰী আৰু পুৰুষৰ সম মৰ্য্যদা বিভিন্ন বিষয়ত অসম চৰকাৰে লব লাগে। ভাৰতবৰ্ষৰ নাৰী শিক্ষাৰ কাৰণে ·২ ভাগ টকা খৰচ কৰা হয়। ইয়ালৈ লক্ষ্য ৰাখি আমাৰ অসম চৰকাৰেও নাৰী আৰু পুৰুষৰ মাজৰ বৈষম্য দূৰ কৰি সমমৰ্য্যদা শিক্ষা দনৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰোপৰি অনুসূচিত জাতি আৰু অনুসূচিত অ-জনজাতি এই বিলাকৰ কাৰণে সুকীয়া ধন থাকিব লাগে। আজি জনজাতীয় সকলৰ মিছিং, বড়ো আদি যি ভাষা ইনট্ৰোডিউচ কৰিছে, সেই বিলাকৰ উন্নতিৰ কাৰণে চৰকাৰে এটা বেলেগ সঞ্চালকালয় খুলিব লাগে। এইটোৰ পৰা জনজাতি সকলৰ ভাষা সমূহৰ উন্নতিৰ কাম কাজ চোৱা হব।

উপাধ্যক্ষ মহোদয়, শাৰিৰীক আৰু মানসিক ভাবে বাধাগ্ৰস্ত লোক সকলক বিজ্ঞান সন্মত ভাবে আমাৰ অসমত শিক্ষা দিয়াৰ ব্যৱস্থাৰ অভাব। গতিকে অসমতো ইয়াৰ প্ৰসাৰতা বৃদ্ধি কৰি ভাৰতবৰ্ষৰ লৰা ছোৱালীৰ লগত সমানে আগবঢ়াই যাতে নিব পৰা যায় তাৰ বাবে মই আশা ৰাখিলো।

উপাধ্যক্ষ মহোদয়, প্ৰাপ্ত বয়স্ক শিক্ষ ব্যৱস্থা আমাৰ দেশত যি চলিছে, ভাৰতবৰ্ষৰ লগতে অসমতো ইয়াৰ প্ৰসাৰ বঢ়াৰ লাগে। তেতিয়া ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক এই সকলো দিশতে উন্নতি বৃদ্ধি পোৱাৰ লগে লগে আমাৰ গাওঁৰ যি সকল অশিক্ষিত মানুহ আছে তেওঁলোকো শিক্ষাৰ পোহৰলৈ আহিব পাৰিব। আমাৰ যি প্ৰাপ্ত বয়স্ক শিক্ষা আছে, এই ব্যৱস্থাৰ উন্নতিৰ

কাৰণে শিক্ষা মন্ত্ৰী মহোদয়ৰ লগতে বিষয়া সকলেও চিন্তা কৰি তেওঁলোক সচেতন হবৰ কাৰণে প্ৰাপ্ত বয়স্ক শিক্ষা আচনি বিজ্ঞান সন্মত কৰিবলৈ মই পৰামৰ্শ আগবঢ়ালো।

উপাধ্যক্ষ মহোদয়, বৃত্তিমুখী শিক্ষা আৰম্ভ কৰাৰ প্ৰয়োজন। বৃটিচৰ দিনৰ পৰাই কেৰাণী তৈয়াৰ কৰা যি শিক্ষা পদ্ধতি চলি আহিছে, তাক সলনি কৰাৰ প্ৰয়োজন হৈছে। আমাৰ নগৰ চহৰ আৰু গাওঁ অঞ্চলত বৃত্তিমুখী শিক্ষা বিজ্ঞান সন্মত ব্যৱস্থা কৰিব বুলি মই পৰামৰ্শ অগবঢ়ালো। এই শিক্ষাই ভাৰতবৰ্ষৰ নিচিনা দেশত চাকৰি বাকৰিৰ ক্ষেত্ৰত পৃথকিকৰণ ব্যৱস্থা নাইকিয়া কৰিব।

উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীদেৱ বৰা ডাঙৰীয়াই কোৱাৰ দৰে বৰ্ত্তমান চৰকাৰৰ দিনত উল্লেখ যোগ্য সাফল্য সমূহৰ বিষয়ে মইও উল্লেখ নকৰাকৈ থাকিব নোৱাৰিলো। আমাৰ অসমত গণ পৰিষদ চৰকাৰ চলি থকা সময়ত শিক্ষামন্ত্ৰী মহোদয়ৰ অধীনত আই, টি, আই, কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপন হৈ আছে। আনহাতে আই, টি, আই, বেছিকৈ স্থাপন কৰা হৈছে অৰু টেক্স টাইল স্থাপনৰ ব্যৱস্থা লৈছে। পৰ্য্যায়ক্ৰমে কলেজ বিলাকত ৫০ হেজাৰকৈ টকা ৭০ খন কলেজক আৰ্থিক অনুদান দিয়াৰ ব্যৱস্থা কৰিছে।

উপাধ্যক্ষ মহোদয়, মই বিধায়ক হৈ একেবাৰে অকৰ্মাণ্য হোৱা উপলব্ধি কৰিছো। শিক্ষাৰ ক্ষেত্ৰত ইমান বিলাক আগবাঢ়ি যোৱাৰ পিচতো মোৰ পানেৰী সমষ্টিত এতিয়ালৈকে এখনো হায়াৰচেকেণ্ডাৰী স্কুল স্থাপন হোৱা নাই। অহা বছৰত শিক্ষা মন্ত্ৰী মহোদয়ে দুখন হায়াৰ চেকেণ্ডাৰী স্কুল কৰিম বুলি কৈছে। যদি অহা বছৰত হায়াৰ চেকেণ্ডাৰী স্কুল মোৰ সমষ্টিত নকৰে, তেতিয়া হলে মই গৰিহনা দিবলৈ বাধ্য হম। শিক্ষা বিভাগৰ লগতে ক্ৰীড়া আৰু শাৰিৰীক শিক্ষাৰ কথাটো জড়িত হৈ আছে। মাননীয় সদস্য সকলে শিক্ষাৰ ক্ষেত্ৰত আলোচনা বিলোচনা হলে ভাগ লম বুলি ভাবিছো। আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবৰ কাৰণে অনুৰোধ জনাই মাননীয় উপাধক্ষ্য মহোদয়ৰ সময়ৰ সংকেটক (সময়ৰ সংকেট) সন্মান জনাই মোৰ সমষ্টিত হায়াৰ চেকেণ্ডাৰী স্কুল পোৱাৰ আশা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : মাননীয় উপাধ্যক্ষ মনোদয়, শিক্ষা বিভাগের বাজেটের উপর যে কৰ্তন প্রস্তাব উতথাপন করা হয়েছে আমি তার সমর্থণ করছি।

মহোদয়ে, শাসক দলের কয়েক জন মাননীয় সদস্য বলছেন যে সত্য কথা বলতে। আমি সত্যকথা বলতে লজ্জাবোধ করছি। তবে আপনার সামনে আমি কয়েকটি সত্যকথা তুলে ধরিছি। দিগবয় সমষ্টিতে ১৯৮৭ ইংরাজী সনে মঞ্জুৰী দেওয়া হয়ছে মাত্র ১১ টি স্কুলে। ওদালগুরিতে ১২ টি। বিলাসী-পাড়া পূর্ব্ব সমষ্টিতে ৬ টি, সিদলীতে ৬ টি, অভয়াপুরীতে ৪ টি। এইরকম। অন্যদিকে দেখুন ঢকুৱাখাতে ৩৮ টি, নাগাওঁতে ৫৫ টি, তেজপুরে ৩৭ টি, সিপাঝারে ৫৫ টি, পলাশবাড়ীতে ৪৬ টি। মহোদয় এই অভয়াপুরী দক্ষিন সমষ্টিতে যে ১১ টা স্কুলে মঞ্জুরী দেওয়া হয়েছে সেই সম্পর্কে আসামের প্রথম সারিক পত্রিকা 'অগ্রদূত' কি লিখেছে? স্বজনপ্রীতি, দুর্নীতিৰ শাৰীত নপৰেনেকি? গোৱালপাৰা জিলাৰ অভয়াপুৰী মন্দলৰ উত্তৰ শালমাৰা শিক্ষক কেন্দ্ৰ সভাৰ অন্তর্গত মালিপাৰা প্ৰাথমিক বিদ্যালয় নামৰ কোনো বিদ্যালয় বৰ্ত্তমানলৈকে নাই। অথচ নাম বিহিন এখন বিদ্যালয়ত চৰকাৰী গৃহ নিৰ্মান আচঁনিৰ ধন ৬১,০০০ তকৈ অধিক টকা মঞ্জুৰী পালে। টকাখিনি উত্তৰ শালমাৰা পশ্চিম প্ৰান্তৰ প্ৰাথমিক বিদ্যালয় প্ৰধান শিক্ষক জনে কেনেকৈ উঠাই আনিলে সচেতন ব্যক্তি কিছুমানে কথাটো শুনি আচৰিত হৈছে।

উপাধ্যক্ষ মহোদয়, একটি স্কুলের প্রধান শিক্ষকে ভুল করতে পারে। কিন্তু সেজন্য ডি, আই, অফিস, জিলা প্রাথমিক শিক্ষা বিষয়ার কার্য্যালয় কি করছিল? তাদের কি স্কুলের কোনও লিষ্ট ছিল না? তারা কেন একটা ভূয়া স্কুলের শিক্ষককে ৬১ হাজার টাকর ড্রাফট দিয়েছিল? আমরা শুনতে পাচ্ছি যে এল, পি, স্কুলের শিক্ষককে সাস্পেণ্ড করা হয়েছে। তাহলে জিলা শিক্ষা বিষয়াকে কেন শাস্তি দেওয়া হয়নি? ফিফটি ফিফটি ভাগা ভাগি না হলে এমন কাজ কি সম্ভব হতো?

মহোদয়, ১৯৮৭ ইং মাননীয় শিক্ষা মন্ত্রী আমাদের কাছে স্কুলের লিষ্ট চেয়েছিলেন। আমরা সগৌরবে ঘোষণা করেছিলাম যে এবারে শিক্ষামন্ত্রী বোধহয় জনসাধারণের আশা, আকাংখা প্রতিফলিত করবেন। কিন্তু দুঃখের বিষয় সেই লিষ্ট অনুযায়ী আজ পর্যন্ত কোনও স্কুল নেওয়া হয়নি। আমি ব্যক্তিগত ভাবে মন্ত্রী মহোদয়কে বলেছিলাম যে আমরা জনসাধারণের কাছে যে প্রতিশ্রুতি দিয়েছিলাম আপনারা তার খেলাপ করলেন।

মহোদয় উত্তর শালমারা শিক্ষা উপদেষ্টা বোর্ড সরকার গঠন করেছেন। এই ব্যাপারে আমি একটি তারা বিহীন প্রশ্ন নং ৮৬ করেছিলাম ৩৪ জনক

শিক্ষক শিয়ক্ষত্ৰীৰ পদত নিযুক্তি দিয়া হৈছে। দুঃখের বিষয় ৩৪ জনের ভিতর ফাৰ্ষ্ট ডিভিশনে পাশ যারা করেছে তারা পায়নি। সেখানে ২২ জন ছেলে যারা ফাৰ্ষ্ট ডিভিশনে পাশ করেয়েছিল তারা দরখাস্ত করেছিল। তাছাডা এই ৩৪ জনেৰ মধ্যে একজনও চর অঞ্চলের ছেলমেয়ে নাই। কেৱল শহর অঞ্চলের মুষ্টিমেয় কয়েকজন ছেলেক নিযুক্তি দিয়ে বদলী করে এসব অঞ্চলেৰ পদগুলি পুরণ করা হয়ছে। এই ব্যাপারে আপনার মাধ্যমে আমি শিক্ষা মন্ত্রীর দৃষ্টি আকর্ষণ করছি। কারন এই নিয়োগের ব্যাপারে উত্তর শালমারা অঞ্চলে ভীষণ প্রতিক্রিয়ার সৃষ্টি হয়েছে। আৰু এই গোলমালের জন্য সেখানকার উপ-পরিদর্শককে নিলম্বিত করা হয়েছিল। কিন্তু উপদেষ্টা বোর্ডের সিদ্ধান্ত অনুযায়ী গোয়ালপারা জিলা প্রাথমিক শিক্ষা বিষয়া যে সমস্ত নিযুক্তি দিয়েছিলেন তার বিরুদ্ধে ব্যবস্থা কেন নেওরা হয় নি? এই ব্যাপারে আমি ব্যক্তিগত ভাবে শিক্ষা মন্ত্ৰীৰ সঙ্গে আলোচনা করেছিলাম। তিনি স্বীকার করেছিলেন যে কিছু গোলমাল আছে এবং একটা ব্যৱস্থা তিনি নেবেন বলে-ছিলেন। কারণ ঐ অফিচার নাকি বেশীর ভাগ দিন গুৱাহাটীতে থাকেন। কিন্তু আজ পর্যন্ত ব্যবস্থা নেওৱা হয়নি। আমি আশাকরি মন্ত্রীমহোদয়ে এই ব্যাপারে একটা বিবৃতি দিবেন। কারণ ঐ অফিসার সদর্পে বলে বেড়ান— 'আমাকে কি করবৰু?' শিক্ষামন্ত্রী বৃন্দাবন গোস্বামী আমার 'ছাত্র'। আমি মন্ত্রী মহোদয়কে জিজ্ঞাসা করেছিলাম— কাথাটা সত্য নাকি? মন্ত্রী মহোদয়ে বলেছেন যে তিনি গৌহাটীতে কোনদিন পড়াশুনা করেন নি। কি সাংঘাটিক ব্যাপার। .... সময় সংকেত .... আমি সব শেষে এ কথা বলব যে শিক্ষাখাতে যে টাকা ধরা হয়েছে তা প্রয়োজনের তুলানায় কম। কিন্তু বরাদ্দ টাকাৰ যাতে সদব্যয় হয় সেদিকে যেন নজর দেন, এই বলে আমি আমার বক্তব্য শেষ করছি।

ডাঃ কমলা কলিতা: মাননীয় উপাধ্যক্ষ্য মহোদয়, শিক্ষা মন্ত্রী ডাঙৰীয়াই ১৯৮৯ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বিত্তীয় বছৰৰ কাৰণে যি টকাৰ অনুদান বিচাৰিছে তাক সমৰ্থন কৰিছো আৰু বিৰোধী পক্ষৰ সদস্য সকলে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰিছো। আজি অসমৰ শিক্ষা ব্যৱস্থাটোৰ ওপৰত আলোচনা হৈছে। এই শিক্ষা বিষয়ত গণ পৰিষদ চৰকাৰ অহাৰ পিচৰ পৰা এক বিপুল পৰিবৰ্ত্তন দেখা গৈছে। উপাধক্ষ্য মহোদয়, মই বিধায়ক হোৱাৰ পিচত ১৯৮৬ চনত মোৰ সমষ্টিত ৬ খন প্ৰাথমিক বিদ্যালয়ৰ আচবাব

পত্ৰৰ অনুদান হিচাবে কিতাপ ৰাখিবৰ কাৰণে সা-সুবিধা পাইছে। ১৯৮৬ চনৰ পৰা ১৯৮৭ চনলৈ মঞ্জুৰ হোৱা আলমাৰী কেইটা আনিবলৈ যোৱা নাই। আলমাৰী কিয় অনা নাই বুলি ডিঃ আইয়ে প্ৰধান শিক্ষকক মাতিলে আৰু মতাৰ পিচত প্ৰধান শিক্ষকে কলে চাৰ, আলমাৰি আনি কি কৰিম? যিহেতু ঘৰেই নাই বাহিৰত ৰাখিলে চুৰ হব আৰু চুৰ হ'লে বিভাগে মোক ধৰিব। সেই কাৰণে অনা নাই। গণ পৰিষদ চৰকাৰ অহাৰ আগতে প্ৰাথমিক বিদ্যালয় বিলাকৰ অৱস্থা সেই পৰ্য্যায়ত আছিল। যদি গাৱেঁ ভূঞে ভ্ৰমন আৰু গাওঁ অঞ্চলৰ যিটো ঘৰৰ চাল, বেৰ নাই, ভূত বাংলাৰ নিচিনা, সেই ঘৰটো নিসন্দেহে স্কুল ঘৰ বুলি ধাৰণা কৰিলে শুদ্ধ হব। অসম গণ পৰিষদ চৰকাৰ অহাৰ পিচত এই গৃহ সমূহৰ নিৰ্ম্মাণৰ ক্ষেত্ৰত এটা অভূতপূৰ্ব সাফল্য লাভ কৰিছে। উপাধ্যক্ষ্য মহোদয়, অসম গণ পৰিষদ চৰকাৰৰ অধীনত শিক্ষা বিভাগত কৰা কাম আৰু আগৰ চৰকাৰৰ অধীনত শিক্ষা বিভাগত কৰা কামৰ পাৰ্থক্য বহুত আছে। বিৰোধী পক্ষৰ সদস্যসকলে যথেষ্ট সমালোচনা কৰিছে যদিও এই কথা সকলোৱে স্বীকাৰ আৰু উপলব্ধি কৰিছে অসম গণ পৰিষদ চৰকাৰৰ দিনত শিক্ষা বিভাগটোৱে যথেষ্ট ধৰণে সাফল্য লাভ কৰিছে। অসম গণ পৰিষদ চৰকাৰ অহাৰ আগতে এই বিভাগটোত এনেকৈ দুৰ্নীতি সোমাইছিল যে নিযুক্তিৰ ক্ষেত্ৰতেই হওক বা আন আন ক্ষেত্ৰতেই হওক তাক কল্পনা কৰা টান। কিছুমান নিযুক্তি পত্ৰ পকেটত লৈ ফুৰিছিল। নিযুক্তি অফিচত নহয়, ফিল্ডত হৈছিল। টকাৰ ভিত্তিত নিযুক্তি হৈছিল। আজি সেই ব্যৱস্থা নাই। গণ পৰিষদ চৰকাৰে নিৰ্দিষ্ট নীতি নিয়ম বান্ধি দিছে আৰু সেই ভিত্তিত শিক্ষক নিয়োগ হৈছে। শিক্ষা বিভাগত যিবিলাক দুৰ্নীতি আছে সেইবিলাক দূৰ কৰিবৰ কাৰণে সৰ্ব্বান্তকৰণে প্ৰচেষ্টা চলাইছে। শিক্ষা বিভাগৰ পঙ্গু লগা অৱস্থাটো আজি ঠন ধৰি উঠাবৰ কাৰণে চেষ্টা চলিছে আৰু সকলোৱে আমাৰ শলাগ লৈছে। গণ পৰিষদ চৰকাৰৰ দিনত দুৰ্নীতি নিৰ্ম্মূল কৰিবৰ কাৰণে যি প্ৰচেষ্টা কৰিছে আগতে সেই প্ৰচেষ্টা লোৱা নাছিল। কিয় লোৱা হোৱা নাছিল? আগতে প্ৰতিখন বিদ্যালয়ৰ গৃহ নিৰ্ম্মাণৰ কাৰণে ৫-১০ হাজাৰ টকাৰ অনুদান দিয়া হৈছিল আৰু প্ৰধান শিক্ষক সকলক আগৰ দলীয় নেতাসকলৰ ওচৰলৈ আহিবলৈ বাধ্য কৰাই থাকে। কামটো যদি সম্পূৰ্ণ কৰি দিয়া হয় তেন্তে পিচত খবৰ নাৰাখিব, দলীয় স্বাৰ্থ পূৰণ নহব। সেই কাৰণে সম্পূৰ্ণৰূপে একে বছৰত ঘৰসমূহ নিৰ্ম্মাণ কৰাৰ ব্যৱস্থা লোৱা নাছিল। আজি বিনামূলীয়াকৈ

কিতাপ যোগান ধৰা হৈছে। পহিলা বছৰত শিক্ষা বিভাগে কিতাপ যোগান ধৰাত কিছু খেলিমেলি হৈছিল যদিও এতিয়া সম্পূৰ্ণৰূপে কিতাপ যোগান ধৰিব পাৰিছে। এতিয়া ধনী দুখীয়া সকলো লৰা ছোৱালীয়ে বিনামূলীয়া কিতাপৰ জৰিয়তে শিক্ষা লাভ কৰাৰ এটা সুবিধা পাইছে। শিক্ষা বিভাগে যি খিনি কাম কৰিছে তাৰ প্ৰশংসা কৰিছো আৰু অসমৰ ৰাইজেও প্ৰশংসা কৰিছে। তথাপিতো এতিয়াও কিছু কাম কৰিবলগা আছে। আজি গাৱে-ভূঞে সকলো অঞ্চলতে শিক্ষাৰ কাৰণে বিভিন্ন বেচৰকাৰী স্কুল, ভেন্চাৰ স্কুল খুলিছে। কোনো এটা সমীক্ষা নচলোৱাকৈ ভেঞ্চাৰ স্কুল স্থাপন কৰা হৈছে। সেই স্কুল এতিয়া এনেকুৱাকৈ সংখ্যাত বাঢ়িছে যে সেই স্কুলসমূহৰ চৰকাৰীকৰণৰ ব্যৱস্থা কেনে ধৰণে কৰিব পৰা যায় সেইটো চিন্তনীয় বিষয় হৈ পৰিছে। সেই কাৰণে আজি অনুৰোধ ৰাখিব বিচাৰিছো যাতে গাৱে-ভূঞে শিক্ষাৰ সম্প্ৰসাৰণৰ কাৰণে এটা সমীক্ষা চলাই নিজা ৰবীয়াকৈ যত প্ৰয়োজন আছে তাত স্কুল স্থাপন কৰাৰ ব্যৱস্থা কৰা আৰু আগতীয়াকৈ কোনো অনুমতি নোহোৱাকৈ চাকৰিৰ তাগিদাত ভেঞ্চাৰ স্কুল কৰা নহয়, সেই ব্যৱস্থাৰ দৰকাৰ হৈ পৰিছে। তাৰ পিচত আমাৰ কম সংখ্যক শিক্ষক থকা বিদ্যালয় সমূহত অধিক শিক্ষক দিয়াৰ খৰতকীয়া ব্যৱস্থা কৰিবৰ কাৰণে শিক্ষা বিভাগক অনুৰোধ জনাইছো। আজি বেপেকুৱা ধৰণৰ ইংৰাজী মাধ্যমৰ স্কুলৰ প্ৰতি আমাৰ অভিভাৱক তথা ছাত্ৰ-ছাত্ৰী সকলৰ আকৰ্ষণ বাঢ়ি গৈছে। আমাৰ প্ৰাথমিক বিদ্যালয় সমূহৰ মানদণ্ডৰ কোনোবা খিনিত আসোঁৱাহ আছে যিটোৰ কাৰণে অভিভাৱক তথা ছাত্ৰ-ছাত্ৰী সকলৰ ইংৰাজী বিদ্যালয় সমূহৰ প্ৰতি ধাউতি বাঢ়ি গৈছে। এই বিষয়ত আমাৰ শিক্ষা বিভাগে চাব লাগে। আমাৰ প্ৰাথমিক বিদ্যালয় সমূহ আদৰ্শ বিদ্যালয় হিচাপে গঢ়ি তুলিবৰ কাৰণে প্ৰচেষ্টা চলাব লাগে। শিক্ষা বিভাগৰ শিতানত যি মঞ্জুৰী বিচাৰিছে তাক সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীদেৱেশ্বৰ বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে, ১৯৮৮-৮৯ চনৰ ৩১ মাৰ্চ তাৰিখে ৩১৬ কোটি ১০ লাখ ৭৫ হাজাৰ টকা প্ৰশাসনীয় ক্ষেত্ৰত বহন কৰিব লগীয়া ৩১৬ কোটি ১০ লাখ ৭৫ হাজাৰ সম্পূৰ্ণ কৰিবৰ অৰ্থে ২৩৭ কোটি ৮ লাখ ৬ হাজাৰ টকাৰ যি মঞ্জুৰী আনিছে তাত মই সমৰ্থন জনাইছো। এই পৰিপ্ৰেক্ষিতত মই দুআষাৰ মান কবলৈ বিচাৰিছো। শিক্ষা হৈছে মানুহ গঢ়া এটা আহিলা। এই শিক্ষাকেই মানুহ গঢ়াৰ আহিলা

হিচাবে আমি ব্যৱহাৰ কৰিব লাগিব। ৰাষ্ট্ৰীয় পৰ্য্যায়ত শিক্ষাৰ যি নীতি গ্ৰহণ কৰিছে আমাৰ চৰকাৰেও সেই একে পথতে আগবাঢ়িছে। শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাজ্যিক পৰিকল্পনা বিকেন্দ্ৰীকৃত কৰিছে আৰু তাৰ ওপৰিও আৰ্থিক আৰু সামাজিক দিশত গুৰুত্ব আৰোপ কৰি ২৪ দফীয়া আচনি লৈছে আৰু ইয়াত অগ্ৰাধিকাৰ দিছে। উপাধ্যক্ষ মহোদয় এই বাজেটৰ ওপৰত পৰ্য্যালোচনা কৰি বহুতো সদস্যই বিভিন্ন ধৰণৰ মন্তব্য কৰি তেওঁলোকৰ বক্তব্য ৰাখিছে। এই বাজেটত মই দেখিবলৈ পাইছো যে সাধাৰণ শিক্ষাৰ ওপৰতেই বেচি গুৰুত্ব আৰোপ কৰি বেচি টকা ধৰা হৈছে। কিন্তু কাৰিকৰি শিক্ষাৰ ক্ষেত্ৰত মাত্ৰ ৮ কোটি টকাৰ অধিক ধাৰ্য্য কৰা হৈছে। কিন্তু বৰ্ত্তমান যুগটো হৈছে প্ৰযুক্তিবিদ্যা আৰু বিজ্ঞানৰ যুগ। সেইমতে আমি কাৰিকৰি শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি আগবাঢ়ি যাব লাগিব। ইয়াৰ ওপৰিও বাজেটত আমি আৰু এটা শিতান দেখিবলৈ পাইছো। সেইটো হৈছে স্পোৰ্টচ আৰু ইউথ ওৱেলফিয়াৰ। এই বিষয়ত সদনত বিশেষ ভাবে আলোচনা হোৱা নাই যদিও, ৰাজ্যিক চৰকাৰে যে এই ব্যৱস্থাটো লৈছে ই অতি আদৰণীয়। অসমত শিক্ষাৰ লগতে শাৰীৰিক আৰু মানসিক ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি ক্ৰীড়াৰ প্ৰতি যি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ প্ৰতি মই শলাগ লৈছো। এই খিনিতে মই এটা কথা কবলৈ বিচাৰিছো যে উচ্চ শিক্ষাৰ ক্ষেত্ৰত কিছু গুৰুত্ব দিছে কিন্তু ফেকালটি অৱ এডুকেচনত মোৰ কিছু কথা কবলৈ আছে। ভাৰতবৰ্ষৰ সকলো ৰাজ্যতেই যি ধৰণে বানিজ্যিক শিক্ষাত গুৰুত্ব আৰোপ কৰিছে, আমাৰ ৰাজ্যত সেই ধৰণে কৰা নাই। বৰ্ত্তমান যুগটোৱেই হৈছে বানিজ্যিক যুগ। গতিকে বানিজ্যিক শিক্ষা ক্ষেত্ৰত জোৰ দিব পৰাকৈ ব্যৱস্থা লব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, অসমত এতিয়াও মেনপাৱাৰ মেনেজমেণ্ট কৰিব পৰা নাই। সেই কাৰণে বানিজ্যিক শিক্ষা বিভাগত যিটো মেনেজমেণ্ট ভাগ আছে তাত গুৰুত্ব আৰোপ কৰিব লাগে। তাৰ ওপৰি প্ৰডাকচন মেনেজমেণ্ট, লেবাৰ মেনেজমেণ্ট, কোপা ৰেচন মেনেজমেণ্ট, ইণ্ডাচষ্ট্ৰীয়েল মেনেজমেণ্ট, পাৰচনেল, মেনেজমেণ্ট, আদি বিলাকৰ ওপৰত শিক্ষা বিভাগে বিশেষ গুৰুত্ব আৰোপ কৰি ব্যৱস্থা লোৱা উচিত বুলি মই ভাবো। উদাহৰণ স্বৰূপে মই কব বিচাৰিছো যে, আমাৰ ৰাজ্যত প্ৰডাক্সন হৈছে কিন্তু প্ৰডাক্সন মেনেজমেণ্টৰ অভাৱত ঠিক মতে মেনেজ কৰিব পৰা নাই। শিক্ষা ক্ষেত্ৰতো একে ধৰণে অসুবিধা হৈছে। ইয়াৰ ওপৰি আমাৰ অসমৰ চাহবাগিছাত ১৪ লাখৰো অধিক

লেবাৰ আছে। ভালকৈ মেনেজ কৰিব পৰা হলে বৰ্ত্তমান উদ্যোগৰ ক্ষেত্ৰত বিশেষ ভাবে আগবাঢ়ি যাব পৰা হল হেতেন। মেনেজমেণ্ট নথকাৰ কাৰণেই যিমান খিনি আগবাঢ়ি যাব লাগিছিল সেইখিনি আগবাঢ়ি যাব পৰা নাই। গতিকে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে তেখেতে বিশেষ ব্যৱস্থা গ্ৰহণ কৰে। ইয়াৰ পাচত টেকনিকেল এডুকেচনৰ কথালৈ আহো। আমাৰ মাননীয় সদস্য নীলমনি দাস ডাঙৰীয়াই যোৱাকালি সদনত এই বিষয়ে যথেষ্টখিনি পৰামৰ্শ আগবঢ়াইছে। ইয়াৰ লগতে মই কব খুজিছো যে, অসমত চুগাৰ টেকনলজী. পেপাৰ টেকনলজী আদি বিষয় নাই। পেট্ৰোলিয়াম টেকনোলজীটো ডিব্ৰুগড় বিশ্ব· বিদ্যালয়ত এটা বিষয় হিচাবে আছে যদিও সেইটো টেক্সটাইল হিচাবে কৰিব লাগে তাৰ ওপৰি আমাৰ ইঞ্জিনিয়াৰিং কলেজত চিভিল মেকানিকেল আৰু ইলেক-ট্ৰিকেল চাবজেক্ট আছে। কিন্তু ইলেক্ট্ৰিকেল বিভাগটোত ৰুৰেল এনাৰ্জিৰ বিষয়ে আগবাঢ়িব পৰা নাই। আমি দেখিবলৈ পাইছো অন্ধ্ৰপ্ৰদেশত ৰুৰেল এনাৰ্জি ইঞ্জিনিয়াৰিংত জোৰ দিয়াৰ ফলত অৰ্থনৈতিক ক্ষেত্ৰত আগবঢ়াত সহায় হৈছে। এই বিষয়ত আমাৰ চৰকাৰকো অলপ চিন্তা কৰিবলৈ অনুৰোধ জনালো। ৰাজ্যপালৰ ভাষনত বৃত্তিমূলক শিক্ষা দিয়াৰ কথা ইতিমধ্যে প্ৰকাশ পাইছে। ৬ খনত উচ্চতৰ মাধ্যমিকত বৃত্তি মূলক শিক্ষা দিয়া পদ্ধতি গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত মই সকলোতে গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো। আমি দেখা পাইছো যে, জুনিয়ৰ কলেজ বিলাকৰ ক্ষেত্ৰত স্পষ্ট শিক্ষা নীতি গ্ৰহণ কৰা নাই। এই ক্ষেত্ৰত চৰকাৰৰ দায়িত্ব ঘোষণা কৰিব লাগে। ইতিমধ্যে ডাঃ কমলা কলিতাই কৈ গৈছে যে, আমাৰ বহুতো বেচৰকাৰী শিক্ষানুষ্ঠান হৈছে। প্ৰায় ৭ হাজাৰ প্ৰাথমিক বিদ্যালয় আছে এইক্ষেত্ৰত চৰকাৰে বিহিত ব্যৱস্থা লব লাগে। শিক্ষাৰ প্ৰসাৰ সমান ভাবে হব লাগে। ১৯৫২ চনত স্থাপন কৰা বিদ্যালয় চৰকাৰে অধিগ্ৰহণ কৰা নাই। অথচ ১৯৭২ চনত প্ৰতিষ্ঠা কৰা বিদ্যালয় অধিগ্ৰহণ কৰিছে। এইবিলাক ক্ষেত্ৰত পৰ্য্যায়ক্ৰমে বা বছৰৰ ভিত্তিত স্কুল লোৱাৰ কথাটো চাব লাগে। গতিকে সমান ভাবে শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগে। সীমান্ত অঞ্চলৰ শিক্ষা অনুষ্ঠান বিলাক অধিগ্ৰহন কৰক। আমাৰ ওচৰ চুবুৰীয়া ৰাজ্য সমূহে নিজেই স্কুল পাতি দিছে আৰু শিক্ষাৰ প্ৰচাৰৰ কাৰণে চেষ্টা কৰিছে। আজি আমাৰ ফালৰ পৰা তেনে হোৱা নাই। গতিকে আশা ৰাখিছো এই ক্ষেত্ৰত শিক্ষা মন্ত্ৰীয়ে চকু দিব। উচ্চ শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ পৰা পোৱা বৃত্তি বা গ্ৰাণ্ট দিয়াৰ যি ব্যৱস্থা

ৰাখিছে ই অতি নগন্য। প্লেন বাজেটত ৫ লাখ ৭৪ হাজাৰ টকা আৰু নন প্লেন বাজেটত ৬ লাখ ৬১ হাজাৰ ৫ শ টকা ধৰিছে। এই টকা বৃদ্ধি কৰিবৰ কাৰণে আহ্বান জনালো। কাৰণ কলেজ বিলাকৰ অৱস্থা জৰাজিৰ্ণ হৈ আছে। যোৱাবাৰ ৫০ হাজাৰ কৈ টকা দিয়া হৈছে। আমাৰ ইন্সপেকচনৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। ইন্সপেকচনৰ কাৰণে প্লেন বাজেটত ১৭ কোটি ৬৭ লাখ ২ হাজাৰ আৰু নন প্লেন বাজেটত ২ কোটি ৩৬ লাখ ৫০ হাজাৰ টকা লৈছে। গতিকে ইন্সপেকচন হল নে নাই এই বিলাক চাব লাগে। এই খিনি কৈয়েই বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীইউচুফ আলী আহমেদ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি শিক্ষা বিভাগত উংথাপন কৰা কৰ্ত্তন প্ৰাস্তৱটি সমৰ্থন কৰি মই দুআষাৰ মান কথা কবলৈ থিয় হৈছো। মোৰ আগতে আমাৰ 'ইন্সপেকচনৰ' যি সমস্যা সেই সম্পৰ্কে তেখেতে কৈ গৈছে। আমাৰ যিবিলাক এচ, আই নিয়োগ কৰা হৈছে তেওঁলোক আমাৰ গাওঁ অঞ্চললৈ নেযায়, আমাৰ স্কুল বিলাক পৰিদৰ্শন নকৰে যাৰ ফলত বিশেষকৈ গাওঁ অঞ্চলত যিবোৰ স্কুল আছে সেই স্কুল সমূহত সঠিক ভাবে পাঠদান নহয়। শিক্ষক সকল স্কুলত উপস্থিত নেথাকে। যাৰ ফলত আমাৰ শিক্ষা বিশেষকৈ গাওঁ অঞ্চলত যি ধৰনে উন্নতি হব লাগিছিল ঠিক সেইদৰে উন্নতি লাভ কৰিব পৰা নাই। মই জনা মতে এই শিক্ষাৰ ক্ষেত্ৰত গাওঁ অঞ্চলত এনেকুৱা ঘটনা ঘটি আছে যিটো আমাৰ চৰকাৰৰ নিযুক্তি দিয়া শিক্ষক জনে তেওঁৰ সলনি আন এজন হাজিৰা দি স্কুল চলাই থকা দেখা গৈছে। ২০/২৫ টকা হাজিৰা লৈ এনেদৰে স্কুল চলাই আছে আৰু শিক্ষক জনে অন্যান্য কামত ব্যস্ত থাকি এনেধৰণে কৰি থকা আজি নজিৰ নোহোৱা নহয়। এনেকুৱা নজিৰ আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো প্ৰয়োজন হলে আমাৰ এছ, আইৰ সংখ্যা বঢ়াব লাগে যাতে সপ্তাহত এদিন কৈ হলেও এটি স্কুলত পৰিদৰ্শন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। অসম এখন কৃষি প্ৰধান ৰাজ্য। ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত আমি কৃষি ক্ষেত্ৰত পিচপৰি আছো। এই ক্ষেত্ৰত আমি শিক্ষামন্ত্ৰী মহোদয়ক এটি পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে তেনেকুৱা আমাৰ নিৰক্ষৰতা দুৰীকৰণৰ কৰাৰ কাৰণে নাইট স্কুলৰ ব্যৱস্থা কৰা হৈছে। ঠিক সেইদৰে আমাৰ প্ৰাথমিক পৰ্য্যায়ত কৃষি সম্পৰ্কে শিক্ষা দিয়াৰ ব্যৱস্থা যাতে কৰিব পৰা যায় তাক বিবেচনা

কৰিব বুলি আশা ৰাখিলো। আমাৰ শিক্ষা উপদেষ্টা পৰিষদৰ যিখন বোৰ্ড গঠন কৰা হল যোৱাবাৰ বাজেট অধিবেশনতো কৈছিলো ইয়াৰোপৰি ব্যক্তিগত ভাৱে শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছিলো যে এই বোৰ্ডখনত মোৰ সমষ্টিৰ এজনো সদস্য লোৱা হোৱা নাই। মন্ত্ৰী মহোদয়ক অনুৰোধ কৰা স্বত্বেও আজিলৈকে মোৰ সমষ্টিৰ পৰা এজনো সদস্য লোৱাৰ বাবে নিশ্চিত অন্তৰ্ভুক্ত কৰা নহল। আমি চিলেকচন কৰা মানুহক সভ্য নকৰে নাই, কিন্তু শাসক দলৰ এজন শিক্ষিত ভাল মানুহ বোৰ্ডত সভ্য কৰি লয়, ভাল প্ৰাৰ্থী চিলেকচন যাতে তেওঁলোকে সঠিকভাৱে কৰিব পাৰে। এই বোৰ্ডে প্ৰাৰ্থী চিলেকচন কৰি ৰাখিছে তাৰ মাজৰ পৰা কিছুমানক নিযুক্তি দিছে কিছুমানক নিযুক্তি আজিলৈকে দিব পৰা নাই। সেই সম্পৰ্কে বোধহয় আদালতত কেচ চলি আছে, সেয়েহে এইটো ভালদৰে মীমাংসা কৰি সঠিক ভাৱে নিযুক্তি দিবলৈ মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, এই বোৰ্ডত যি তালিকা প্ৰস্তুত কৰা হৈছে তাত বিশেষকৈ মোৰ সমষ্টিৰ বাহিৰৰ পৰা প্ৰাৰ্থী বাচনি কৰা হৈছে। চৰ অঞ্চলৰ পৰা প্ৰাৰ্থী লোৱা হোৱা নাই। তেনেস্থলত মই জনা মতে যিটো তালিকা প্ৰস্তুত কৰিছে এই তালিকাত আমাৰ সমষ্টিৰ ১৯৭৮-৭৯ চনত স্থাপন কৰা ৮ খন স্কুল থকা স্বত্বেও তাৰ পৰা এখনো স্কুল লোৱা হোৱা নাই। কিন্তু ১৯৮৩-৮৪ চনত স্থাপন কৰা স্কুল লোৱা হৈছে। এই সম্পৰ্কে যাতে শিক্ষা মন্ত্ৰী মহোদয়ে ভালদৰে চকু দিয়ে সেইটো অনুৰোধ জনালো। আজি শিক্ষা আমাৰ জাতিৰ মেৰুদণ্ড বুলি কোৱা হৈছে। যদি শিক্ষা জাতিৰ মেৰুদণ্ড বুলিয়েই কোৱা হয় প্ৰকৃতাৰ্থত মেৰুদণ্ড ৰক্ষা কৰাৰ যি নীতি নিয়ম চিন্তা কৰা হৈছে, সেইটো সঠিকভাৱে পালন কৰিব পৰা নাই। যাৰ ফলত আমি আজি মুখেৰেহে কৈ থাকো শিক্ষা আমাৰ জাতিৰ মেৰুদণ্ড।

মাননীয় উপাধ্যক্ষ মহোদয়, অৱশেষত এটা কথা অনুৰোধ জনাব বিচাৰিছো যে আমাৰ শিক্ষাৰ ক্ষেত্ৰত শিক্ষানুষ্ঠান বিলাকত কাৰ্য্যকৰী কমিটি যি নিয়ম মতে গঠন কৰে, যিটো নৰমচ দিয়া হৈছে সেই নৰমচৰ মতে স্কুলৰ প্ৰধান শিক্ষক জনকেই সম্পাদক পতা হৈছে। যাৰ ফলত বেছি ভাগ শিক্ষকে স্কুল আদি নকৰি অফিচে অফিচে ঘূৰি ফুৰে। স্কুলৰ কাম হওঁক বা নহওঁক তালৈ লক্ষ্য নাৰাখে, গতিকে এই কাৰ্য্যকৰি কমিটিটো বেলেগ, বেলেগ চিন্তা ধাৰাৰে গঠন কৰা হয়, কেনেকৈ শিক্ষা উন্নতি কৰিব পৰা যায়, তাৰ

প্ৰতি লক্ষ্য ৰাখিব বুলি অনুৰোধ জনাই, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো ।

শ্ৰীকুসুম্বৰ টাইৰাই গগৈ : মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত শিক্ষামন্ত্ৰীৰ দ্বাৰা উত্থাপিত দাবী মঞ্জুৰীৰ ওপৰত বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি আৰু এই মঞ্জুৰীক সমৰ্থন জনাই মোৰ বক্তব্য ৰাখিব খুজিছো । উপাধ্যক্ষ মহোদয়, বৰ্তমান কুৰি শতিকাৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগত আমি আমাৰ ৰাজ্য খনৰ শৈক্ষিক পৰিবেশ সৃষ্টি আৰু শিক্ষাৰ প্ৰসাৰৰ কাৰণে নতুন নতুন আচনি যুগুত কৰিব লাগে । বৰ্তমানৰ শিক্ষা ব্যৱস্থা কুৰি শতিকাৰ লগত খাপ খোৱাকৈ পৰ্য্যালোচনা কৰিব লাগে । ইয়াৰ কাৰণে এইটো উপযুক্ত সময় । গোটেই দেশৰ শিক্ষা ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি আজি যি টকা ধাৰ্য্য কৰা হৈছে মোৰ মতে শিক্ষাৰ বিস্তাৰৰ কাৰণে এই টকা যথেষ্ট নহয় । সেয়ে এই বিষয়ত দুটামান কথা কবলৈ ওলাইছো । বৰ্তমান দেশখনৰ প্ৰগতিৰ লগত খোজ মিলাই, খাপ খুৱাই আগবাঢ়ি যাবলৈ হ'লে শিক্ষা ব্যৱস্থাৰ আৰু উন্নতিসাধন কৰিব লাগিব । মই স্বীকাৰ কৰিছো যোৱা দুটা বছৰত আমাৰ চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত যথেষ্ঠ কৰিছে । আমাৰ শাসকীয় দলৰ মাননীয় সদস্য শ্ৰীদেব কুমাৰ বৰা ডাঙৰীয়াই ইয়াৰ ওপৰত যি বক্তব্য ৰাখিছে মই তাক সমৰ্থন কৰিছো । আমাৰ চৰকাৰে আজি মিছিং আৰু ৰাভা ভাষা প্ৰৱৰ্ত্তনৰ ব্যৱস্থা গ্ৰহণ কৰিছে । বহু সংখ্যক প্ৰাথমিক স্কুলৰ ঘৰ নিৰ্ম্মাণ কৰিছে, প্ৰাপ্ত বয়স্ক শিক্ষাৰ ক্ষেত্ৰটো চৰকাৰে যথেষ্ঠ মনোযোগ দিছে । ৮৫ খন প্ৰাথমিক স্কুলক প্ৰাদেশিকৰণ কৰিছে । জনজাতীয় ছাত্ৰ-ছাত্ৰীলৈ বৃত্তি আগবঢ়াইছে, চাহ জনজাতি গোষ্ঠীৰ লৰা-ছোৱালীৰ কাৰণেও চৰকাৰে মনোযোগ দিছে । ইমানবোৰ কৰা হৈছে যদিও আৰু কেনেকৈ বিজ্ঞান সন্মতভাবে আমাৰ শিক্ষা ব্যৱস্থা উন্নত কৰিব পাৰি তাৰ প্ৰতিও চৰকাৰে গভীৰ মনোনিবেশ কৰিব লাগে । শিক্ষা ব্যৱস্থাৰ অধিক উন্নত কৰিবলৈ হলে দীৰ্ঘম্যাদি আচনি বিজ্ঞানসন্মত ভাবে গ্ৰহণ কৰাৰ প্ৰয়োজন । আজি আমাৰ বিশ্ববিদ্যালয় সমূহত পাঠ্যক্ৰম সঘণাই বদলি হৈছে, তাত কাৰিকুলামৰ সংগতি নোহোৱা হৈছে । আমি শিক্ষাৰ কাৰণে এটা শৈক্ষিক পৰিবেশ গঢ়ি তুলিব লাগিব । শিক্ষা ব্যৱস্থা বিজ্ঞান সন্মতভাবে আগুৱাই নিবলৈ হ'লে দীৰ্ঘম্যাদি আচনি গ্ৰহণ কৰিব লাগিব । কুৰি শতিকাৰ লগত আমি খোজ মিলাই আগবাঢ়ি যাব পাৰিব লাগিব । আমাৰ শিক্ষা বিভাগত থকা কেৰোণ আৰু

দূৰ্নীতি সমূহ দূৰ কৰাৰ ব্যৱস্থা কৰিব লাগিব। মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াৰ এটা কথা মই সমৰ্থন কৰিছো, বৃটিছৰ দিনতে প্ৰতিষ্ঠা কৰা যোৰহাট নৰ্মাল স্কুলত অভিজ্ঞ শিক্ষকৰ দ্বাৰা তাত শিক্ষক সকলক প্ৰশিক্ষণ দিয়া হৈছিল। আগতে এইখন শিক্ষাৰ তীৰ্থভূমি বুলি কোৱা হৈছিল। তাৰ কাষতে থকা প্ৰেক্টাইচিং স্কুলত আগতে নাম ভৰ্ত্তি কৰাৰ কাৰণে ভীৰ হৈছিল কিন্তু এতিয়া উক্ত প্ৰেক্টাইচিং স্কুলত ছাত্ৰ-ছাত্ৰী ১০ পৰা ৩৫ জনলৈহে হয়। বৃটিছৰ দিনতে প্ৰতিষ্ঠা হোৱা যোৰহাট নৰ্মাল স্কুলখনৰ অৱস্থা এতিয়া বেয়ালগা হৈছে, ইয়াক পুনৰ নিৰ্মাণৰ কাৰণে চৰকাৰে ব্যৱস্থা লব লাগে আৰু অভিজ্ঞ শিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, অলপতে নাহৰকটীয়াত বিনামূলীয়া পাঠ্যপুথি যোগান তথা বিতৰণ কৰা হোৱা নাই বুলি সংবাদ পত্ৰত বাতৰি প্ৰকাশ পাইছে। মই সন্তোষ পাইছো যে নাহৰকটীয়াটো বাতৰি কাকতৰ সাংবাদিক আছে আৰু নাহৰকটীয়াৰ বাতৰিও কাকতত ওলায়। মই উক্ত সাংবাদিকজনক এই বাতৰি দিয়াৰ কাৰণে ধন্যবাদ জনাইছো। সি যি কি নহওক আমি আমাৰ শিক্ষা ব্যৱস্থাত থকা দূৰ্নীতি সমূহৰ কথা বৰ্তমান চিন্তা কৰিব লাগে। সময় মতে কেৰিকুলাম দিয়া সময়মতে ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথি যোগান ধৰা, শৈক্ষিক পৰিৱেশ সৃষ্টি কৰা ইত্যাদি কথাৰ প্ৰতি চকু দিব লাগে। আমাৰ শিক্ষা বিভাগৰ ডি, আই, এচ, আই সকলে তেখেত সকলৰ কৰণীয়খিনি কৰিছেনে নাই এই কথা শিক্ষা বিভাগৰ উৰ্দ্ধতন কৰ্তৃপক্ষৰ দ্বাৰা অনুসন্ধান কৰাৰ ব্যৱস্থা কৰিব লাগে। বিৰোধী পক্ষৰ কোনো কোনো সদস্যই অভিযোগ কৰিছে যে কোনো অঞ্চলত শিক্ষক সকলে পালমৰা বিধৰ শিক্ষাদান কৰে। কোনো শিক্ষক স্কুললৈ নগৈ অন্য লোকক প্ৰাথমিক স্কুললৈ পঢ়ুৱাবলৈ পঠায় যদি সচাকৈয়ে এনেকৈ চলে তেন্তে আমাৰ শিক্ষা ব্যৱস্থাৰ উন্নতি নহব বৰঞ্চ ব্যতিক্ৰম আহি পৰিব আৰু মানদণ্ড নিম্ন গামী হব আৰু শৈক্ষিক পৰিবেশ বিনষ্ট হব। এনেবোৰ কথাৰ প্ৰতি মই মাননীয় শিক্ষা মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো লগতে এনেবোৰ দূৰ্নীতি নিবাৰণৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিছো।

আমাৰ মাননীয় সদস্য কুল বাহাদুৰ ছেত্ৰীয়ে কথা উতথাপন কৰিছে যে যোৱা বছৰ প্ৰাথমিক বিদ্যালয় সমূহত গৃহ নিৰ্মান মঞ্জুৰীৰ ব্যতিক্ৰম হৈছে আৰু এই বছৰো হোৱাৰ সম্ভাবনাই দেখা দিছে। শিক্ষা ব্যৱস্থাত এই ব্যতিক্ৰম আগৰ পৰা কৰা কাৰণেহে এইটো হৈছে। দান অনুদান বিতৰণ কৰাৰ ক্ষেত্ৰত

আগতে এনে ব্যতিক্রম হোৱাটো ডাঙৰ কথা। সেই কাৰণেই এতিয়া আগতে বাদ দিয়া জৰাজীৰ্ণ বিদ্যালয় সমূহক যিবিলাকে আগতে সুবিধা পোৱা নাছিল এতিয়া দিবলগা হৈছে। প্ৰকৃত দুৰৱস্থাৰ স্কুলবিলাকক মঞ্জুৰী দিবলৈ যাওঁতেই এতিয়া ব্যতিক্ৰম হৈছে এইটো গণ পৰিষদে কৰা ব্যতিক্ৰম নহয়।

(সময়ৰ সংকেট)

বিৰোধী পক্ষৰ সদস্য সকলে কৈছে হে বৃটিচৰ দিনত কেৰেণী সৃষ্টি কৰিবলৈহে শিক্ষা ব্যৱস্থা কৰা হৈছিল। কিন্তু এই শিক্ষা ব্যৱস্থা বহুকাল ধৰি চলি আছে। শিক্ষা ব্যৱস্থাৰ উন্নতিৰ কাৰণে চৰকাৰৰ দায়ীত্ব কি বা কৰণীয় কি তেনে দিহা পৰামৰ্শহে বিৰোধী পক্ষই আগবঢ়াব লাগে।

সদৌ শেষত যোৱা দুটা বছৰত আমাৰ চৰকাৰে শিক্ষা ব্যৱস্থাৰ যি আমূল পৰিবৰ্ত্তন সাধিলে তাৰ কাৰণে ধন্যবাদ জনাইছো আৰু বৰ্ত্তমান বছৰত যিখিনি টকা ধাৰ্য্য কৰা হৈছে সেইখিনি যাতে প্ৰকৃত শিক্ষা ব্যৱস্থাত খৰচ কৰে তাৰ কাৰণে শিক্ষা মন্ত্ৰীক অনুৰোধ জনাই দাবী মঞ্জুৰী সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীস্বৰূপ উপাধ্যায়ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী দলৰ দলপতি মাননীয় শ্ৰীগোলোক ৰাজবংশী ডাঙৰীয়াই যি কৰ্ত্তন প্ৰস্তাৱ আনিছে সেই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্য ৰাখিবলৈ ওলাইছো। চৰকাৰ পক্ষৰ মাননীয় কেবাজনো সদস্যই কৈ গৈছে যে কৰ্ত্তন প্ৰস্তাৱটো আনিব নালাগিছিল বা কৰ্ত্তন প্ৰস্তাৱৰ আৱশ্যকতা নাছিল। তেখেত সকলে মুখেৰে এইটো কলেও কৰ্ত্তন প্ৰস্তাৱটো অনাই ভালেই পাইছে কাৰণ কৰ্ত্তন প্ৰস্তাৱটো অনাৰ কাৰণে তেখেত সকলে বক্তৃতা ৰাখিব পাৰিছে, ক্ষোভ বা অভিযোগ দুৰ্নীতিৰ বিষয়ে কব পৰা হৈছে মুখত নকলেও পেতেপেতে ভাল পাইছে। উপাধ্যক্ষ মহোদয়, মই সমালোচনালৈ নগৈ মই শিক্ষা মন্ত্ৰী মহোদয়ৰ এটা কথাত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো সেইটো হ'ল এটা কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে অসমৰ শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত ভেনচাৰ স্কুলবিলাকৰ এটা মুখ্য ভূমিকা আছে। শতকৰা ৯০ ভাগ স্কুলেই ভেনচাৰ হিচাবে ৰাইজে আৰম্ভ কৰাৰ পাছত চৰকাৰে লয়। আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই তেজপুৰ অঞ্চলত কেবাখনো ভেনচাৰ স্কুল গঢ়ি তোলাত যথেষ্ঠ অৰিহনা যোগাইছে গতিকে ভেনচাৰ স্কুল স্বাভাবিকতে কোনেও নুই কৰিব নোৱাৰে। দ্বিতীয় কথা হ'ল আমি এটা কথা সদায় মনত ৰাখিব লাগিব যে আমি সকলো স্কুলগোইং ষ্টেজৰ লৰা ছোৱালীকে শিক্ষা গ্ৰহণ কৰোৱাটোত

আমি বন্ধ পৰিপক্ক। তেওঁলোকৰ প্ৰতি আমাৰ মুখ্য দায়ীত্ব আছে। চৰকাৰে নিজৰ ফালৰ পৰা আওহতীয়া অঞ্চল বিলাকত এল পি স্কুল বা হাইস্কুল খুলি দিব লাগিছিল কিন্তু খোলা নাই খুলিছে কিন্তু ৰাইজে। কিয় ৰাইজে খুলিছে এইটো কিন্তু ডাঙৰ কথা। শিক্ষিত নিবনুৱা লোকে চাকৰী পাবৰ কাৰণেই স্কুল খুলিব নোৱাৰে। যিখন গাওঁত স্কুল খুলে সেইখন গাৱত যদি পঢ়িবলৈ লৰা ছোৱালী নাথাকে তেনেহলে কৈনেকৈ স্কুলবিলাক গঢ়ি উঠিব। নিশ্চয় সেইখন গাওঁত স্কুলগোয়িং গ্ৰুপৰ লৰা ছোৱালী স্কুলত পঠিয়াব নোৱাৰে। সেই কাৰণেই এই ভেনচাৰ স্কুলবিলাক গঢ়ি উঠে আৰু কালক্ৰমত চৰকাৰে সেইবিলাক স্কুল লবলৈ বাধ্য হয়। আমি সকলোৱে জানো যে ভেনচাৰ স্কুলৰ শিক্ষক সকলে আজি প্ৰায় ২০/২৫ দিন আগতে ৭০ ঘণ্টীয়া অনশন ধৰ্ম্মঘট কৰিছিল। এই ধৰ্ম্মঘট সংক্ৰান্তত শাসক দলৰ ফালৰ পৰাই যেতিয়া বিধায়কে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছিল তেতিয়া দুখ আৰু পৰিতাপৰ কথা আমাৰ ৰাজ্যিক শিক্ষা মন্ত্ৰী মহোদয়ে যি বক্তব্য দাঙি ধৰিলে তাৰ পৰা শিক্ষা জগতৰ বহুতেই নিৰাশ হবলগীয়া হ'ল য'ত চৰকাৰে কৈছে যে স্কুল খুলিবলৈতো আমাক সোধা নাছিল, আনাৰ কৰণীয় একো নাই, আমাৰ দায়িত্ব নাই। গতিকে আগৰ চৰকাৰ বিলাকেও যদি এই নীতিকে গ্ৰহণ কৰিলেহেতেন তেতিয়া হ'লে কিজানি অসমত আজি শতকৰা ২০ ভাগ স্কুলো নহ'লহেতেন। আমাৰ নীতি হৈছে লৰা ছোৱালী স্কুলত যাব লাগে আনহাতে ভেনচাৰ স্কুল খুলি লৰা ছোৱালী স্কুললৈ গলেও সেইবিলাক স্কুলৰ দায়িত্ব চৰকাৰে নলয়। চৰকাৰৰ তৰফৰ পৰা কৰণীয় নাই বুলি কৈছে। গতিকে মুখত এটা কামত এটা হৈছে।

শ্ৰীপ্ৰদীপ হাজৰীকা: উপাধ্যক্ষ মহোদয়, মই এটা স্পষ্টিকৰণ বিচাৰিছো তেখেতে যি ধৰণে কৈছে আমাৰ ৰাজ্যিক শিক্ষা মন্ত্ৰীয়ে তেনেধৰণে কোৱা নাছিল।

শ্ৰীস্বৰূপ উপাধ্যায়: তেখেতে যদি এতিয়াও উঠি কয় যে আমি দায়িত্ব লৈছো নিশ্চয় আমি ভাল পাম।

শ্ৰীযতিন মালী (ৰাজ্যিক শিক্ষা মন্ত্ৰী): মই দিয়া বক্তৃতা আৰু তেখেতে বিধান সভাৰ মজিয়াত কোৱা কথাখিনিৰ সাদৃশ্য নাই।

শ্ৰীস্বৰূপ উপাধ্যায়: তেখেতে পিছত দিছে যদি বেলেগ কথা। তেখেতে দায়িত্ব লম বুলি কলে আমি ভাল পাম। উপাধ্যক্ষ মহোদয়, ভেনচাৰ স্কুল

বিলাকক হাতে কামে কেনেকৈ বাধা দিছে চাওঁক চৰকাৰে এলপি স্কুলবিলাকত কিতাপ দিয়ে কিন্তু ভেনচাৰ স্কুল বিলাকত কিতাপ নিদিয়ে (ভইচ দিয়া হয়)

দিয়া নহয়, মোৰ হাতত লিষ্ট আছে দৰ্কাৰ হলে লিষ্ট দিম। গতিকে চৰকাৰে যি নীতি ঘোষণা কৰিছে তাৰ বিপৰিতে কাম কৰিলে ফল ভাল নহয়। দ্বিতীয় কথা হ'ল মাননীয় সদস্য শ্ৰীতনু কোঁৱৰ ডাঙৰীয়াই কৈছে যে তেখেতৰ সমষ্টিৰ ৩/৪ খন মাধ্যমিক স্কুলত ৩/৪ জন শিক্ষক নাই। মই ভাবিছিলো মোৰ সমষ্টিত তেনেহে আছে মই ভাৱেই পালো আৰু তেনে উদাহৰণ থকা কাৰণে। মই শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এনেকৈ ৩/৪ জন শিক্ষক নথকাকৈ স্কুল চলিব নোৱাৰে। এই ব্যৱস্থাটো আৰু বেছি দিন লাষ্টিং কৰিলে এই চৰকাৰৰ ক্ৰেডিট নাথাকিব।

আগৰ মানুহক দোষ দি নিজৰ দোষ সাৰিব নোৱাৰে। আপোনালোকে সকলো কাম কৰিব পাৰিব বুলিয়েইটো ৰাইজে আপোনালোকক ইয়ালৈ লৈ আনিছে। যদি একো কাম কৰিব নোৱাৰে তেন্তে আপোনালোকৰ ইয়াত থকাৰ অৰ্থ নাই। নতুন স্কুলত বাধা দিয়া উচিত নহয়। বাধা দিলে সৰু সৰু লৰা ছোৱালী বোৰৰ শিক্ষাত বাধা দিয়া হব। আকৌ এই যি প্ৰাপ্ত বয়স্ক শিক্ষাৰ যি কথা কৈছে সেইটো কি ১০০ বছৰলৈ চলাই থাকিব বুলি ভাবিছে নেকি? This is a problem I have raised before the Education Minister through you honourable Deputy Speaker and I think he will think over the matter. Thank you sir.

Mr. Deputy Speaker : Now Shri Gunin Hazarika.

শ্ৰীগুনীন হাজৰীকা : মাননীয় উপাধ্যক্ষ মহোদয়, আজি শিক্ষাৰ ক্ষেত্ৰত শিক্ষা মন্ত্ৰী মহোদয়ক সকলোৱে সমালোচনা কৰিছে, তেখেতে সিংহভাগ বাজেটৰ পৰা আদায় কৰাৰ কাৰণে। আপোনালোকে জানে তেখেত আজি এটা ডাঙৰ চিন্তাৰ মাজত থাকিবলগীয়া হৈছে। টকা পাইছে হয় কিন্তু সমাজৰ আটাইতকৈ ক্ৰিয়াশীল আৰু বিস্ফোৰক অংশৰ লগত তেখেত সংযুক্ত হৈ থাকিব লাগে। আজি শিক্ষাৰ ক্ষেত্ৰত এটা ডাঙৰ সমস্যাৰ সৃষ্টি হৈছে। এটা সময় আছিল যেতিয়া কোনো বিবেচনা নাছিল যত ৰাজনৈতিক হস্তক্ষেপত স্কুল সমূহ অপৰিকল্পিত ভাৱে সৃষ্টি হৈছিল। আজি শিক্ষা মন্ত্ৰী মহোদয়ে সেইবোৰ চাকা কৰি পৰিকল্পিত অৱস্থালৈ আনিবলগীয়া হৈছে। হাৰকিলিউছে যেনেকৈ

টাইবাৰ নদী পোনাই পুৰণি আস্তাবল আকৌ তৈয়াৰ কৰিছিল সেইদৰে সেই শক্তি আমাৰ শিক্ষামন্ত্ৰী মহোদয়ৰ হব লাগিব। সেই শক্তি আহৰণত আমিও অবিহনা যোগাব লাগিব। কিছু সদস্যই কৈছে যে আমাৰ ৰাজ্যখনত শিক্ষা ব্যৱস্থা বন্ধ কৰিবৰ কাৰণে শিক্ষামন্ত্ৰীয়ে ভাষণ দিছে। কিন্তু আমি দেখিছো অপৰিকল্পিত ভাৱে কিছুমান স্কুল গঢ়ি উঠিছে সেই বিলাকৰ ক্ষেত্ৰত নিশ্চয় বাধা দিব লাগিব। কিন্তু পৰিকল্পিত ভাবে আমাৰ ৰাজ্যৰ আমাৰ দেশত শিক্ষা ব্যৱস্থা বঢ়াব লাগিব। কোনোবাই গোহালী ঘৰ এটাত এখন স্কুল আৰম্ভ কৰিলে, নিজেই তাত শিক্ষক হৈ থাকি বা এখন গাওঁত নিজ খেয়াল খুচীত ২-৩ খন স্কুল বনাইছে এই ব্যৱস্থাটো থাকিব নোৱাৰে। এই ব্যৱস্থা চলি থাকিবলৈ দিয়াৰ কাৰণেই আমাৰ শিক্ষা ব্যৱস্থাত কেৰোণ আজি আমি দেখিবলৈ পাইছো। আজি গোটেইবিলাক মাধ্যমিক স্কুল চৰকাৰে লব পৰা নাই, কাৰণ টকা নাই। আজি আমাৰ সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই যিটো পৰামৰ্শ ইয়াত দিছে সেইটো ভাল পৰামৰ্শ হৈছে। নৈ এখনৰ ইপাৰে এখন স্কুল থাকিলে সিপাৰৰ লৰা ছোৱালী দুটামান আহিব নোৱাৰে কাৰণ নদীত দলং নাই। সেয়ে সিপাৰে আকৌ এখন স্কুল গঢ়ি তোলে। তাতকৈ সেই স্কুল নতুনকৈ বনাই, শিক্ষকৰ দৰমহা আমি দিওঁতে যিমান টকা লাগিব সেই টকাৰে এখন দলং বনাই দিলেই বেচি ভাল হব। আমাৰ শিক্ষা বিভাগে এই ক্ষেত্ৰত এটা চাৰ্ভে কৰি আছে বুলি আমি জানিব পাৰিছো মই আশা কৰিছো এইদৰেই আমাৰ শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত কিছুমান নিয়ম নীতি যাতে তৈয়াব কৰে তাৰ বাবে মই অনুৰোধ কৰিছো। বিশেষকৈ প্ৰাথমিক স্কুল বিলাকৰ ক্ষেত্ৰত কোনো নিয়ম নীতি নাই। শিক্ষা বিভাগৰ ডি আইৰ এখন প্ৰপত্ৰ হব লাগে। শিক্ষা বছৰ আৰম্ভ হোৱাৰ আগতে এই প্ৰপত্ৰ অনুসৰি সেই ঠাইৰ ৰাইজে বা কমিটীয়ে পৰিদৰ্শকৰ ওচৰত আবেদন জনাব লাগে। পৰিদৰ্শকে ইয়াৰ ওপৰত এটা প্ৰতিবেদন দিব আৰু তাৰ ওপৰত বিবেচনা কৰি অনুমোদন দিয়া হয় স্কুল খোলাৰ কাৰণে। এই অৱস্থাটো যদি কিবা নতুন নিয়ম নীতিৰ মাজলৈ অনা নহয় তেনেহলে এটা ভয়াবহ অৱস্থাৰ সৃষ্টি হব। হাইলাকান্দিত গাওঁতকৈ স্কুল বেচি আছে। কোনো কোনো ঠাইত শিক্ষকেই হাজিৰা দিয়াও আমি শুনিছো। সেয়ে উপাধ্যক্ষ মহোদয়, এই নিয়ন্ত্ৰন নোহোৱা অৱস্থাটো সোনকালে নাইকীয়া কৰিবৰ কাৰণে এটা চাৰ্ভেৰ ব্যৱস্থা কৰা বুলি জানি ভাল পাইছো। আগৰ চৰকাৰৰ দিনত যিজন শিক্ষা মন্ত্ৰী

আছিল তেওঁৰ সমষ্টি নগাওঁ সদৰত ৯৬ খন স্কুল আছে তাত ৪৩১ জন শিক্ষক দিয়া হৈছিল কিন্তু নিৰ্ব্বাচনৰ সময়ত আৰু ৩৩২ জন শিক্ষক তাত নিযুক্তি দিয়া হৈছিল। অতিৰিক্ত ভাবে তাত ৫ জন শিক্ষক নিযুক্তি দিয়া হৈছিল। কিন্তু সেই একে সময়তে কঠিয়াতলীত ৮৮ খন স্কুল আছে তাত ১৪৪ জন শিক্ষক আছে তাত কিন্তু সেই এজনো নতুনকৈ শিক্ষক নিযুক্তি দিয়া নহল। এই দৰেই চলিছিল আগৰ শিক্ষা ব্যৱস্থা। ইয়েই আজি আমাৰ শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰিছে। বহু ঠাইত আমি দেখিছো গ্ৰাম্য অঞ্চলৰ পৰা শিক্ষক বদলি কৰা হয়। যিমান স্কুলত যিমান শিক্ষক আছে তাতকৈ ৪ জন মান কম যদি থাকে বা বেলেগ স্কুললৈ বদলি কৰা হয় তেতিয়া এই পদৰ মঞ্জুৰী বাতিল হৈ যায়। কাৰণ আমি দেখিছো বহুক্ষেত্ৰত শিক্ষকৰ বদলি বা মঞ্জুৰী আদিৰ ক্ষেত্ৰত ৰাজনৈতিক হস্তক্ষেপ হয়। এই অৱস্থাৰ অৱসান ঘটাব লাগিব। আজি আমাৰ মাধ্যমিক বা প্ৰাথমিক স্কুলৰ ক্ষেত্ৰত যি ব্যৱস্থা লোৱা হৈছে সেই সম্পৰ্কত বহু সমালোচনাও হোৱা দেখা গৈছে কিন্তু শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত যি ব্যৱস্থা লৈছে সি আগতকৈ যথেষ্ট পৰিবৰ্ত্তন হৈছে সেইটো সকলোৱে স্বীকাৰ কৰিব লাগিব।

আজি আমাৰ কলেজ শিক্ষক সকলৰ ক্ষেত্ৰত এটা নিৰাপত্তাৰ প্ৰয়োজন আছে। আন কৰ্ম্মচাৰী সকলৰ দৰে কলেজ শিক্ষক সকলে বেমাৰ হ'লে দৰমহা সহ ছুটী পোৱা ব্যৱস্থা নাছিল কিন্তু এতিয়া এইটো কৰা হৈছে। শিক্ষা বিভাগৰ লগত মই নিজেও জড়িত আছিলো। আজি আমাৰ শিক্ষা বিভাগত যথেষ্ট পৰিমানৰ ধন দিয়া হয়। আমাৰ শিক্ষা বিভাগত বহুতো ডাইৰেক্টৰেট আছে এই সকলোবোৰ মিলি বিভাগটো ভালকৈ চলাবৰ কাৰণে। গতিকে আমি আশা কৰো হায়াৰ চেকেণ্ডেৰী এডুকেচন, এলিমেণ্টৰী এডুকেচন, টেকনিকেল এডুকেচন, লাইব্ৰেৰী, স্পৰ্টচ আদি সকলোকো সঞ্চালকালয়ে ভালদৰে কাম কৰিলে নিশ্চয় আমাৰ শিক্ষা ব্যৱস্থাৰ উন্নতি হব। ইয়াকে কৈ মই সামৰণী মাৰিলো।

Mr. Deputy Speaker: কালিলৈ পুৱা ৯ বজালৈ সদন স্থগিত।

# ADJOURNMENT

The House then rose at 1.30 P.M. and will stood adjourned till 9 A.M. tomorrow, the 7th April, 1988

Dr. P. N. Hazarika
Secretary
Assam Legislative Assembly.

Dispur
The 6th April, 1988

## Annexure-1

| Name of the Sub-division | Cultivable Area (ha) Name of the seed Farms | |
|---|---|---|
| 1) Guwahati | 1] Gerua | 7 3 |
| | 2] Bamunigaon | 7·5 |
| | 3] Domoria | 9 3 |
| | 4] Bargaon | 4·0 |
| 2) Tamulpur | 1] Tamulpur | 7·3 |
| 3) Nalbari. | 1] Namati | 8·0 |
| | 2] Nakuchi | 10·7 |
| | 3] Lokhopur | 10·0 |
| | 4] Sathemou | 10·0 |
| 4) Barpnta | 1] Sarbhog | 1·2 |
| | 2] Chenga | ·0 |
| | 3] Mandia | ·6 |
| 5) Rangiya | 1] Jajikona | ·8 |
| | 2] Tulshibari | 5· |
| 6) Pathsala | 1] Pathsala | 7·5 |
| | 2] Jalah | 8·93 |
| | 3] Barbarijhar | 11·2 |
| 7) Morigaon | 1] Kathani | 11·3 |
| | 2] Aujari | 8·6 |
| | 3] Jargaon | 12·0 |
| 8) Hojai | 1] Barpukhuri | 9·3 |
| 9) Nagaon | 2] Dhing | 11·5 |
| | 2] Kalaikhowa | 13.2 |
| 10) Kaliabar | 1] Lowkhowa | 9·0 |

| | | |
|---|---|---|
| 11) Tazpur | 1] Depota | 10·5 |
| | 2] Jamuguri | 6·7 |
| | 3] Charduar | 1·5 |
| 12) Udalguri | 1] Majikuchi | 10·0 |
| 13) Mangoldoi | 2] Chamuapara | 7·0 |
| 14) N. Lakhimpur | 1] Rangoti | 12·0 |
| | 2] Karunabari | 7·0 |
| 15) Dibrugarh | 1] Bakul | 4·0 |
| | 2] Pabhajan | 5·1 |
| | 3] Moran | 5·4 |
| 16) Sibsagar | 1] Karranghar | 3·68 |
| | 2] Demow | 10.2 |
| 17) Charaideo | 1] Longpotia | 6·3 |
| 18) Golaghat | 1] Bogoriani | 7·4 |
| 19) Jorhat | 1] Kundergaon | 7·0 |
| | 9] Madhapur | 5·2 |
| 20) Majuli | 1] Kamalabari | |
| 21) Narimganj | 1] Durllavchera | 14·0 |
| 22) Silchar | 1] Bijoypur | 8·6 |
| | 2] Allambag | 5·2 |
| 23) Hailakandi | 1] Kuchila | 3·3 |
| 24) Goalpara | 1] Krishnai | 39·2 |
| | 2] Balijana | 4·5 |
| 35) Bijni | 1] Khamarguri | 6·0 |
| | 2] Kashikotra | 11·3 |
| 26) Kokrajhar | 1] Dangarkuti | 10·0 |
| 27) Gossaigaon | 1] Ballamguri | 8·0 |
| 28) Dhubri | 1] Raniganj | 6·0 |
| Total 28 Nos. | Total 52 Nos. | |

## Annexute 2

Statement showing total quantity of fertilizer pesticides and input kits distributed to the farmers of Borpeta District (Blockwise) against various schemes during the year from 1983-84 to 1987-1988

| | Fertilizer | | Pesticides | | Input Kit bags | |
|---|---|---|---|---|---|---|
| Name of block, Borpeta Subdivision | Nutrient in M.T. | No. of beneficiaries. | Quantity LTS | No. of beneficiaries | Quantity No. | No. of beneficiaries. |
| ( i ) | ( ii ) | ( iii ) | ( iv ) | ( v ) | ( iv ) | (vii) |
| **1983-84** | | | | | | |
| i) Borpeta | 25 | 1500 | 93 | 186 | 4419 | 4419 |
| ii) Mondia | 30 | 1700 | 81 | 162 | 680 | 680 |
| iii) Changa | 25 | 1500 | 133 | 266 | 269 | 269 |
| iv) Ruposi | 20 | 1200 | 76 | 152 | 19 | 19 |
| 1984-85 | | | | | | |
| i) Borpeta | 50 | 3000 | 571 | 1142 | 20026 | 20026 |
| ii) Mondia | 70 | 4200 | 403 | 806 | 22463 | 22463 |
| iii) Chenga | 54 | 3240 | 110 | 756 | 11593 | 11593 |
| iv) Ruposi | 70 | 4200 | 378 | 220 | 15199 | 11599 |
| 1985-86 | | | | | | |
| i) Borpeta | 152 | 9120 | 339 | 544 | 3547 | 3547 |
| ii) Mondia | 149 | 8940 | 80 | 410 | 849 | 849 |
| iii) Chenga | 142 | 8520 | 220 | 130 | 611 | 611 |
| iv) Ruposi | 147 | 8820 | 247 | 500 | 263 | 263 |

Contd.

| | | | | | | |
|---|---|---|---|---|---|---|
| 1986-87 | | | | | | |
| i) Borpeta | 105 | 6300 | 244 | 507 | 8399 | 8399 |
| ii) Mondia | 105 | 6300 | 251 | 524 | 2109 | 2109 |
| iii) Chenga | 80 | 4800 | 223 | 600 | 1809 | 1809 |
| iv) Ruposi | 87 | 5220 | 260 | 559 | 1004 | 1004 |
| 1987-88 | | | | | | |
| i) Borpeta | 50 | 3000 | 608 | 750 | 26180 | 26180 |
| ii) Mondia | 60 | 3600 | 445 | 900 | 23983 | 23983 |
| iii) Chenga | 50 | 3000 | 225 | 500 | 22025 | 22025 |
| iv) Ruposi | 40 | 2400 | 310 | 800 | 20783 | 20783 |
| Pathsala Subdivision. | | | | | | |
| 1983-84 | | | | | | |
| i) Bajali | 45 | 2700 | 150 | 275 | 350 | 350 |
| ii) Jalah | 50 | 3000 | 150 | 325 | 350 | 350 |
| iii) Bhabanipur | 45 | 2700 | 100 | 225 | 325 | 325 |
| iv) Gobardhana | 42 | 2520 | 150 | 350 | 375 | 375 |
| 1984-85 | | | | | | |
| i) Bajali | 125 | 7500 | 830 | 1500 | 8892 | 8892 |
| iii) Jalah | 180 | 10800 | 765 | 1670 | 5907 | 5907 |
| iii) Bhabanipur | 125 | 7500 | 850 | 1550 | 11127 | 11127 |
| iv) Gobardhana | 150 | 9000 | 910 | 1630 | 6210 | 6210 |

Conted.

| | | | | | | |
|---|---|---|---|---|---|---|
| 1985-86 | | | | | | |
| i) Bajali | 190 | 11400 | 965 | 1600 | 225 | 225 |
| ii) Jalah | 185 | 11100 | 850 | 1580 | 195 | 195 |
| iii) Bhabanipur | 172 | 10320 | 685 | 1425 | 220 | 220 |
| iv) Gobardhana | 185 | 11100 | 725 | 1600 | 220 | 220 |
| 1986-87 | | | | | | |
| i) Bajali | 203 | 12180 | 525 | 1200 | 220 | 220 |
| ii) Jalah | 213 | 12780 | 475 | 1225 | 230 | 230 |
| iii) Bhabanipur | 208 | 12480 | 500 | 1325 | 195 | 195 |
| iv) Gobardhana | 108 | 6480 | 625 | 1400 | 225 | 225 |
| 1987-88 | | | | | | |
| i) Bajali | 60 | 3600 | 3537 | 4000 | 6400 | 6400 |
| ii) Jalah | 114 | 6840 | 9514 | 3600 | 7004 | 7004 |
| iii) Bhabanipur | 100 | 6000 | 2365 | 3730 | 9132 | 9132 |
| iv) Gobardhana | 50 | 3000 | 1354 | 2050 | 5012 | 5012. |

## ANNEXURE 3

### LIST OF SUBDIVISIONAL TRIBAL DEV. BOARD OF SILCHAR

| | | | |
|---|---|---|---|
| 1. | Shri Nanigopal Barman | Chairman | Vill & P.O. Rajbazar Cachar. |
| 2. | Shri Maloncha Barman | Member | Vill & P.O. Daloo Cachar. |
| 3. | Shri Ram Mohan Barman | -do- | Vill & P.O. Bijoypur, Borkhol. |
| 4. | Shri Dindayal Barman | -do- | Vill & P.O. Thaligram, Cachar. |
| 5. | Shri Satish Ch. Barman | -do- | Vill & P. O. Thaligram, Cachar. |
| 6. | Shri Atul Barman | -do- | Vill and P.O. Monirkhal, Cachar. |
| 7. | Shri Manindra Barman | -do- | Vill & P.O. Bhagesala, Horinthal. |
| 8. | Shri Ajit Kr. Barman | -do- | Vill & P.O. Lailapur, Bhagabazar. |
| 9. | Shri Tolai Barman | -do- | Vill & P.O. Gorerbitor' Biharabazar Cachar. |
| 10. | Shri Sudarshan Barman, | -do- | Vill & P.O. Dormikhal, Rulai. |
| 11. | Shri Rupendra Barman | -do- | Vill & P.O. Goljaghat. Dholai. |
| 12. | Shri Manjulata Barman, | -do- | Vill & P. O, Thaligram, Cachar. |
| 13. | Shri Biswanath Barman | -do- | Vill & P.O. Ganga- |

| | | | |
|---|---|---|---|
| | | | nagar, Cachar. |
| 14. | Shri Nobogopal Barman | Member | Vill & P.O. Tarapur, Silchar. |
| 15. | Deputy Commissioner Sub-Divisional Offiecr | -do- | |
| 16. | Project Director, ITDP Concerned | -do- | |
| 17. | Sub-Divisional Dev. Deptt. | -do- | |
| 18. | Sub Divisional Welfare Officer, Silchar. | Member & Secretary. | |

## ANNEXURE 4

### SUB DIVISIONAL S.C. DEVELOPMENT BOARD :: SILCHAR

| | | | |
|---|---|---|---|
| 1. | Shri Brojolal Robidas | Chairman | Vill. & P.O. Kanakpur, Cachar. |
| 2. | Shri Kamakhya Mala | Member | Vill & P.O. Panivera, Silchar. |
| 3. | Shri Abanti Mohan Das | -do- | Vill & P.O. Jaypur Natanbazar, Silchar. |
| 4. | Shri Golak Satnami | -do- | Chandighat T.E. P.O. Udhar Bond |
| 5. | Shri Rani Laskar | -do- | Silgoigi Patti, Silchar. |
| 6. | Shri Dudhnath Robidas | -do- | Vill & P.O. Panibhora Cachar. |
| 7, | Shri Bijon Ram Das | -do- | Vill and P.O. Algapur, Cachar. |
| 8. | Shri Sudarson Robidas | -po- | Vill & P.O. Chailta-kandi. |

| | | | |
|---|---|---|---|
| 2. | Shri Ram Saran Robidas | Member | Vill Padampur, P.O. Arcutipur. |
| 10. | Shri Girindra Das B.L. | -do- | Sree Ma Road Silchar-5 |
| 11. | Shri Golak Robidas | -do- | Vill. Machipur, Resekandi. |
| 12. | Shri Gorkh Robidas | -do- | Vill. Gangapur, P.O. Bodri Basti. |
| 13. | Shri Sudhanwa Kr. Sarkar | -do- | Secretary, Namasudro Community Cachar, Saidpur, Silchar. |
| 14. | Deputy Commissioner/ S.D.O. Silchar | -do- | |
| 15. | Project Director, ITDP concerned. | -do- | |
| 16. | Heads of Sub-Div. Dev. Deptt. | -do- | |
| 17. | Sub-Divisional Welfare Officer, Silchar. | Member & Secretary. | |

## ANNEXURE 5

List of Members of the Advisory Council for Welfare of Scheduled Caste, Assam

| | | |
|---|---|---|
| 1. | Shri Thaneswar Boro. Minister of WPT & S.C. Assam | Chairman |
| 2. | Shri Bhabendra Nath Bharali, MLA. | Vice Chairman |
| 3. | Shri Nilamani Das, MLA. | Member |
| 4. | Shri Sudershan Das MP. | -dc- |
| 5. | Kumari Robi Das, MLA. | -do- |
| 6. | Shri Digendra Purkayastha, MLA. | -do- |

7. Shri Ratneswar Sarkar, MLA. Member
8. Shri Gopinath Das, MLA. -do-
9. Shri Moti Das, MLA. -do-
10. Shri Umesh Ch. Das, MLA. -do-
11. President of the Asom Anusuchit Jati Parishad Assam. -do-
12. President of the Harijan Sevak Sangha, Assam. -do-
13. Agriculture Producation Commissioner, Ex-officio Member
14. Commissioner, Lower Assam Division -do-
15. Commissioner, Upper Assam Division -do-
16. Commissioner, North-east Assam Division -do-
17. Commissioner, Hill Areas Division -do-
18. Financial Commissioner, Assam. -do-
19. Secretary, WPT. & BC. Deptt. Assam. -do-
20. Tae Director, WPT. BC. Deptt. Assam. -do:
21. Director, Tribal Research Institute, Assam. -do-
22. Director / Deputy Director of SC / ST Commission, -do- Govt. of India, Shillong / Gauwahati. -do-
23. Managing Director, Assam State Dev. Corporation for Scheduled Caste Ltd. -do-
24. Deputy Secretary, WPT BC etc. Member Secretary.

## ANNEXURE 6

## LIST OF MEMBERS OF THE ADVISORY COUNCIL FOR WELFARE OF SCHEDULED TRIBES, ASSAM :

1. Sri Thaneswar Boro, Minister, WPT and SC Chairman.
2. Sri Phani Ram Tayeng, M. L. A. Vice-Chairman.

| | | | |
|---|---|---|---|
| 3. | Smti Rekha Rani Das Boro. | Minister, State Social Welfae. | Member. |
| 4. | Sri Samar Brahma Choudhury. | M. P. | -do- |
| 5. | Sri Dharanidhar Basumatary. | M. P. | -do- |
| 6. | Sri Amrit Lal Basumatary. | M. L. A. | -do- |
| 7. | Sri Chran Narzary. | M. L. A. | -do- |
| 8. | Sri Ganesh Kutum. | M. L. A. | -do- |
| 9. | Sri Jonendra Bosumatary. | M. L. A. | -do- |
| 10. | Sri Akan Chandra Rabha. | M. L. A. | -do- |
| 11. | Sri Suren Swargiary. | M. L. A. | -do- |
| 12. | Sri Ganesh Boro. | M. L. A! | -do- |
| 13. | Sri Binoy Khungur Basumatary | M. L. A. | -do- |
| 14. | Sri Durga Das Baro. | M. L. A. | -do- |
| 15. | Sri Padmeswar Doley, | Minister, State. | -do- |
| 16. | Sri Dilip Kumar Saikia. | M. L. A. | -do- |
| 17. | Sri Bhaben Narji. | M. L. A. | -do- |
| 18. | Smti Jyotsna Sonowal. | M. L. A. | -do- |
| 19. | Sri Kesha Ram Bora. | M. L. A. | -dc- |
| 20. | Sri N. M. Barman, President, Nekhil Cachar, Haidimba Barman Samity, Silchar-3. | | -do- |
| 21. | Sri Lata Ram Deuri, Vill-Bar-Deurigaon, Narayanpur, Dist-Lakhimpur. | | -dc- |
| 22. | Sri Ramesh Ch. Bardoloi. Vill-Barchila, Dist- Nagaon. | | -dc- |
| 23. | Agriculture, Production Commissioner, Assam | | Ex-Officio Member. |

24. Commissioner, Lower Assam Division. Member
25. Commissioner, Northern Assam Division. -do-
26. Commissioner, Upper Assam Division. -do-
27. Commissioner, Hills Areas Division. -do-
28. Financial Commissioner, Assam. -do-
29. Director, Welfare of PT and BCs Deptt., Assam -do-
30. Director, Tribal Research Institute, Assam. -do-
31. Director/Deputy Director of SC/ST Commission, Govt. of India. -do-
32. Managing Director, Assam Plains Tribes Development Corporation. -do-
33. Secretary, Welfare of PT and BC Deptt., Assam. -do-
34. President All Assam Tribal Sangha. -do-
35. Deputy Secretary, welfare of PT and BC Deptt., Assam. Member Secretary.

## ANNEXURE 7

(a) No of Diesel pump sets recommended by Sub-Divisional Scheduled Caste Advisory Board, in the Sub-divisions, Yearwise and distributed.

| Year | Sub-Division | No. of pumps recommended | No of pumps distributed. |
|---|---|---|---|
| 1980 | Silchar | Nil | Nil |
| 1981 | | Nil | Nil |
| 1982 | | 1 No | 1 No |
| 1983 | | 9 " | 9 " |
| 1984 | | 6 „ | 6 " |
| 1985 | | 6 " | 6 " |
| 1986 | | 28 " | 28 " |

| | | | |
|---|---|---|---|
| 1987 | | 16 " | 16 " |
| | | 66 Nos | 66 Nos |
| 1980 | Karimganj | Nil | Nil |
| 1981 | | Nil | Nil |
| 1982 | | 7 Nos | 5 Nos |
| 1983 | | 12 ,, | 11 ,, |
| 1984 | | 10 ,, | 6 ,, |
| 1985 | | 24 ,, | 8 ,, |
| 1986 | | 20 ,, | 55 ,, |
| 1987 | | 27 ,, | 11 ,, |
| | | 100 Nos | 96 Nos |
| 1980— 1987 | Hailakandi | — | 28 Nos |

Note : Year-wise information for Hailakandi Subdivision and date of sanction are being collected.

(b) Four wheel Tractor is not supplied to S. C. farmers at subsidised rate by Agriculture department.